● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগদৰ্শন**

অব্যৱহৃত লোহাত মামৰে ধৰে; বদ্ধ পানীয়ে বিশুদ্ধতা হেৰুৱায়। একেদৰে অকৰ্মণ্যতাই মনৰ প্ৰাণশক্তি শুহি নিয়ে।



লিওনাৰ্ডো ডা ভিঞ্চি

৭ যুদ্ধৰ শংকাত ইউক্ৰেইনৰ পৰা পলায়ন ১০ লাখৰ
১৫ ৰঞ্জী ট্ৰফীত ব্যৰ্থতাৰে আৰম্ভণি অসমৰ
৪ ভাৰত তথা অসম অৰ্থনৈতিক সংকটৰ পৰা উদ্ধাৰ পাবনে?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৩৪তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৮ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২১ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 21 February 2022 মূল্য ঃ ৯.০০ টকা

## শ্ল'গানসৰ্বস্ব ভাৰতীয় ৰাজনীতি

■ প্ৰাঞ্জলসেন ডেকা

**গুৱাহাটীত** সুদৃশ্য শ্ব'ৰূম অথবা শ্বপিং মল আৰম্ভ হোৱাৰ পূৰ্বে ফাঁচী বজাৰৰ এচি মাৰ্কেটত এখন জনপ্ৰিয় আৰু সম্ভ্ৰান্ত পাট-মুগাৰ বস্ত্ৰৰ দোকান আছিল। চৌপাশে মাৰোৱাৰী ব্যৱসায়ীৰ দোকান-পোহাৰৰ চিক-চাক পৰিৱেশৰ মাজত এটি অসমীয়া পৰিয়ালৰ দোকান, তাকো পাট-মুগাৰ—অলপ আচহুৱা যেনেই আছিল। পুৰণি ধনী এটি পৰিয়ালৰ এক জ্যেষ্ঠ দম্পতীয়ে অতি হেঁপাহেৰে আৰম্ভ কৰিছিল দোকানখন। তেতিয়ালৈ অসমত ডিজাইনাৰৰ অসমীয়া বস্ত্ৰ ১০ পৃষ্ঠাত চাওক

■ অৰুণাচল প্ৰদেশ ৰাজ্য প্ৰাপ্তিৰ দিৱসত মুখ্যমন্ত্ৰী শৰ্মা ■ এপ্ৰিলৰ পৰা দুই ৰাজ্যৰ মাজত হ'ব আলোচনা ■ পৰিচয় অক্ষুণ্ণ ৰখাৰ প্ৰচেষ্টা

## সীমা সমস্যা সমাধানৰ বাবে আমি কৰিবলগীয়া সকলোখিনি কৰিম

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/বান্দৰদেৱা, ২০ ফেব্ৰুৱাৰী ঃ** অসম-অৰুণাচলৰ বহু দশকজোৰা সীমা সমস্যা সমাধানৰ বিষয়টোৱে আজি অৰুণাচল প্ৰদেশৰ প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানতো স্থান লাভ কৰিলে। বৰ্তমান সীমামূৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ এসময়ত অসমৰে অংগ আছিল। ১৯৮৭ত ৰাজ্যৰ মৰ্যাদা প্ৰাপ্তিৰ আজি ৩৬ সংখ্যক দিৱস উপলক্ষে পাপুমপাৰে জিলাৰ সদৰ ইউপিয়াত আয়োজন কৰা উদ্‌যাপন অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অচিৰে দুই ৰাজ্যৰ সীমা সমস্যা সমাধানৰ আশ্বাস দিয়ে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই বিষয়টো সমাধানৰ বাবে যি প্ৰয়োজনীয় সকলোখিনি কৰিবলৈ অসম চৰকাৰ সাজু যাতে চুবুৰীয়া ৰাজ্যসমূহৰ মাজত থকা বহু পুৰণি আন্তৰিক সম্পৰ্ক অটুট থাকে। তেওঁ কয়, 'দুই ৰাজ্যৰ জনসাধাৰণে অতীজৰে ১০ পৃষ্ঠাত চাওক


প্ৰিয়ংকা চোপ্ৰাৰ পাছত অসম পৰ্যটনৰ নতুন ব্ৰেণ্ড এম্বেছেডৰৰ সন্ধান ■ শীঘ্ৰে সিদ্ধান্ত

## তেণ্ডুলকাৰ-অক্ষয়-দীপিকাৰ নাম চৰ্চালৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** প্ৰিয়ংকা চোপ্ৰাৰ পাছত কোন হ'ব অসম পৰ্যটনৰ নতুন ব্ৰেণ্ড এম্বেছেডৰ? বিগত ২০১৬ৰ ডিচেম্বৰৰ পৰা দুবছৰীয়া চুক্তি উকলি যোৱাৰ পাছত বলিউদ আৰু হলিউদৰো জনপ্ৰিয় অভিনেত্ৰী প্ৰিয়ংকাৰে সম্প্ৰতি ৰাজ্যত পৰ্যটনৰ কোনো সম্পৰ্ক নাই। সেয়েহে দুবছৰীয়া বিৰতিৰ অন্তত পুনৰ অসম চৰকাৰে এগৰাকী 'চেলেব্ৰেটি' ব্ৰেণ্ড এম্বেছেডৰ নিযুক্তিৰ বাবে আগবাঢ়িছে। সেই সময়ত পৰ্যটন বিভাগৰ দায়িত্ব থকা হিমন্ত ১০ পৃষ্ঠাত চাওক







■ লাচিত বৰফুকনৰ বৰ্ষজোৰা জন্মজয়ন্তী উদ্‌যাপনৰ কাৰ্যসূচী ■ ২৫ ফেব্ৰুৱাৰীত সমাধিক্ষেত্ৰ-যুদ্ধ স্মাৰকৰ আধাৰশিলা স্থাপন ৰাষ্ট্ৰপতিৰ ■ বেঁকী-বুঢ়ীদিহিঙৰ বান প্ৰতিৰোধৰ আঠশ কোটি

# বনভূমিৰ বাহিৰৰ গছ কটাত অনুমতি



অৰুণাচল প্ৰদেশৰ প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত ৰাজ্যপালৰ স'তে অসমসহ দুই ৰাজ্যৰ মুখ্যমন্ত্ৰী, দেওবাৰে।

■ ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত ■ মঙলদৈৰ দক্ষতা বিশ্ববিদ্যালয়ৰ বাবে ১,০১৬ কোটি টকাৰ অনুমোদন ■ প্ৰথম-দ্বিতীয় শ্ৰেণীৰ ৪৮ বিধ পদৰ নিযুক্তি এপিএছচিলৈ হস্তান্তৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্মজয়ন্তীৰ লগত সংগতি ৰাখি মহাবীৰগৰাকীৰ স্মৃতিৰক্ষা আৰু শৌৰ্য-বীৰ্য ৰাষ্ট্ৰীয় স্তৰত প্ৰচাৰৰ বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। আজি অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকত ইয়াৰ কাৰ্যসূচীক চূড়ান্ত ৰূপ দিয়া হয়। বৈঠকৰ পাছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত সদৰী কৰে যে অহা ২৫ ফেব্ৰুৱাৰীত প্ৰথম কাৰ্যসূচীৰ আৰম্ভণি কৰিব ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দে। তাৰ বাবে শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয়, 'আমি আলাবৈ ৰণৰ স্মাৰক আৰু লাচিত বৰফুকনৰ সমাধিক নতুন ৰূপত সজাম। কামৰূপৰ দদৰাত আলাবৈ ৰণৰ যুদ্ধৰ স্মাৰক আছে। যোৰহাটৰ সমীপত মহাবীৰগৰাকীৰ সমাধি আছে। এই দুয়োটা কামৰ অহা ২৫ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতিয়ে আধাৰশিলা স্থাপন কৰিব। সমাধি ক্ষেত্ৰৰ বাবে তাৰ সমীপৰ মানুহৰ পৰা ২২ ১০ পৃষ্ঠাত চাওক

যোৱা গণৰাজ্য দিৱসত পদ্মশ্ৰী সন্মানৰ বাবে মনোনীত হৈছিল

## গান্ধীবাদী নেত্ৰী শকুন্তলা চৌধুৰীৰ দেহাৱসান



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** চলিত বৰ্ষৰ পদ্মশ্ৰী সন্মানপ্ৰাপ্ত বিশিষ্ট গান্ধীবাদী নেত্ৰী তথা সমাজকৰ্মী শকুন্তলা চৌধুৰীৰ আজি নিশা বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল (১০১) বছৰ। মহানগৰীৰ দক্ষিণ শৰণীয়া ১০ পৃষ্ঠাত চাওক

■ গোলকগঞ্জৰ বিজেপি নেতাৰ আত্মহত্যাক লৈ প্ৰতিক্ৰিয়া অব্যাহত

## অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত বজৰং দলৰ বন্ধ সৰ্বাত্মক, নিৰ্বিকাৰ আৰক্ষী

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ২০ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ টাউন বিজেপি মণ্ডলৰ কোষাধ্যক্ষ কাৰ্তিক কৰ্মকাৰৰ আত্মহত্যাৰ ঘটনাই ইতিমধ্যে সমগ্ৰ অসমতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ব্লেকমেইলিঙৰ সন্মুখীন হৈ যুৱ নেতাজনে আত্মহত্যা কৰা ঘটনাৰ সাত দিন উকলি গৈছে। তৎসত্ত্বেও গোলকগঞ্জ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব পৰা নাই পলাতক অৱস্থাত থকা ব্লেকমেইলিঙত জড়িত পাঁচ অভিযুক্তক। সেইদৰে মূল অভিযুক্ত তথা মহিলা কনিষ্টবল অঞ্জু নেওগৰ বিৰুদ্ধেও আৰক্ষীয়ে এই পৰ্যন্ত কি পদক্ষেপ গ্ৰহণ কৰিছে, সেয়া পোহৰলৈ অহা নাই। ইয়াৰ পৰিপ্ৰেক্ষিততে অভিযুক্তসকলক ১০ পৃষ্ঠাত চাওক

ৰাষ্ট্ৰপতিৰ ভ্ৰমণসূচী সলনিৰ পাছতে সিদ্ধান্ত

## পুনৰ পিছুৱালে বড়ো সাহিত্য সভাৰ তামুলপুৰ অধিবেশনৰ দিন

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২০ ফেব্ৰুৱাৰী ঃ** পুনৰ পিছুৱালে বড়ো সাহিত্য সভাৰ ৬১সংখ্যক তামুলপুৰ অধিবেশন। এই অধিবেশনলৈ আমন্ত্ৰিত ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দৰ ভ্ৰমণসূচী সলনি হোৱা বাবেই আয়োজকে দ্বিতীয়বাৰলৈ অধিবেশন পিছুৱাবলৈ বাধ্য হয়। ইয়াৰ পূৰ্বে ক'ভিড পৰিস্থিতিৰ বাবে প্ৰথমবাৰ অধিবেশন পিছুৱাই দিয়া হৈছিল। আজি তামুলপুৰ জিলা সদৰস্থিত ইউএন একাডেমী প্ৰাংগনত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ এখন জৰুৰী ছয় পৃষ্ঠাত চাওক

নিৰ্বাচনী প্ৰচাৰত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল ■ আজি যাত্ৰা মুখ্যমন্ত্ৰীৰ

## কংগ্ৰেছৰ দিনত অন্ধকাৰত ডুব গৈ থকা মণিপুৰ পোহৰৰ দিশে ধাৱমান

■ **নিউজ ব্যুৰ'**

**ইম্ফল, ২০ ফেব্ৰুৱাৰী ঃ** সমাগত মণিপুৰৰ বিধানসভাৰ নিৰ্বাচন। ৰাজ্যখনৰ ৱাবাগাই আৰু থাংগা সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰত আজি অংশগ্ৰহণ কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰে। তেওঁ কয় যে কংগ্ৰেছৰ কাৰ্যকালত মণিপুৰ বন্ধ, সান্ধ্য আইন, হত্যা-হিংসা, অশান্তিৰ পৰিৱেশ আৰু নিবনুৱা সমস্যাৰ দৰে বিভিন্ন জ্বলন্ত সমস্যাৰে ভৰি আছিল। সেয়েহে কংগ্ৰেছক মণিপুৰৰ ৰাইজে দূৰলৈ আঁতৰাই বিজেপিক আঁকোৱালি লয় বুলি তেওঁ কয়। কংগ্ৰেছ চৰকাৰৰ দিনত ১০ পৃষ্ঠাত চাওক



আৰক্ষীৰ পদত নিযুক্তিৰ বাবে অনুষ্ঠিত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ প্ৰাৰ্থীৰ ভিৰ, মহানগৰীত দেওবাৰে।

অভিযুক্তৰ বিৰুদ্ধে এজাহাৰ

## আৰক্ষী জোৱানৰ যৌন নিৰ্যাতনৰ বলি হৈ ছাত্ৰীৰ আত্মহত্যা

**দেৰগাঁও, ২০ ফেব্ৰুৱাৰী ঃ** আইনৰ ৰক্ষক আৰক্ষীৰ দ্বাৰাই বিকৃত যৌন আতিশয্যৰ বলি হৈ দেৰগাঁৱৰ এগৰাকী ছাত্ৰীয়ে আত্মহত্যাৰ দৰে চৰম সিদ্ধান্ত ল'ব লগা এক ঘটনাই দেৰগাঁৱত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি ১০ পৃষ্ঠাত চাওক

■ বৰ্ধমানৰ পৰা আহি মহানগৰীত গুলীয়ালে প্ৰেমিকাৰ ভতিজাকক

## ম'বাইল ফোনৰ জৰিয়তে গঢ়ি উঠা প্ৰেমৰ পৰিণতিত গুলিবিদ্ধ এজন



মূৰত গুলিবিদ্ধ হৈ জীৱন মৃত্যুৰ যুঁজত এজন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** ম'বাইল ফোনৰ জৰিয়তে গঢ়ি উঠা এক তথাকথিত প্ৰেমৰ সম্পৰ্কৰ পৰিণতিত আজি মহানগৰীৰ বশিষ্ঠৰ বাঙালীবস্তিত গুলিবিদ্ধ হৈ জীৱন-মৰণৰ লগত যুঁজিব লগীয়া হৈছে এজন যুৱকে। বাঙালী বস্তিৰ এগৰাকী যুৱতীৰ লগত বিগত সাত-আঠ মাহৰ পৰা ম'বাইল ফোনৰ জৰিয়তে সম্পৰ্ক গঢ়ি উঠিছিল পশ্চিমবংগৰ বৰ্ধমানৰ সমৰ ৰয় (২২) নামৰ এজন যুৱকৰ। ইয়াকে লৈ যুৱতীগৰাকীৰ পৰিয়ালৰ লোক আৰু সমৰৰ ১০ পৃষ্ঠাত চাওক

নিশা ঘাইপথত মৃতদেহ উদ্ধাৰ সমাজকৰ্মীৰ

## পাটাছাৰকুছি পৌৰসভাৰ অজাপ প্ৰাৰ্থীৰ ৰহস্যজনক মৃত্যু

**পাটাছাৰকুছি, ২০ ফেব্ৰুৱাৰী ঃ** পৌৰসভাৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ চলি থকা অৱস্থাতে পাটাছাৰকুছিত ৰহস্যজনক পৰিস্থিতিত মৃত্যু হ'ল এজন প্ৰাৰ্থীৰ। অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীৰূপে পৌৰসভাৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱা পাটাছাৰকুছিৰ সৰিহ সত্ৰ নিবাসী তথা সৰিহ চাকলা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মনমোহন গোস্বামীৰ মৃতদেহ যোৱা নিশা ৰাষ্ট্ৰীয় ঘাইপথত উদ্ধাৰ হয়। এই ঘটনাই সম্প্ৰতি পাটাছাৰকুছিত তীব্ৰ প্ৰতিক্ৰিয়াৰ ১০ পৃষ্ঠাত চাওক

কেএচি-আক্ৰাছুৰ নেতাৰ বিৰুদ্ধে অভিযোগ

## ছহিদৰ নামত ধন আত্মসাতৰ অভিযোগ কোচ ৰাজবংশী জাতীয় পৰিষদৰ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২০ ফেব্ৰুৱাৰী ঃ** কোচ ৰাজবংশী জাতীয় সংগ্ৰামৰ ছহিদসকলৰ নামত ধন আত্মসাতৰ অভিযোগ উত্থাপন হৈছে। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ (কেএচি) আৰু সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ নেতৃত্বৰ বিৰুদ্ধে এই গুৰুতৰ অভিযোগ উত্থাপন কৰিলে কোচ ৰাজবংশী জাতীয় পৰিষদে। এক সংবাদমেলত পৰিষদে অভিযোগ কৰে যে বিগত সাত জানুৱাৰীত ধুবুৰী জিলাৰ গোলকগঞ্জত ক্ষীতিশ বৰ্মন নেতৃত্বাধীন বিভাজিত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ ছহিদ ১০ পৃষ্ঠাত চাওক

## কঠিয়াতলিত মুম্বাই আৰক্ষীৰ অভিযানত উদ্ধাৰ নাবালিকা

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ২০ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ কঠীয়াতলিত মুম্বাই আৰক্ষীৰ অভিযানত মুম্বাইৰ এগৰাকী কিশোৰীক উদ্ধাৰ কৰাৰ লগতে কিশোৰীগৰাকীক পলুৱাই অনা যুৱকজনক সোধপোছৰ বাবে গ্ৰেপ্তাৰ কৰে। দুবছৰ পূৰ্বে নৰি মুম্বাইৰ পৰা এই ছয় পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১৩° |
| ডিব্ৰুগড় | ২১° | ১২° |
| দিল্লী | ২৪° | ১১° |
| কলকাতা | ২৬° | ১৭° |
| মুম্বাই | ৩০° | ২১° |
| চেন্নাই | ৩১° | ২৩° |
| বাংগালুৰু | ৩২° | ১৭° |
| শ্বিলং | ১৬° | ০৭° |

২০ জানুৱাৰী, ২০২২

## ভ্ৰাতৃ-ভগ্নীক প্ৰহাৰ কৰি স্কুলীয়া ছাত্ৰীক দলবদ্ধ ধৰ্ষণ

পলাতক তিনি অভিযুক্ত

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২০ ফেব্ৰুৱাৰী ঃ** চিৰাঙৰ আঠীয়াবাৰীত সংঘটিত হৈছে দলবদ্ধ ধৰ্ষণৰ ঘটনা। তিনি দুৰ্বৃত্তই এগৰাকী কিশোৰীক ধৰ্ষণ কৰাৰ ঘটনা সম্প্ৰতি পোহৰলৈ আহিছে। এই ঘটনাৰ এজন অভিযুক্ত চিনাক্ত ১০ পৃষ্ঠাত চাওক

■ মুছলপুৰত বিটিচিৰ মুৰব্বী প্ৰমোদ বড়ো

## ৰাজ্যসভাৰ এখন আসন মিত্ৰজোঁটলৈ, দ্বিতীয়খনত কি হয় সময়ত দেখা যাব

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২০ ফেব্ৰুৱাৰী ঃ** 'ৰাজ্যসভাৰ নিৰ্বাচনত মিত্ৰজোঁট হিচাপে আমি এখন আসন পাম। ইয়াত দ্বিমত নাই। আনখন কি হয় সময়ত দেখা যাব। ইফালে অসম চৰকাৰৰ পৰা যাৱতীয় নিৰ্দেশ পালে বিটিআৰত ভিচিডিচি নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ বাবে আমাৰ যাৱতীয় প্ৰস্তুতি আছে।' আজি মুছলপুৰত বাগ্‌সা জিলা কৃষি বিষয়াৰ কাৰ্যালয় চৌহদত এক কাৰ্যসূচীত অংশ লৈ এইদৰে কয় বিটিচিৰ মুৰব্বী প্ৰমোদ বড়োৱে। অনাগত দিনত বিটিআৰত কৃষি ক্ষেত্ৰৰ আমূল পৰিৱৰ্তনৰ বাবে কৃষকক ১০ পৃষ্ঠাত চাওক

### চেঙা তেল



আপোনালোকক লাগে টকা, মোক লাগে ভোট— লাজ নকৰি আগুৱাই আহক আৰু মোক সহযোগ কৰক!

নিমাতীঘাটৰ বান নিয়ন্ত্ৰণ ব্যৱস্থাৰ পৰিদৰ্শন ■ ৭০ শতাংশ বান নিয়ন্ত্ৰণৰ আশা প্ৰকাশ

## পূৰ্বতকৈ মথাউৰি কমকৈ ভাঙিছে, মন্ত্ৰী পীযুষৰ দাবী



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২০ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি যোৰহাটৰ নিমাতীঘাটত উপস্থিত হৈ মথাউৰিৰ চলি থকা কাম-কাজৰ বুজ লয়। মন্ত্ৰীজনে আগন্তুক বানৰ পৰা সম্ভাব্য খহনীয়া ৰোধৰ ক্ষেত্ৰত ল'ব পৰা ব্যৱস্থাৱলীৰ সম্পৰ্কত বিভাগীয় বিষয়াসকলৰ লগত আলোচনা কৰে। ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ৮ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২১ ফেব্ৰুৱাৰী ২০২২



# নিযুক্তিক লৈ প্ৰতিক্ৰিয়া

**বিভিন্ন** চৰকাৰী প্ৰতিষ্ঠানত বহিঃৰাজ্যৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দি নিযুক্তি প্ৰদানৰ অভিযোগক কেন্দ্ৰ কৰি সমগ্ৰ অসমতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেছন লিমিডেটৰ পৰা আৰম্ভ কৰি কৰ্মচাৰী ৰাজ্য বীমা নিগম আদৰ্শ হাস্পতাল, তিনিচুকীয়া আৰু শোণিতপুৰৰ প্ৰাথমিক বিদ্যালয়ত উত্তৰ প্ৰদেশ আৰু হাৰিয়ানাৰ হিন্দীভাষী শিক্ষকক নিযুক্তি দিয়া আদি ঘটনাই অসমৰ জনসাধাৰণক হতভম্ব কৰি তুলিছে।

চৰকাৰীভাৱে কোৱা হৈছে যে বিজ্ঞাপনৰ চৰ্ত অনুসৰিয়ে যোগ্য প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। এই সম্পৰ্কত লগতে এই বুলিও কোৱা হৈছে যে এক দেশ এক নাগৰিকত্ব থকা দেশত যিকোনো ভাৰতীয়ৰে যিকোনো স্থানত চাকৰি তথা ব্যৱসায় কৰাৰ অধিকাৰ আছে। এই ভাষ্যৰ প্ৰতিক্ৰিয়া স্বৰূপে বিভিন্ন মহলে প্ৰশ্ন কৰিছে যে সকলোবোৰ ক্ষেত্ৰতে বাহিৰৰ প্ৰাৰ্থীয়েহে যোগ্য বিবেচিত হ'ব পাৰেনে? অসমত তেনেহ'লে যোগ্য প্ৰাৰ্থীৰ অভাৱ বুলি ক'ব লাগিব। অসমৰ তথা উত্তৰ-পূবৰ মানুহ ভাৰতবৰ্ষৰ আন আন ৰাজ্যতকৈ পিছপৰাতো নহয়েই, বৰঞ্চ দেশৰ বহু ৰাজ্যতকৈ উত্তৰ-পূব সাক্ষৰতাৰ ক্ষেত্ৰত আগবঢ়া। আনহাতে, শিক্ষক, নাৰ্ছ, ফাৰ্মাচিষ্ট আদি অকাৰিকৰী পদত অসমত যোগ্য প্ৰাৰ্থীৰ অভাৱ বুলি ভাবিব নোৱাৰি।

মন কৰিবলগীয়া যে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কোনো ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰি দেশৰ আন আন ঠাইৰ লগতে গুৱাহাটীৰ বিমানকোঠ আৰু বৃহৎ তৈলখাদ ব্যক্তিগত খণ্ডৰ হাতত গতাই দিয়া হৈছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে এই পৰ্যন্ত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ অজুহাত দিয়েই ৰাজ্য চৰকাৰে নীৰৱতা পালন কৰিছে। লক্ষ্যণীয়ভাৱে বিৰোধী দল তথা অসমৰ বিভিন্ন সংগঠনসমূহে ৰাজ্য চৰকাৰৰ এই নীৰৱ ভূমিকাৰ তীব্ৰ সমালোচনা কৰা দেখা গৈছে।

অসমৰ স্বাৰ্থ সুৰক্ষাৰ বাবে ৰাজ্যখনত তাহানিৰে পৰা এক আঞ্চলিকতাবাদী ভাবাদৰ্শৰ উদ্ৰেক হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ বঞ্চনা আৰু ৰাজ্য চৰকাৰসমূহৰ উন্নাসিক ভূমিকাৰ বাবেই অসমত আঞ্চলিকতাবাদী শক্তিৰ উত্থান হৈছিল। পিছে বৰ্তমান আঞ্চলিকতাবাদী ৰাজনীতি বিধ্বস্ত হোৱাৰ পথত আগবাঢ়িছে বুলি চৰ্চা চলিছে। বৰ্তমান বিজেপি চৰকাৰৰ স'তে ক্ষমতাত বহি থকা অসমৰ আঞ্চলিক দলৰ প্ৰাধান্যও হ্ৰাস পাই আহিছে। এনে সময়তে চৰকাৰী চাকৰি তথা সম্পদ বহিঃৰাজ্যৰ লোকে অধিকাৰ কৰিবলৈ লোৱাত অসন্তুষ্টিৰ সৃষ্টি হোৱাটো স্বাভাৱিক। সম্প্ৰতি ৰাজ্য চৰকাৰে এক লাখ চৰকাৰী পদত নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কিন্তু তেনে সময়তে ৰাজ্যৰ বিভিন্ন প্ৰতিষ্ঠানত বহিঃৰাজ্যৰ প্ৰাৰ্থীয়ে নিযুক্তিৰ সুযোগ লাভ কৰা ঘটনাই কিহৰ ইংগিত বহন কৰিছে? অসমৰ মানুহে যদিহে অসমত চাকৰি নাপায়, ব্যৱসায় কৰিব নোৱাৰে তথা অসমৰ মাটিতেই আশ্ৰয় নাপায়, তেনেহ'লে অসমীয়া তথা অসমবাসী ক'লৈ যাব? ৰাজ্য চৰকাৰে সেয়ে অসমৰ ৰাইজৰ এই ক্ষোভ দূৰ কৰা উচিত।

# ভাৰত তথা অসম অৰ্থনৈতিক সংকটৰ পৰা উদ্ধাৰ পাবনে?

## দেশৰ ৮৪ শতাংশ মানুহৰ আয় হ্ৰাস হৈছে

**যোৱা** দুই ফেব্ৰুৱাৰীৰ দিনা সংসদত ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰিলে। বাজেটখন ৩৯.৪ লাখ কোটি টকাৰ। যোৱা বছৰৰ সংশোধিত পৰিমাণ ৩৭.৭ লাখ কোটি টকাতকৈ ৪.৫ শতাংশ অধিক; কিন্তু মুদ্ৰাস্ফীতি পাঁচ শতাংশৰে হিচাপ কৰিলে যোৱা বছৰতকৈ পৰিমাণ কমহে হ'ব। বাজেটৰ ধন ৩৯.৪ লাখ কোটি টকাৰ ভিতৰত ২২,৮৩,৭১৩ কোটি টকা ৰাজহ সংগ্ৰহ কৰা হ'ব। ঋণ ল'ব ১৪.৯৫ লাখ কোটি টকা। ভাৰত চৰকাৰৰ মুঠ ঋণ জি-ডি-পিৰ ৬০ শতাংশ পাইছেগৈ, অৰ্থাৎ ১৫২ লাখ কোটি টকা হৈছে। বাজেটৰ ধন ৩৯.৪ লাখ কোটি টকাৰ ভিতৰত প্ৰায় দহ লাখ কোটি টকাৰ পৰিমাণৰ ঋণৰ সুতে আদায় দিব লাগিব। গতিকে দেশৰ উন্নয়নত ধন থাকিব ২৪.৪ লাখ কোটি টকাহে। এই বছৰৰ বাজেটত মূলধনী খৰচ প্ৰস্তাৱ কৰিছে ৭.৫ লাখ কোটি টকা। ২০২১-২২ বিত্তীয় বৰ্ষত সংশোধিত পৰিমাণ আছিল ৬.০২ লাখ কোটি টকা। মূলধনী খণ্ডত খৰচ ২৫ শতাংশ বৃদ্ধি কৰিছে দেশৰ জনসাধাৰণৰ কল্যাণকামী কাৰ্যসূচীবোৰত আবণ্টন হ্ৰাস কৰি।

দেশৰ অৰ্থনীতিৰ মুখ্য সমস্যা হ'ল কৰ্মসংস্থান সৃষ্টি। বাজেটখনত কৰ্মসংস্থান সৃষ্টিৰ বিষয়ত কোনোধৰণৰ কাৰ্যসূচী গ্ৰহণ নকৰিলে। ৬০ লাখ কৰ্মসংস্থান 'মেক্ ইন ইণ্ডিয়া' কাৰ্যসূচীত সৃষ্টি হ'ব বুলি কৈছে। ২০১৪ তে 'মেক্ ইন ইণ্ডিয়া' কাৰ্য্যসূচী গ্ৰহণ কৰিছিল, কিন্তু এই কাৰ্যসূচীত কৰ্মসংস্থান হ্ৰাসহে হৈছে, বৃদ্ধি হোৱা নাই। চি-এম-আই-ইএ কৈছে যে ২০১৬-১৭ৰ পৰা ২০২০-২১ বৰ্ষৰ মাজত মেনুফেক্‌চাৰিং খণ্ডত ৫০ শতাংশ কৰ্মসংস্থান হ্ৰাস পাইছে। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগত বৰ্তমানে থকা ঋণৰ গেৰাণ্টি আঁচনিৰ বাহিৰে কোনো ধৰণৰ সাহায্যমূলক আঁচনি প্ৰৱৰ্তন কৰা নাই। মহাত্মা গান্ধী জাতীয় গ্ৰামীণ কৰ্মসংস্থান আঁচনিত যোৱা বছৰত খৰচ হৈছিল ১,১১,১৭০ কোটি টকা। এইবাৰ হ্ৰাস কৰি আবণ্টন কৰিছে ৭৩,০০০ কোটি টকা। যোৱা বছৰৰে মজুৰি দিবলৈ বাকী আছে প্ৰায় ২৫,০০০ কোটি টকা। গতিকে যোৱা বছৰৰ মজুৰি আদায় দিয়াৰ পাছত এই বছৰৰ বাবে ৰ'ব ৪৮,০০০ কোটি টকাহে এই শিতানত। মহামাৰীৰ ফলত কাম হেৰুৱা কৰ্মৰত শ্ৰমিক-কৰ্মচাৰীসকলৰ ভিতৰত ২০ কোটিক এতিয়াও কামলৈ ঘূৰাই



আনিব পৰা নাই। নতুনকৈ সৃষ্টি হোৱা নিবনুৱাও কে'বা কোটি আছে। পেটৰ দায়ত উপায় নাপায় অনেক মধ্যবিত্ত কৰ্মচাৰীয়েও গ্ৰামীণ নিশ্চয়তা আঁচনিৰ কাম কৰিছিল। ২০২১ত এই আঁচনিত ৪.৫৯ কোটি লোকে কাম কৰিছিল। ২০২২-২৩ৰ বাজেটত আবণ্টিত ধনেৰে খুব বেছি বছৰি ২০ দিনৰ বাবেহে কাম দিব পাৰিব।

২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেটখনে কৃষকৰ প্ৰতি চকুপানী টুকি কৃষিখণ্ডৰ প্ৰত্যেকটো কাৰ্যসূচীতে আবণ্টন হ্ৰাস কৰিছে। ২০২২ ৰ ভিতৰত কৃষকৰ আয় দুগুণ কৰাৰ কথা আছিল, কিন্তু আয় দুগুণ হোৱাৰ বিপৰীতে হ্ৰাসহে হ'ল। সহায়ক মূল্যত ফচল ক্ৰয়ৰ বাবে ২০২১-২২ বৰ্ষত আবণ্টন আছিল ২.৪৮ লাখ কোটি টকা, সহায়ক মূল্য আইনী কৰাৰ এবছৰীয়া কৃষক আন্দোলনক কোনো গুৰুত্ব নিদি ২০২২-২৩ বৰ্ষৰ আবণ্টন হ্ৰাস কৰিছে ২.৩৭ লাখ কোটি টকালৈ আৰু ফচল সংগ্ৰহৰ লক্ষ্য ২০২১-২২ বিত্তীয় বৰ্ষৰ ১৭৪ লাখ মেট্ৰিকটনৰ পৰা হ্ৰাস কৰিছে ১৬৩ লাখ মেট্ৰিকটনলৈ। সাৰৰ ৰাজসাহায্য ১.৪ লাখ কোটিৰ পৰা হ্ৰাস কৰিছে ১.০৫ কোটিলৈ।

দেশৰ জনসাধাৰণৰ শিক্ষা আৰু স্বাস্থ্য অতি গুৰুত্বপূৰ্ণ দিশ। কেন্দ্ৰীয় চৰকাৰে শিক্ষা আৰু স্বাস্থ্যত খৰচ বৃদ্ধি কৰিবলৈ বিভিন্ন সামগ্ৰীৰ ওপৰত কৰৰ উপৰি উপকৰ বহুৱাইছে। ২০০৪-০৫ বিত্তীয় বৰ্ষৰ পৰা শিক্ষাত খৰচ কৰাৰ বাবে উপকৰ আৰোপ কৰিছিল। উপকৰ (২০০৬ৰ আগত) ব্যৱস্থা নথকাত চৰকাৰৰ মুঠ খৰচৰ ২.৩ শতাংশ শিক্ষাত খৰচ কৰিছিল। ২০২২-২৩ বাজেটত শিক্ষাখণ্ডত আবণ্টন কৰিছে ১.০৪ লাখ কোটি টকা। এই অংকটো মুঠ বাজেটৰ খৰচৰ ২.৬ শতাংশ; কিন্তু এই ১.০৪ লাখ কোটি টকাৰ ভিতৰত উপকৰৰ পৰা আহিছে ৬২,০০০ কোটি টকা। উপকৰক বাদ দি বাজেটত খৰচ কৰিছে মাত্ৰ ৪২,০০০ কোটি টকা। ২০০৪-০৫ বৰ্ষত খৰচ কৰা (উপকৰক বাদ দি) পৰিমাণতকৈও এই বছৰত শিক্ষাত কম খৰচ কৰিছে। শিক্ষাখণ্ডৰ বাবে চেছ আৰোপ কৰা দিন ধৰি ক্ৰমে ক্ৰমে শিক্ষাখণ্ডত আবণ্টন হ্ৰাস কৰি আনিছে। ২০১৭-১৮ৰ পৰা আজিলৈ শিক্ষাখণ্ডত ১.৩৭ লাখ কোটি টকাতকৈ কম আবণ্টন কৰিছে চেছৰ ধন বাদ দি। সেইদৰে স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে ১০১৮ত উপকৰ প্ৰৱৰ্তন কৰিছিল। উপকৰ প্ৰৱৰ্তন নকৰা সময়ত (২০১৮ত) স্বাস্থ্য খণ্ডত বাজেটৰ মুঠ খৰচৰ ২.২ শতাংশ আবণ্টন কৰিছিল। চেছ বাদ দি ২০২২-২৩ বৰ্ষৰ বাজেটে যদি ২.২ শতাংশ ধন আবণ্টন কৰিলেহেঁতেন ৮৮,০০০ কোটি টকা আবণ্টন কৰিব লাগিলেহেঁতেন। দুৰ্ভাগ্যজনক যে এইবাৰ বাজেটত উপকৰ স'তে মুঠ মাত্ৰ ৮৩,০০০ কোটি টকাহে আবণ্টন কৰিছে। যদি



**দৃষ্টিপাত**
**অনন্ত কলিতা**

চেছৰ পৰিমাণটো বাদ দিয়া হয়, বাজেটত আবণ্টন হৈছে মাত্ৰ ৬২,৪৫১ কোটি টকা, অৰ্থাৎ ১.৬ শতাংশ। এই হিচাপৰ পৰা প্ৰতিফলিত হয় যে স্বাস্থ্য খণ্ডত ২০১৮তকৈও ২৬,৭০০ কোটি টকা কম আবণ্টন কৰিছে। যোৱা দুটা বিত্তীয় বৰ্ষত ক'ভিডৰ আবণ্টনৰ বাবে স্বাস্থ্য খণ্ডত ধন বেছি আবণ্টন কৰা যেন লাগিছে। যদি ক'ভিডৰ বাবে আবণ্টন কৰা পৰিমাণটো বাদ দিয়া হয় স্বাস্থ্য খণ্ডৰ ২০২০-২১ত বাজেটৰ ১.২ শতাংশ আৰু ০.৯ শতাংশ হয় ২০২১-২২ বৰ্ষত।

দুৰ্ভাগ্যজনক যে দেশত দিনে দিনে পুষ্টিহীন শিশুৰ সংখ্যা বৃদ্ধি হৈ আছে, কিন্তু ২০২২-২৩ বাজেটত মধ্যাহ্ন ভোজনৰ আবণ্টন (নতুন নাম দিছে পি-এম পোষণ) ১১ শতাংশ হ্ৰাস কৰিছে। প্ৰাক্-স্কুলৰ আবণ্টন নামমাত্ৰ বঢ়াইছে। নতুন নাম দিছে পোষণ ২.০, আনফালে ঢাকঢোল বজাইছে ২,০০,০০০ অংগনৱাড়ী কেন্দ্ৰ নতুনত আন্তঃগাঁথনি সৃষ্টি কৰি অডিঅ' ভিচুৱেল এইডৰ ব্যৱস্থা কৰিব। প্ৰতিটো কেন্দ্ৰৰ বাবে হেনো ১০,০০০ টকা আবণ্টন কৰিব; কিন্তু দহ হেজাৰ টকাৰে কেন্দ্ৰবোৰৰ বেৰ এখনহে মেৰামত কৰিব পাৰিব।

বৰ্তমান দেশৰ অৰ্থনীতিৰ মুখ্য সমস্যা হ'ল উৎপাদিত সামগ্ৰীৰ চাহিদা নাই। বাজেটখনত জনসাধাৰণৰ আয় কৰাৰ সুযোগ সৃষ্টিৰ কোনো কাৰ্যসূচীয়ে নাই। আনফালে অক্সফামে কৈছে দেশৰ ৮৪ শতাংশ মানুহৰ আয় হ্ৰাস হৈছে, গতিকে এই ৮৪ শতাংশ মানুহৰ আয় কৰাৰ সুযোগ সৃষ্টিৰে তেওঁলোকৰ ক্ৰয়ক্ষমতা বৃদ্ধিৰে যদি দেশৰ বজাৰ চাহিদা সৃষ্টি কৰিব নোৱাৰে অৰ্থনীতি পুনৰুজ্জীৱিত নহ'ব। ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেটত তেনে কোনো কাৰ্যসূচী নাই যে দেশৰ জনসাধাৰণে আয় কৰাৰ সুযোগ পাব, তেওঁলোকৰ হাতলৈ পইচা যাব আৰু তেওঁলোকৰ ক্ৰয়ক্ষমতা বৃদ্ধি হ'ব।

বাজেটত অসম সম্বন্ধে দিয়া আশ্বাসবোৰ বাস্তৱায়িত নোহোৱাৰ অভিলেখ স্থাপিত হৈ আছে। যোৱা সাত বছৰে দিয়া আশ্বাস বা প্ৰকল্পবোৰ বাস্তৱায়িত কৰাই নাই, আনকি ২০২১-২২ বৰ্ষৰ বজেটৰ প্ৰকল্প, যেনে— ৩৪ হেজাৰ কোটি টকা খৰচ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ১,৩০০ কিঃমিঃ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰিব। ২৫ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণহে হৈছে হেনো। যোৱা বছৰৰ বাজেটত চাহ শ্ৰমিকৰ বাবে ১০০০ কোটি টকা অনুদানৰ ঘোষণা কৰিছিল, কিন্তু ঘোষিত পুঁজিৰ ২০ শতাংশহে দিছে। এইবাৰৰ বাজেটতো চাহ শ্ৰমিকৰ বাবে ৬০ কোটি টকা ঘোষণা কৰিছে। এইবাৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ সাৰ্বিক উন্নয়নৰ বাবে বিভিন্ন দপ্তৰত মুঠ ৭৬,০৪০.০৭ কোটি টকা আবণ্টন কৰিছে। ২০২১-২২ বৰ্ষৰ বাজেটতো আছিল ৬৮,৪৪০.২৬ কোটি টকা। গতিকে নতুনত্ব একো নাই। মুদ্ৰাস্ফীতিৰে হিচাপ কৰিলে আবণ্টনৰ পৰিমাণ একেই আছে। তদুপৰি ঘোষিত আবণ্টনৰ ধনবোৰ সম্পূৰ্ণ আদায় দিবনে সেইটো এক ডাঙৰ প্ৰশ্ন। যোৱা বছৰত ঘোষিত অনেক শিতানৰ বহু অংশ ধন আদায় দিয়া নাই। মোদী চৰকাৰে যোৱা সাতটা বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ বাবে তিনি লাখ পাঁচ হেজাৰ ৪২ কোটি টকা আবণ্টন কৰিছিল, কিন্তু খৰচ কৰিলে মাত্ৰ দুই লাখ ৬৫ হেজাৰ ৭৬৬ কোটি টকাহে। সেয়েহে প্ৰধানমন্ত্ৰীৰ 'প্ৰাইম-মিনিষ্টাৰ্ছ ডেভেলপমেণ্ট ইনিচিয়েটিভ ফ'ৰ নৰ্থ-ইষ্ট ৰিজন' নামৰ প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলৰ কেনেধৰণৰ উন্নতি সাধন কৰিব, এবছৰ পাছতহে গম পোৱা যাব।

> বৰ্তমান দেশৰ অৰ্থনীতিৰ মুখ্য সমস্যা হ'ল উৎপাদিত সামগ্ৰীৰ চাহিদা নাই। বাজেটখনত জনসাধাৰণৰ আয় কৰাৰ সুযোগ সৃষ্টিৰ কোনো কাৰ্যসূচীয়ে নাই।

অসম চৰকাৰৰ অৰ্থনীতি সামগ্ৰিকভাৱে দেৱলীয়া। ঋণৰ ওপৰত চলি আছে চৰকাৰখন। ২০১৬ ত তৰুণ গগৈ চৰকাৰৰ সময়ত ৰাজ্যখনৰ ঋণৰ পৰিমাণ আছিল ৩৫ হেজাৰ কোটি টকা, এতিয়া ঋণৰ পৰিমাণ প্ৰায় এক লাখ কোটি টকা পাইছেগৈ। ২০২২ৰ মাৰ্চৰ ভিতৰত এক লাখ লোকক চাকৰি দিয়াৰ কথা আছিল। আজিলৈ দহ হেজাৰকে দিব পৰা নাই। নিয়োগ মেলা পাতি ৰাজ্যৰ নিবনুৱাসকলক প্ৰতাৰণা কৰিলে মাত্ৰ। ৰাজ্যখনত ১৮ লাখ লোকে নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন কৰিছে। প্ৰকৃততে ৰাজ্যখনত ৪০ৰ পৰা ৫০ লাখ হ'ব নিবনুৱাৰ সংখ্যা, কাৰণ বেছিভাগ নিবনুৱাই নাম পঞ্জীয়ন নকৰে নিয়োগ বিনিময় কেন্দ্ৰত। বিজেপি চৰকাৰখনে কোনো উদ্যোগ সৃষ্টি কৰা নাই ৰাজ্যখনত। কাগজকলকে ধৰি বন্ধ হোৱা উদ্যোগবোৰো পুনৰুজ্জীৱিত নকৰে। দেশৰ ভিতৰতে ব্যক্তিগত বিনিয়োগ ন্যূনতম ৰাজ্যখনত। ক্ষুদ্ৰ-মজলীয়া উদ্যোগৰ পৰিমাণো ন্যূনতম। যিকেইটা আছে সেইবোৰো ক'ভিড মহামাৰীৰ বাবে দেৱলীয়া হৈ বন্ধ হৈ আছে। ৰাজ্যখনৰ ৮০ শতাংশ লোকৰ দেৱলীয়া অৱস্থা। যোৱা বছৰ বাজেটত অসংখ্য কাৰ্য্য সূচীৰ ঢাকঢোল বজাই ১,১৯,১৪১.০৭ কোটি টকাৰ বাজেট দাখিল কৰিছিল, কিন্তু এতিয়ালৈ ব্যয় কৰিছে মাত্ৰ ৭৬,৭৪৭ কোটি টকাহে। বাজেটৰ ধনৰ ২০১৯-২০ বৰ্ষত ৬৯.০১ শতাংশ আৰু ২০২০-২১ত ৬৪.৪২ শতাংশ খৰচ কৰিছে। তদুপৰি সম্পদ সৃষ্টিৰ বাবে বাজেটত প্ৰস্তাৱিত মূলধনী শিতানৰ ধনৰ ৫২.০১ শতাংশহে খৰচ কৰিছে। চৰকাৰখনে ভোট ক্ৰয়ৰ ৰাজনীতিৰে ৰাজহৰ অধিকাংশ অনুৎপাদনীয় শিতানত খৰচ কৰিছে। ৰাজ্যখনৰ অৰ্থনীতিৰ এই পৰিস্থিতিত ২০২২-২৩ বৰ্ষৰ বাজেটখনো বিধানসভাত অহা ১৬ মাৰ্চত দাখিল কৰিব। এইখন বাজেটতো অলংকাৰযুক্ত অনুৎপাদনযুক্ত অনেক আঁচনি দাখিল কৰিব। আগৰবোৰ বাজেটৰ নিচিনা অনেক আঁচনিয়েই ৰূপায়ণ নহ'ব বা অৰ্ধেক হ'ব। অৰ্থনীতিৰ এই পৰিস্থিতিত ৰাজ্যখনৰ দুখীয়াসকল আৰু বেছি দুখীয়া হ'ব, ধনীসকল আৰু অধিক ধনী হ'ব। জয় শ্ৰীৰাম!

*ফোন ঃ ৯৪৩৫০৪১২০৩*

## খোলা মঞ্চ

# সীমান্ত বিবাদৰ বাবে কেৱল অসমেই দায়ী নে?

**ভাৰতৰ** উত্তৰ-পূবৰ অসম এখন অন্যতম শক্তিশালী ৰাজ্য। জনসংখ্যাৰ ক্ষেত্ৰতো অসম উত্তৰ-পূব ভাৰতৰ ক্ষেত্ৰত প্ৰথম। অসম বৰ্তমান সময়ত ৭৮৪৩৮ কিলোমিটাৰ বা ৩০,২৮৫ বৰ্গ মাইল ঠাইৰে আবৃত্ত। অসমৰ চাৰিসীমা চাবলৈ গ'লে গম পোৱা যায় যে উত্তৰ ফালে ভূটান, অৰুণাচল প্ৰদেশ, পূবফালে নগালেণ্ড আৰু মণিপুৰ, দক্ষিণফালে মেঘালয়, ত্ৰিপুৰা মিজোৰাম আৰু বাংলাদেশ আৰু পশ্চিমফালে পশ্চিমবংগ অৱস্থিত। চাৰিসীমাৰ পৰাই গম পোৱা গ'ল যে অসমৰ সীমাত দুখন অন্য ৰাষ্ট্ৰও অৱস্থান কৰি আছে। ভাৰতে সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে স্বাধীনতা লাভ কৰা আৰু বাংলাদেশ প্ৰতিষ্ঠাৰ পাছৰে পৰা আজিকোপতি সীমান্ত নিৰ্ধাৰণ চূড়ান্ত কৰা হোৱা নাই। ১৯৬২ত চীনৰ আক্ৰমণ আৰু ১৯৭১ত পাকিস্তানৰ আক্ৰমণে ইয়াৰ সত্যতা প্ৰকাশ কৰে। আজিও ভাৰত-বাংলাদেশ সীমান্তৰ প্ৰায় ৪,০৯৬ কিলোমিটাৰ দৈৰ্ঘ্য বিবদমান হৈয়ে আছে। ভাৰতৰ সীমাত থকা চীনে আগুৰি আছে ৩৪৮৮ কিলোমিটাৰ দৈৰ্ঘ্য। এই দৈৰ্ঘ্যতাৰ সুবিধা গ্ৰহণ কৰি চীনে বাৰম্বাৰ অৰুণাচল প্ৰদেশক নিজৰ দখলত আনিবলৈ চেষ্টা কৰি আছে; একেদৰে পাকিস্তানে জম্মু-কাশ্মীৰ।

যোৱা কেইবছৰমানত অসমৰ সীমাক লৈ যিমান সমস্যাই দেখা দিছে ইয়াৰ আগতে তেনে কোনো বিশেষ চিন্তা-চৰ্চা কৰা হোৱা নাছিল। অসমকে উত্তৰ-পূবৰ একমাত্ৰ ৰাজ্য হিচাপে বহুতেই ভাবিছিল; কিন্তু

**পংকজ পল্লৱ শৰ্মা**, লেখক

সময়ৰ পৰিৱৰ্তনৰ লগে লগে এখন এখনকৈ ৰাজ্য অসমৰ পৰা ওলাই গৈ পূৰ্ণ ৰাজ্যৰ মৰ্যাদা লাভ কৰিলে; কিন্তু আজিকোপতি সীমান্তৰ স্থায়ী সমাধান কৰা নহ'ল। অতি সম্প্ৰতি জনসংখ্যাৰ অভূতপূৰ্ব বিস্ফোৰণে সীমাৰ ক্ষেত্ৰত নানান সমস্যাই আনি দিছে। এসময়ৰ সাধাৰণ বুজাবুজিয়ে বৃহৎ সমস্যাৰ সৃষ্টি কৰিছে। এক সুস্থিৰ সিদ্ধান্তৰ অভাৱৰ বাবে আজি ইখন ৰাজ্যৰে আনখন ৰাজ্যৰ মাজত সীমাক লৈ লাগিছে আঁৰিয়া-আঁৰি, দ্বন্দ্ব-কাজিয়া। এই ক্ষেত্ৰত অতি সোনকালে চৰকাৰে এক সুস্থিৰ সিদ্ধান্ত গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিলো। লগতে ৰাজ্যৰ সীমাৰ সিদ্ধান্তৰ ক্ষেত্ৰত চৰকাৰে সুদৃঢ় পদক্ষেপ ল'ব লাগে। ৰাজ্য গঠনৰ সময়ত থকা তথ্যৰ ভিত্তিত এই সিদ্ধান্ত ল'ব লাগে।

আনহাতে, আন্তঃৰাষ্ট্ৰীয় সীমাৰ ক্ষেত্ৰতো যথেষ্ট সুৰুঙা আছে। উল্লেখ কৰি আহিছো এই সুৰুঙাৰ গইনা লৈ চীন আৰু পাকিস্তান ক্ৰমে অৰুণাচল আৰু জম্মু-কাশ্মীৰ নিজৰ দখললৈ নিব খুজি আছে।

সীমান্তৰ চূড়ান্ত সিদ্ধান্তৰ অভাৱে অসমত বিদেশীৰ দৈনিক প্ৰব্ৰজন ঘটি আছে হোৱা-হোৱে। এনে বিদেশী অনুপ্ৰৱেশে অসমৰ জন-জীৱনত বহুল সমস্যাৰ সৃষ্টি কৰিছে। ক্ৰমাৎ অসমতে অসমীয়া সংখ্যালঘু হ'বলৈ ধৰাটো অতি পৰিতাপৰ কথা।

সীমা নিৰ্ধাৰণ, কাঁইটীয়া বেৰক লৈ বহু আন্দোলন, বহু ৰাজনীতি হৈ গৈছে; কিন্তু আজিও সুফল লাভ কৰা নাই। নতুন চৰকাৰৰ পৰা অসমীয়াই বহু আশা কৰিছে। অসমলৈ অবৈধ প্ৰব্ৰজন বন্ধ কৰিবই লাগিব। নহ'লে অসমত অসমীয়াৰ অস্তিত্ব নাথাকিব।

আবেগেৰে সকলো সিদ্ধান্ত কৰিব পৰা নাযায়। আমাৰ আশা অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত সীমান্ত সম্বন্ধীয় আলোচনা কৰিব লাগে। যিহেতু এই সিদ্ধান্ত চৰকাৰেহে কৰিব পাৰে; গতিকে অতি শীঘ্ৰেই বিশেষকৈ অসমৰ সমস্ত সীমান্ত ছীল কৰিব লাগে।

*ফোন ঃ ৯৯৫৪২৯৩৬৬৮*

# ভাষাটো ৰ'বগৈ নে?

## আমাৰ ভাষা-সাহিত্যৰ মৰণ নিশ্চিত। কেৰে ৰক্ষা কৰিব নোৱাৰে। শিক্ষিত শ্ৰেণীৰ 'মেক'লে পুত্ৰ' সকলেতো ৰাজ্যভাষা, পঢ়াশালিৰ ভাষা ইংৰাজী হোৱাটোকে মনে মনে কামনা কৰে।

**গধূলি** ৮-৩০ বজাত সেইদিনাৰ বাবে শেষ সংবাদটো টিভি, বাতৰি কাকত আদিলৈ প্ৰেৰণ কৰি ফেক্স মেচিনটো সামৰি-সুতৰি কাষৰ কোঠাত থকা শৰ্মা, মানে মহেশ শৰ্মাক চিএৰি সুধিলো, 'শৰ্মা, আপোনাৰ হ'লনে? আজিলৈ সামৰো আৰু।' শৰ্মায়ো জনালে, 'এই হয় আৰু, মাত্ৰ পাঁচ মিনিট।' গতিকে মেচিনটোত ঢাকনিখন দি থিয় দিলো। সেই মুহূৰ্ততে ফোনটো খেৰেং খেৰেংকৈ বাজিলত ধৰি মাত দিলো, 'হেল্ল'। সিফালৰ পৰা লেবাই লেবাই এজনে ক'লে, 'লিখি দিয়া আউ বুইছা, লিখি দিয়া। মই হতবাক, এইটোনো কোন অহো বলিয়া অ'! কথা নাই বতৰা নাই খালি 'লিখি দিয়া আউ লিখি দিয়া মাৰি আছে। টান মাতেৰে সুধিলো, 'কি লিখি দিয়াৰ কথা কৈছে, আৰু আপুনিনো কোন? সিজনে ক'লে, 'এ মই বআহে, মন্ত্ৰী বআই কৈছো। আজি মিটিং এখন আছিলহে। তাত লেকচা দিছিলো। তুমি টিভি ছিভিত দি দিয়া বুইছা। কালিলৈ ওলাব নহয়?'

মই, অ' ওলাব ওলাব, নিশ্চিন্ত থাকক বুলিলত ক'লে, 'থেংক ইউ, গুড নাইট।' ভাল আপদে পালে দেওহে। মৰিগাঁৱৰ পৰা শদিয়ালৈকে কুৰিলাখমান বৰা আছে। তাৰে কোনজন 'বআই মিটিং মাৰিছিলে কেনেকৈ জানিম? হওঁতে অনুমান এটা কৰিছিলো; নগাঁৱৰ মন্ত্ৰীজনেই হ'ব। তথাপি শৰ্মাকে পুনৰ সুধিলো, আজিনো কোনজন বৰাৰ মিটিং আছিলহে, আৰু ক'ত আছিল? শৰ্মাই নাম আৰু ঠাইখনৰ কথা ক'লে। গতিকে ল'ৰালৰিকৈ দুটামান পেৰাগ্ৰাফৰ বাতৰি এটা লিখি পুনৰ ফেক্স কৰিলো। বিভাগীয় মন্ত্ৰী এজনে কি ক'ব সেইটো সাধাৰণতে আমাৰে কোনোবা এজন বিষয়াই লিখি দিয়ে। গতিকে মন্ত্ৰীয়ে কি লেক্‌চা দিব জানোৱেই। আৰু মন্ত্ৰীয়ে নোকোৱা কথাও আমি ভৰাই দিব পাৰো। মন্ত্ৰীয়ে কি কৈ আহে কোনেও নুশুনেই। মন্ত্ৰীয়েও একো নুশুনে নিজেনো কি কৈ আছে। পাছদিনাৰ কাকতখনো মেলি নাচায়। ফেক্স সামৰি-সুতৰি দেখো, ন বাজিল। শৰ্মাৰ স'তে ওলাই গাড়ীত বহিলোগৈ।

এই যে মন্ত্ৰীজনে নিজকে 'বআ' 'বআ' কৰি চিনাকি দিছিলে তেওঁ লেবা নেকি? নে জিভাৰে কিবা বিকাৰ আছিল? নহয়; আচলতে মৰিগাঁৱৰ পৰা শদিয়ালৈকে প্ৰায় ভাগ অসমীয়া মানুহে কথা কওঁতে শব্দ একোটাত থকা 'ৰ' আখৰটো উচ্চাৰণেই নকৰে। ঠিক যেনেকৈ 'work' শব্দৰ Rটো মানুহে উচ্চাৰণ নকৰে। লিখোতে ঠিকেই লিখে, কওঁতেহে নকয়। ইংৰাজহঁতে এনেদৰে নিজৰ ভাষাটো কওঁতে অশুদ্ধকৈ কোৱা কথাটোত খং-বিতৃষ্ণাত প্ৰখ্যাত সাহিত্যিক জৰ্জ বাৰ্ণাৰ্ড শ্বই এখন নাটককে লিখি ইংৰাজহঁতকে ধিক্কাৰ দিছিলে বোলে 'এইবাহে শ্বেইক্সপীয়েৰৰ সুন্দৰ ইংৰাজী ভাষাটোকে বিকৃত কৰি পেলালে।' নাটকখনৰ নাম আপুনি জানেই নিশ্চয়, 'পিগমেলীয়ন'

এদিন মাজুলীৰ মহকুমাধিপতিৰ কাৰ্যালয়ত বহি তেওঁৰ লগত বান সাহায্য আদি বিভিন্ন বিষয়ৰ কথা পাতি আছো। মই তাত জনসংযোগ বিভাগৰ মহকুমা বিষয়া। এনেতে কাৰ্ড এখন পঠাই ছুটি টাই মৰা ডেকা এজন সোমাই আহি কাষতে বহিলেহি। কাৰ্ডখনত তেওঁৰ পদবীটো লিখা আছিল। উপাধিটো সম্ভৱ ৰহমান আছিল। তেওঁ কথা কওঁতে প্ৰায়েই 'অসম' শব্দটো 'অখম অখম'কৈ উচ্চাৰণ কৰিছিল। মই আচৰিত হ'লো। তেওঁৰ ঘৰ ডিব্ৰুগড়ত। সত্ৰ ন্যায়াধীশ। উজনি অসমৰ মুছলমান মানুহখিনিয়ে অসমীয়া ভাষাটো বৰ শুদ্ধকৈ কয়। মালিক ছাৰৰ কথা নকঁৱেই, মোৰ লগত হাইস্কুলত পঢ়া চাহাবুদ্দিন আৰু পোনাটিহঁতেও বৰ ভালকৈ অসমীয়া কৈছিল। লিখাত ভুল কৰে, উচ্চাৰণ নিখুঁত।

অসমীয়া ভাষাটো জীয়াই থাকিবনে নাথাকে তাকে লৈ এতিয়া এচাম অসমীয়াৰ চিন্তাত গৰ্ভ গেলিছে। পিছে নিচেই কম সংখ্যক অসমীয়াইহে এই চিন্তাত চিৎলৌ পাৎলৌ কৰি মৰিছে, বেছিভাগেই নিৰ্বিকাৰ। মানে আজি-কালিৰ ভাষাত 'বিন্দাছ'। মোৰ ঘৰটোৰ ওচৰৰ ১৬-১৭ ঘৰ মানুহৰ মাথোঁ ছয় কি সাতঘৰেহে বাতৰি কাকতখন লয়, মাত্ৰ এঘৰেহে আলোচনী এখন লয়। মই তিনিখন কাকত আৰু দুখন আলোচনী লওঁ। এজনক সুধিছিলো 'আপুনি বাতৰি কাকত কোনখন পঢ়ে' বুলি। তেওঁ একে আষাৰেই ক'লে, 'টিভি, ম'বাইলত চব পাৰেঁই। কাকত এখন ৰখাৰ কি দৰকাৰ!' কাষৰে এজনে সৰু ছোৱালীজনীৰ জন্মদিনৰ বাবে নিমন্ত্ৰণ দিলেহি, 'কালিলৈ সন্ধিয়া এপাক মাৰিবচোন, ছোৱালীজনীৰ বাৰ্ডে' আছে। খুড়ীকো ক'ব। 'মই 'কি ডে আছে' বুলি সোধাত পুনৰ ক'লে 'বাৰ্ডে মানে জন্মদিন। তেওঁ কিজানি মোক অজগৈ বুলিয়েই ভাবিলে। দুদিনমান তেওঁক দেখা নাছিলো। এদিন দেখি সুধিলো, 'এইকেইদিন দেখা নাছিলো, কেনিবা গৈছিলা নেকি?' তেওঁ ক'লে, 'ডাঙৰ ফাডাৰৰ গা-বেয়া বাবে ঘৰলৈ গৈছিলো।' কেৱল তেৱেঁই নহয়, আমাৰ বহুতে মাক-বাপেকৰ কথা ক'লে ফাডাৰ-মাদাৰ, দদায়েক খুড়ীয়েকক আংকোল, আণ্টি বুলিহে কয়। নিজৰ মাতৃভাষা অসমীয়াত ক'বলৈ লাজ পায়। শতকৰা ৮০ ভাগে কিতাপ-বাতৰি কাকত, আলোচনী নপঢ়ে। নিকিনেও। বাকী পাঁচ ভাগমানে কিতাপৰ দোকানত বা আনৰ ঘৰলৈ গ'লে দৈনিক কাকত এখনত চকু ফুৰায়। এই শ্ৰেণীৰ বেছিভাগেই বাৰশ টকাত ইলিছ

**নগেন ভট্টাচাৰ্য**

মাছ কিনি খায়, কিন্তু মাহেকত 'প্ৰান্তিক'খন, 'বিস্ময়' বা 'গৰীয়সী'খন কিনিবলৈ বৰ টান পায়। সেই মনোবৃত্তি সন্তানহঁতৰ গাটো লম্ভিছে। গতিকে 'ভাষাটো থাকিবগৈ নে' বুলি আপুনি কাক সুধিব?

মোৰ ঘৰলৈ ইখন-সিখন কাম কৰি দিবলৈ অহা শেৱালিৰ সাত বছৰীয়া এধানি জীয়েকজনীয়ে মোক এদিন ক'লে, 'তুম মেৰা সাথ হিন্দী মে বাৎ কৰো, মেইভি তুমহাৰা সাথ হিন্দী মে বাৎ কৰুংগী।' কি ভয়ানক কথা! তাই ইমান হিন্দী ক'ত শিকিলে জানেনে? টিভিৰ চিনেমা আৰু গান দেখি, শুনি। আমাৰ ভাষা-সাহিত্যৰ মৰণ নিশ্চিত। কেৰে ৰক্ষা কৰিব নোৱাৰে। শিক্ষিত শ্ৰেণীৰ 'মেক'লে পুত্ৰ' সকলেতো ৰাজ্যভাষা, পঢ়াশালিৰ ভাষা ইংৰাজী হোৱাটোকে মনে মনে কামনা কৰে। সেইসকলে দুষাৰমান কথা ক'লেই তাৰ মাজত দুই-এটা ইংৰাজী শব্দ ক'বই। টিভিত আমাৰ মুখ্যমন্ত্ৰীজনে কথা ক'লে কিমান অসমীয়া শব্দ কয়, কিমান ইংৰাজী শব্দ কয় শুনিবচোন। ইংৰাজী নক'লেই মানুহ অশিক্ষিত নহয়। ৰাছিয়াত কমিউনিষ্ট শাসন প্ৰতিষ্ঠা কৰা মহান বিপ্লৱী লেলিনক এদিন এজন সাংবাদিকে সুধিলে 'আপুনি ৰুছ ভাষাৰ বাহিৰে আন কি কি ভাষা জানে?' লেনিনে একে আষাৰে ক'লে, 'মই কেৱল ৰুছ ভাষাহে জানো, আনভাষা নাজানো।' কিন্তু তেওঁ জাৰ্মান ভাষা ভালকৈ জানিছিল আৰু অলপ-অচৰপ ফৰাচী ভাষাও জানিছিল। আমাৰ নেতা আৰু ৰুছনেতাৰ মাজত কেনে পাৰ্থক্য! ফৰাচীসকলে ইংৰাজ জাতি আৰু ইংৰাজী ভাষা দুয়োটাকে শতৰু জ্ঞান কৰে আৰু অত্যন্ত নোৰৰাতহে দুই-চাৰিবাৰ ইংৰাজী কয়। তাৰ এটা কাৰণো আছে। ইংৰাজ জাতিটোৱে ফৰাচী জাতিক আৰু তেওঁলোকৰ ভাষা-সাহিত্য আৰু সংস্কৃতিক সদায় উপহাস-উপলুঙা কৰে। কিন্তু ইংৰাজী ভাষা-সাহিত্য-সংস্কৃতিতকৈ ফৰাচী ভাষা-সাহিত্য-সংস্কৃতি কোনো গুণেই কম বা হীন নহয়।

আমাৰ ভাৰতীয়সকল যে দুশবছৰ ইংৰাজৰ গোলাম আছিল আৰু সিহঁতে যে আমাক হীন, অসভ্য, বৰ্বৰ জাতি আখ্যা দিছিল, সেই কথা আমাৰ একশ্ৰেণীৰ ভাৰতীয় লোকেও বিশ্বাস কৰিছিল আৰু সেয়ে বিত্তৱান ভাৰতীয়, যেনে নবাব, জমিদাৰ আৰু চৰকাৰী চাকৰিয়ালহঁতে ইংৰাজ

> *আমাৰ ঘৰটোৰ ওচৰৰ ১৬-১৭ ঘৰ মানুহৰ মাথোঁ ছয় কি সাতঘৰেহে বাতৰি কাকতখন লয়, মাত্ৰ এঘৰেহে আলোচনী এখন লয়। মই তিনিখন কাকত আৰু দুখন আলোচনী লওঁ। এজনক সুধিছিলো 'আপুনি বাতৰি কাকত কোনখন পঢ়ে' বুলি। তেওঁ একে আষাৰেই ক'লে, 'টিভি, ম'বাইলত চব পাৰেঁই। কাকত এখন ৰখাৰ কি দৰকাৰ!'*

হ'বলৈ আপ্ৰাণ চেষ্টা কৰিছিল আৰু আজিও কৰি আছে। আমি স্কুলত পঢ়া দিনত ভাৰত বুৰঞ্জীৰ লগতে ইংলণ্ডৰ বুৰঞ্জীখনো পঢ়িব লাগিছিল। কিন্তু 'অসম বুৰঞ্জীখন'? নাই, ইমানবোৰ বুৰঞ্জী পঢ়াৰ দৰকাৰ নাই। সেই কাৰণেই পূৰ্বৰে পৰা চলি থকা 'অসম বুৰঞ্জী'খন উঠাই দিয়া হ'ল। কেন্দ্ৰীয় চৰকাৰে নহয়, আমাৰ খাচ অসমীয়া অসম চৰকাৰখনেহে উঠাই দিলে। ইংৰাজহঁতে তেতিয়ালৈ ভাৰত এৰি গৈছিল। এনে ক্ষেত্ৰত 'ইংলণ্ডৰ বুৰঞ্জী' আমাৰ বাবে গুৰুত্বপূৰ্ণ নাছিল; গুৰুত্বপূৰ্ণ আছিল নিজকে জনাৰ বাবে 'অসম বুৰঞ্জী'খনৰ পঠন-পাঠনহে। পিছে দুশবছৰীয়া গোলাম আমাৰ চৰিত্ৰৰ গোলামি গুণ ক'লৈ যাব! সেইবাবেই আমি অসমীয়া জাতিয়ে আজিও 'অসম বুৰঞ্জী' পঢ়াৰ প্ৰয়োজন অনুভৱ নকৰো। শিক্ষা বিভাগৰ বৰদেউতা, হৰ্তাকৰ্তা মন্ত্ৰী-বিধায়ক আদিয়ে। বৰ বৰ চৰকাৰী বিষয়াসকলে 'অসম বুৰঞ্জী'খন পঢ়াৰ পঢ়ুওৱাৰ প্ৰয়োজনেই আছে বুলি নাভাবে। এতিয়াতো সেই মহা মনীষীসকলে অসমীয়া ভাষাটোৰে প্ৰয়োজন নাই বুলি ভাবে। ভাবিবই, তেওঁলোকৰ পো-পোৱালি 'আচল অসমীয়া' সন্তানহঁতেতো অসমীয়া ভাষা নাজানে, নকয়ো। তেওঁলোকৰ পিতৃভাষা-মাতৃভাষা ইংৰাজীহে। সেয়ে মন্ত্ৰীসকলে অসমীয়া ভাষা নালাগেই বুলি চিদাংকৈ কৈয়ে দিছে। আচলতে তেওঁলোকৰ দৰে খাঁটি 'মেকলে পুত্ৰসকলৰ সন্তানহঁতে যদি পৰীক্ষাবোৰত এই অসমীয়া ভাষাডালৰ কাৰণেই বেয়া কৰিবলগীয়া হয়, কম লাজৰ কথা হ'বনে! সেয়ে 'অসমীয়া ভাষা হটাও'।

এদিন মাজুলীৰ পৰা গুৱাহাটীলৈ আহি সঞ্চালকৰ কাৰ্যালয়ত পঞ্জীয়কগৰাকীক লগ কৰো বুলি তেওঁৰ কোঠাত সোমাই দেখো, সমুখত ফাইলটো লৈ মূৰে-কপালে হাত দি আছে। মুখত কলমটো। 'কি হ'ল হে, ইমান যে মূৰে-কপালে হাত দি আছে! তেওঁ ক'লে, 'কিবা ন'ট এটা দিব লাগেহে ফাইলত। শব্দ দুটামান পাহৰি আছো।' মই পুনৰ সুধিলো, 'কিয়, অসমীয়াত নিলিখে কিয়?' উত্তৰ—'অসমীয়াত নাহেই হে।' মোৰহে তেতিয়া মূৰে-কপালে হাত দিব লগা অৱস্থা। এনে স্থলত অসমীয়া ভাষা থাকিব গৈনে? এনে কথা-কাণ্ড আমাৰ সকলোবোৰ চৰকাৰী কাৰ্যালয়, ব্যৱসায়ী প্ৰতিষ্ঠান, খেল পথাৰতো অসমীয়া ভাষাৰ একেই দুৰ্দশা। সেয়ে চৰকাৰে ইংৰাজীতহে জোৰ দিছে। আৰু সেই কাৰণেই অসমীয়া মাধ্যমৰ পঢ়াশালিবোৰ বন্ধ হৈ গৈ আছে। শিক্ষক আছে ছাত্ৰ-ছাত্ৰী নাই। ছাত্ৰ-ছাত্ৰী য'ত আছে তাত শিক্ষক নাই। এতেকে এইবোৰ পঢ়াশালি একেবাৰে উঠাই দিবই লাগিব। চৰকাৰে তাকেই কৰি আছে।

২৫ বছৰমান আগতে ডিমা হাছাও জিলাত জিলা জনসম্পৰ্কৰক্ষী বিষয়া হৈ থাকোতে বিনয় লাংঠাছা নামৰ ডিমাচা ডেকা এজনক সুধিছিলো, 'তোমালোকে যে হিন্দী বা বাংলাভাষাতহে প্ৰায়েই কথা-বতৰা কোৱা, অসমীয়া ভাষাত নোকোৱা কিয়? তোমালোকেতো সুন্দৰকৈ অসমীয়া ক'ব পাৰা।' বিনয়ে দুখ কৰি ক'লে, 'আমিতো অসমীয়া ক'বলৈ ভালেই পাওঁ; কিন্তু ইয়াত অসমীয়া বিষয়া-কৰ্মচাৰী সকলোৱেইচোন হিন্দী বা বাঙালীহে কয়।' উপায়ুক্তৰ কাৰ্যালয়ৰ ডিমাচা, ৰাংখল, মিজো আৰু বাঙালী বিষয়া-কৰ্মচাৰী সকলোৱেই আমাৰ লগত অসমীয়া ভাষাতে কথা কয়। আনকি তেতিয়াৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য কেম্প্ৰাইয়ো অতি সুন্দৰকৈ অসমীয়াতে কথা-বতৰা পাতিছিল। পৰিষদৰ জনসম্পৰ্কৰক্ষী বিষয়া ৰামেন্দ্ৰ লাংঠাছা, তেওঁৰ পৰিবাৰ গৰাকী আমাৰ বিভাগৰ পূৰ্ণিমা হাকমাচা, বাইদেউ নিৰুপমা হাগজেৰ আৰু আনকি মন্ত্ৰী গোবিন্দ লাংঠাছা আৰু পৰিয়ালৰ বাকীসকলে অসমীয়া বুজে-কয়। কিন্তু আমি 'খাচ অসমীয়া'সকলে তেওঁলোকক পাত্তাই নিদিওঁ, আনকি সেইসকলো আমাৰ দৰে 'খাচ অসমীয়া' বুলিয়েই নাভাবো। তেনেহ'লে অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট কোনে আনিছে! তাহানি জয়ন্তীয়া ৰজাই অসমৰ স্বৰ্গদেৱলৈ দুখ কৰি লিখিছিল বোলে 'গড়গাঁও জয়ন্তীয়া দুই নোহে।' পিছে জয়ন্তীয়া -গড়গাঁও দুই কিয় হ'ল? কাৰণ নিজকে 'বৰ অসমীয়া' বুলি ভেমত ওফন্দি থকা আমি অসমীয়াহঁতেই সেই জয়ন্তীয়া, নাগা সকলোকে আঁতৰাই খেদিছো। এদিন কাছাৰৰ ডিমাচা ডেকাই অসমীয়া ভাষাৰ বাবে প্ৰাণ দিছিল। আমি তাৰ বিচাৰ কেতিয়াও কৰা নাই। জাতি-মাটি-ভাষা-ভেঁটিৰ কথা কোৱা ফপহুতাহঁতে ভাষা ৰাখিব নোৱাৰে।

এদিন পঞ্জাৱৰ শিখ ৰজা ৰঞ্জিৎ সিংহই সমুখত আঁৰি থোৱা ভাৰতৰ মেপ এখনত ৰঙা ৰঙা দাগ কিছুমান দেখি মন্ত্ৰীক সেইবোৰ কিহৰ ভাগ বুলি সুধিলত মন্ত্ৰীয়ে ক'লে— 'সেইবোৰ ইংৰাজৰ অধিকৃত অঞ্চল'। ক্ষন্তেক চিন্তা কৰি মহাৰজাই ক'লে, 'একদিন সৱ লাল হো যায়েগা।' একদিন সোনকালেই আহিল। ৰঞ্জিৎ সিংহৰ মৃত্যুৰ কিছুদিনৰ পাছতেই মহা শক্তিশালী শিখ সাম্ৰাজ্য ইংৰাজৰ হাতলৈ গ'ল। আমাৰো অৱস্থা সেয়েই যে হ'বগৈ সি নিশ্চিত। এফালে হিন্দী সম্প্ৰসাৰণবাদী, বাংলা সম্প্ৰসাৰণবাদীৰ আগ্ৰাসী কূট কৌশল, আনফালে বৰ বৰ অসমীয়াহঁতৰ ইংৰাজী-প্ৰীতি। বৰ বেছি ডেৰকুৰি-দুকুৰি বছৰ, তাৰ পাছত অসম হয় হিন্দী ভাষী, নহয় বাংলাভাষী ৰাজ্য হৈ পৰিব। এধানমানী ছোৱালীজনীয়ে মোক তাও দি কোৱাৰ দৰে 'তুম মেৰা সাথ হিন্দী সে বাৎ কৰ, মেই ভি তুমহাৰা সাথ হিন্দীমে বাৎ কৰুংগী' বাক্যশাৰীয়ে মোৰ বুকুত কঁপনি তুলিছে। এদিন কিজানি বিদ্যালয়ত আকৌ শিক্ষকে অসমীয়া ছাত্ৰ-ছাত্ৰীক বাংলাত ক'ব, 'শনিবাৰে শনিবাৰে তোৰ চদাই চদাই জ্বৰ উঠে।' হে' পৰমেশ্বৰ, সেই দিন যেন নাহে।

*ফোন ঃ ৭৩৯৯৫৭৩৮২২*






## ৰুছ সমৰ্থিত বিচ্ছিন্নতাবাদীৰ গুলিৰ আক্ৰমণত ইউক্ৰেইনত নিহত দুই সেনা



**নিউজ ব্যুৰ', কীভ, ২০ ফেব্ৰুৱাৰী ঃ** যিকোনো মুহূৰ্তত ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধ আৰম্ভ হ'ব পাৰে। ইউক্ৰেইনত আক্ৰমণ সংঘটিত কৰিবলৈ প্ৰস্তুত হৈ আছে ৰুছ সেনা। এনে পৰিস্থিতিতে এইবাৰ ইউক্ৰেইনত ৰুছপন্থী বিচ্ছিন্নতাবাদীৰ গুলিৰ আক্ৰমণত প্ৰাণ হেৰুৱালে কীভৰ দুজন সেনাই। এনে ধৰণৰ আক্ৰমণৰ ফলতে হঠাতে যুদ্ধসদৃশ পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে বুলি কূটনৈতিক বিশেষজ্ঞই সন্ত্ৰাস প্ৰকাশ কৰিছে। ইউক্ৰেইন সেনাই প্ৰকাশ কৰা অনুসৰি শেহতীয়াভাৱে বিচ্ছিন্নতাবাদীৰ আক্ৰমণৰ ঘটনা দেশখনত যথেষ্ট বৃদ্ধি পাইছে আৰু যোৱা ২৪ ঘণ্টাত যুদ্ধবিৰতিৰ উলংঘনৰে বিচ্ছিন্নতাবাদীয়ে ৭০ বাৰ আক্ৰমণ চলালে।

## পঞ্জাৱত ফলাফলৰ পাছত বিজেপিৰ লগ লাগিব পাৰে আকালী ঃ ইংগিত শীৰ্ষ নেতাৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ২০ ফেব্ৰুৱাৰী ঃ** পঞ্জাৱত আজি বিধানসভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনাই নতুন সমীকৰণৰ ইংগিত দিলে শিৰোমণি আকালী দলে। প্ৰয়োজনত পুনৰ বিজেপিৰ হাত ধৰিব পাৰে আকালী দলে। আজি এই ইংগিত দিলে দলৰ শীৰ্ষ নেতা বিক্ৰম সিং মাজিথিয়াই। বিজেপিৰ স'তে মৰ্চা গঠনৰ বিষয়ত নিৰ্বাচনৰ পাছত প্ৰয়োজনীয় চিন্তা-চৰ্চা কৰা হ'ব বুলি মাজিথিয়াই আজি মন্তব্য কৰে। উল্লেখ্য যে বিজেপি আৰু আকালী দল দীৰ্ঘদিনৰ মৰ্চাৰ সংগী আছিল। ২০২০ বৰ্ষৰ কেন্দ্ৰীয় চৰকাৰৰ বিতৰ্কিত কৃষি আইনৰ বিৰোধিতাৰে বিজেপিৰ সংগ ত্যাগ কৰিছিল আকালী দলে। কেন্দ্ৰৰ বিজেপি চৰকাৰৰ বিৰুদ্ধে আকালী দলে আন্দোলনো চলাইছিল। আজি মাজিথিয়াই স্পষ্টভাৱে কয় যে কংগ্ৰেছ হৈছে আকালী দলৰ এক নম্বৰ শত্ৰু আৰু সেয়েহে প্ৰয়োজন হ'লে নিৰ্বাচনৰ পাছত বিজেপিৰ সমৰ্থন গ্ৰহণৰ কথা চিন্তা-চৰ্চা কৰা হ'ব।

## ঘূৰ্ণী ধুমুহাত বিধ্বস্ত ব্ৰিটেইন, কমেও ১০ জনৰ প্ৰাণহানি



**নিউজ ব্যুৰ', লিভাৰপুল, ২০ ফেব্ৰুৱাৰী ঃ** প্ৰচণ্ড ঘূৰ্ণী ধুমুহাই বিধ্বস্ত কৰিলে ব্ৰিটেইন। এই ধুমুহা ইমানেই প্ৰবল আছিল যে বহু অঞ্চলত একাধিক বাসগৃহৰ চাদো ধুমুহাই উৰুৱাই নিলে। ঘণ্টাত ১৯৫ কিলোমিটাৰ বেগত অহা ধুমুহাজাকে অসংখ্য গাড়ী যান-বাহন আৰু গছ-গছনিৰ ব্যাপক ক্ষতিসাধন কৰিলে। ইউনিছ নামৰ ধুমুহাজাকৰ ফলত ব্ৰিটেইনৰ বিভিন্ন অঞ্চলত ১০ জন লোকৰ মৃত্যু হ'ল। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি সাম্প্ৰতিক কালত এনে বিধ্বংসী ধুমুহা ব্ৰিটেইনত প্ৰথমবাৰ সংঘটিত হ'ল। লিভাৰপুলত ধুমুহাৰ ফলত গাড়ী বাগৰি পৰাত এজন বৃদ্ধ লোকৰ মৃত্যু হ'ল। আয়াৰলেণ্ডত গছ ভাঙি পৰাৰ ফলত এজন ৬০ বছৰীয়া বৃদ্ধাৰ ঘটনাস্থলীতে মৃত্যু হয়। ধুমুহাজাকে লণ্ডনৰ অ' টু এৰেনা ষ্টেডিয়ামৰ চাদ উৰুৱাই নিয়ে। লিভাৰপুল, কৰ্ণৱাল, আয়াৰলেণ্ডৰ বিস্তৰ ক্ষতিসাধন কৰিলে ইউনিছ ধুমুহাই।

## আকালী-বিজেপিলৈ সমৰ্থন গুৰমিতৰ 'ডেৰা সচ্ছা সৌদা'ৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ২০ ফেব্ৰুৱাৰী ঃ** গুৰমিত ৰাম ৰহিম সিঙৰ নেতৃত্বাধীন শিখ ধৰ্মীয় সংস্থা 'ডেৰা সচ্ছা সৌদা'ৰ ৰাজনৈতিক বিভাগে পঞ্জাৱ বিধানসভা নিৰ্বাচনত ডেৰাৰ সমৰ্থকক বিজেপি আৰু শিৰোমণি আকালী দলৰ সপক্ষে ভোটদান কৰিবলৈ আহ্বান জনালে। যোৱা নিশা হঠাতে গুৰমিতৰ সংস্থাটোৱে পূৰ্বৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰি বিধানসভাৰ নিৰ্বাচনত 'ফুল' (বিজেপি) আৰু 'তুলাচনী' (শিৰোমণি আকালী)ৰ প্ৰতীকত 'ডেৰা সচ্ছা সৌদা'ৰ সমৰ্থকক ভোটদান কৰিবলৈ কয়। পূৰ্বে ডেৰাই কেৱল বিজেপিৰ সমৰ্থনত থিয় দিছিল যদিও এইবাৰ বিজেপিৰ লগতে আকালীৰ প্ৰাৰ্থীকো জয়ী কৰাবলৈ গুৰমিতৰ সংস্থাটোৱে আহ্বান জনালে।

**নিজ দেশ ত্যাগ কৰি পোলেণ্ড-ৰাছিয়াত আশ্ৰয় গ্ৰহণৰ চেষ্টা শংকিত পূব ইউক্ৰেইন সীমান্তবাসীৰ**

# যুদ্ধৰ শংকাত ইউক্ৰেইনৰ পৰা পলায়ন ১০ লাখ নাগৰিকৰ


**নিউজ ব্যুৰ' কীভ, ২০ ফেব্ৰুৱাৰী ঃ** পূব ইউক্ৰেইনত হোৱা ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাৰ পাছত উক্ত অঞ্চলৰ পৰা সম্ভাব্য যুদ্ধৰ শংকাত নাগৰিকৰ পলায়ন আৰম্ভ হৈছে। অঞ্চলবাসীয়ে বাছ আৰু অন্যান্য বাহনৰে পোলেণ্ড সীমান্তলৈ অগ্ৰসৰ হৈছে। প্ৰকাশিত বাতৰি অনুসৰি কমেও তিনি লাখ নাগৰিকে ইতিমধ্যে পোলেণ্ড সীমান্তত বাহৰ পাতিছে। ইফালে, ৰুছ সমৰ্থিত বিচ্ছিন্নতাবাদীৰ আক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ৰাছিয়াৰ দখলত থকা অঞ্চলত বসবাস কৰা প্ৰায় সাত লাখ নাগৰিকে ইতিমধ্যে নিজৰ ঘৰ-দুৱাৰ ত্যাগ কৰি অনিশ্চিত যাত্ৰা অব্যাহত ৰাখিছে। এই সকল ইউক্ৰেইনৰ নাগৰিকক আশ্ৰয় দানৰ বাবে ৰাছিয়াই ইতিমধ্যে দেশৰ সীমান্ত মুকলি কৰি দিছে।

ইউক্ৰেইনৰ এই দুই সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা লোকৰ সংখ্যা প্ৰায় ১০ লাখ। এইসকল লোকৰ লোকৰ শংকা যে যুদ্ধ হ'লে তেওঁলোক প্ৰথম আক্ৰমণৰ বলি হ'ব। সীমান্তত বসবাস কৰা এইসকল ইউক্ৰেইনৰ নাগৰিকক ৰুছ সেনাই আক্ৰমণৰ লক্ষ্য হিচাপে লোৱাৰ যথেষ্ট সম্ভাৱনা আছে। সেয়েহে যুদ্ধ



আৰম্ভ হোৱাৰ পূৰ্বে সীমান্ত অঞ্চলৰ পৰা এইসকল নাগৰিকে নিৰাপদ স্থানলৈ যাত্ৰা কৰিছে। ইউক্ৰেইনৰ পৰা বৃহৎ সংখ্যক লোকৰ পলায়নৰ প্ৰতি লক্ষ্য ৰাখি ৰাছিয়াই ইতিমধ্যে নিজৰ দখলত থকা অঞ্চলত জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে। অৱশ্যে ৰাছিয়াই নিজ দেশৰ নাগৰিকৰ স্বদেশলৈ প্ৰত্যাৱৰ্তনৰ বাবে সীমান্তত ৪০০ সৈনিক আৰু ১৫০ খন গাড়ী সাজু কৰি ৰাখিছে। ৰাছিয়াৰ জৰুৰীকালীন বিভাগে প্ৰকাশ কৰা অনুসৰি ইউক্ৰেইনত থকা ৰুছ নাগৰিকক স্বদেশলৈ ওভতাই অনাৰ বাবে প্ৰয়োজনত উদ্ধাৰ অভিযান চলোৱা হ'ব। ৰুছ সমৰ্থিত বিচ্ছিন্নতাবাদী সংগঠনে বৰ্তমানলৈকে ইউক্ৰেইনত ২৪ টা সামৰিক ঘাটিত আক্ৰমণ সংঘটিত কৰিলে। এনে আক্ৰমণত ইতিমধ্যে এজন সৈনিকৰ মৃত্যু হৈছে। সামৰিক ঘাটিৰ লগতে বিচ্ছিন্নতাবাদীয়ে এখন বিদ্যালয়তো আক্ৰমণ চলাইছিল।

## হাইপাৰছ'নিক পাৰমাণৱিক ক্ষেপণাস্ত্ৰৰ অনুশীলনত ব্যস্ত পুটিন, প্ৰতিক্ৰিয়া আমেৰিকাৰ



**নিউজ ব্যুৰ', ম'স্কো, ২০ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে কালি হাইপাৰছনিক বেলিষ্টিক ক্ষেপণাস্ত্ৰ আৰু অন্যান্য অস্ত্ৰৰ উৎক্ষেপণৰ কৌশলগত পাৰমাণৱিক অনুশীলনৰ তদাৰকী কৰিছিল। ইউক্ৰেইনৰ সীমান্তত ৰাছিয়াৰ বৃহৎ সংখ্যক সেনা নিয়োগ আৰু ক্ৰমবৰ্ধমান উত্তেজনাৰ মাজতে শক্তি প্ৰদৰ্শন কৰিবলৈকে ৰাছিয়াই এই বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষা-নিৰীক্ষা চলায় বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। ৰাছিয়াৰ সংবাদ সংস্থাৰ খবৰ অনুসৰি, পুটিন আৰু বেলাৰুছৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ লুকাচেনক'ৰে ক্ৰেমলিনৰ পৰা হাইপাৰছ'নিক বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষামূলক অনুশীলন প্ৰত্যক্ষ কৰিছিল। টি ইউ-৯৫ বোমাৰু বিমান আৰু ছাবমেৰিনৰ পৰীক্ষণো এই অনুশীলনৰ জৰিয়তে সম্পন্ন কৰা হ'ল। ইফালে, মিউনিখত অনুষ্ঠিত নিৰাপত্তা সন্মিলনত অংশ লৈ ৰাছিয়াক কঠোৰ ভাষাৰে হুংকাৰ দিলে আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতিয়ে যদি ইউক্ৰেইনক আক্ৰমণ কৰাৰ সিদ্ধান্ত লয় তেন্তে দেশখনত আৰ্থিকভাৱে যথেষ্ট ক্ষতিৰ সন্মুখীন হ'ব লাগিব বুলি সকীয়নি দিলে হেৰিছে। এনে পৰিস্থিতিত আমেৰিকা আৰু ইউৰোপীয় ইউনিয়নে সন্মিলিতভাৱে ৰাছিয়াৰ বিৰুদ্ধে কঠোৰ নিষেধাজ্ঞা আৰোপ কৰিব বুলিও হেৰিছে কয়।

## ৰুছ-ইউক্ৰেইন সংঘাতক লৈ চিন্তিত জনছন ঃ ১৯৪৫ৰ পাছত ইউৰোপত সৰ্ববৃহৎ যুদ্ধৰ পৰিকল্পনা ৰাছিয়াৰ



**নিউজ ব্যুৰ', লণ্ডন, ২০ ফেব্ৰুৱাৰী ঃ** ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ব'ৰিছ জনছনে ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত সৃষ্টি হোৱা সংঘাতৰ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিলে। মিউনিখ সুৰক্ষা সন্মিলনত অংশ লৈ ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ইউৰোপত দ্বিতীয় বিশ্বযুদ্ধৰ পাছত সৰ্ববৃহৎ আক্ৰমণ চলোৱাৰ পৰিকল্পনা যুগুত কৰিছে। জনছনে কয়, '১৯৪৫ৰ পাছত ৰাছিয়াই ইউৰোপত সবাতোকৈ বৃহৎ যুদ্ধৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এনে ইংগিত লাভ কৰা হৈছে যে পুটিনৰ এই পৰিকল্পনা ইতিমধ্যে কিছু পৰিমাণে আৰম্ভ কৰা হৈছে। ৰাছিয়াই এনে পদ্ধতিৰে আক্ৰমণ চলাবলৈ বিচাৰিছে, যাৰ জৰিয়তে ইউক্ৰেইনৰ ৰাজধানী কীভক চাৰিও দিশৰ পৰা আগুৰি ধৰিব পাৰি। বিশ্ববাসীয়ে এই কথা বুজা উচিত যে ইয়াৰ ফলত মানৱ সমাজে কিমান বৃহৎ মূল্য আদায় দিব লাগিব?' জনছনে লগতে কয় যে ৰাছিয়াই কেৱল নৱৰেৰ সীমান্তইদি ইউক্ৰেইনত আক্ৰমণ চলোৱাৰ লগতে বেলাৰুছৰ পৰাও কীভক ঘেৰি ধৰি আক্ৰমণ কৰাৰ সম্ভাৱনা আছে। ইউক্ৰেইন-ৰাছিয়াৰ মাজত সম্ভাব্য যুদ্ধক লৈ অনিশ্চয়তা অব্যাহত থকাৰ সময়তে আজি ৰুছ ৰাষ্ট্ৰপতি পুটিনক ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কীয়ে আলোচনাত অংশ লৈ সংকটৰ সমাধানৰ প্ৰস্তাৱ দিলে। 'ৰাছিয়াৰ ৰাষ্ট্ৰপতিয়ে কি বিচাৰিছে মই নাজানো। সেয়েহে মই তেওঁক সাক্ষাৎ কৰিব বিচাৰি প্ৰস্তাৱ আগবঢ়ালো। ৰাছিয়াই আলোচনাৰ বাবে স্থান নিৰ্বাচন কৰিব পাৰিব। এই সংকটৰ শান্তিপূৰ্ণ সমাধানৰ বাবে ইউক্ৰেইনে কেৱল কূটনৈতিক পথত অগ্ৰসৰ হ'ব।' জেলেনস্কিয়ে আজি এইদৰে কয়।



## নিজ দেশৰ নাগৰিকক ইউক্ৰেইন ত্যাগৰ পৰামৰ্শ জাৰ্মানীৰ

**নিউজ ব্যুৰ' বাৰ্লিন, ২০ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইন-ৰাছিয়াৰ মাজত সংঘাত বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ইউক্ৰেইনত বসবাস কৰা জাৰ্মানীৰ নাগৰিকক স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ পৰামৰ্শ দিলে জাৰ্মান চৰকাৰে। আজি জাৰ্মান চৰকাৰে এক নিৰ্দেশনা জাৰি কৰি নিজ দেশৰ নাগৰিকক তৎকালীনভাৱে ইউক্ৰেইন ত্যাগ কৰিবলৈ আহ্বান জনায়। ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধসদৃশ পৰিস্থিতি অব্যাহত থকাৰ প্ৰতি লক্ষ্য ৰাখি জাৰ্মান চৰকাৰে এক বিবৃতিত কয় যে সাম্প্ৰতিক পৰিস্থিতিত ইউক্ৰেইনত থকা সকলো জাৰ্মান নাগৰিকে স্বদেশলৈ উভতি অহা উচিত। উল্লেখ্য যে আমেৰিকা, ভাৰতসহ কে'বাখনো দেশে যোৱা সপ্তাহত ইউক্ৰেইনত থকা নিজ দেশৰ নাগৰিকক স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰাৰ আহ্বান জনাইছিল।

## হলিউডৰ অভিনেত্ৰী লিণ্ডছে পাৰ্লমেনৰ ৰহস্যজনক মৃত্যু



**নিউজ ব্যুৰ', হলিউড, ২০ ফেব্ৰুৱাৰী ঃ** হলিউডৰ জনপ্ৰিয় অভিনেত্ৰী লিণ্ডছে পাৰ্লমেনৰ ৰহস্যজনক পৰিস্থিতিত মৃত্যু হ'ল। ৪৩ বছৰীয়া অভিনেত্ৰীগৰাকী বিগত কে'বাদিন ধৰি সন্ধানহীন হৈ আছিল আৰু কালি তেওঁৰ মৃতদেহ আৰক্ষীয়ে ৰহস্যজনক অৱস্থাত উদ্ধাৰ কৰিছিল। পাৰ্লমেনে চলচ্চিত্ৰৰ লগতে কে'বাখনো জনপ্ৰিয় টেলিভিছন ধাৰাবাহিকতো অভিনয় কৰিছিল। মাৰ্কিন টেলিভিছনৰ জনপ্ৰিয় অনুষ্ঠান 'জেনেৰেল হাস্পতাল', 'আমেৰিকান হাউছৱাইফ'ত পাৰ্লমেনে অভিনয় কৰিছিল। লছ এঞ্জেলছৰ এজন স্থানীয় নিবাসীয়ে তেওঁৰ বাসগৃহৰ ওচৰত অভিনেত্ৰীগৰাকীৰ মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিছিল।

## অমৰিন্দৰে ক'লে ঃ ছন্নীৰ হাতত যাদু আছে নেকি? ২০-৩০ৰ অধিক আসন কংগ্ৰেছে লাভ নকৰে



**নিউজ ব্যুৰ', চণ্ডীগড়, ২০ ফেব্ৰুৱাৰী ঃ** পঞ্জাৱত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হয়। নিৰ্বাচনৰ দিনাই পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কেপ্টেইন অমৰিন্দৰ সিঙে কংগ্ৰেছক কঠোৰভাৱে সমালোচনা কৰিলে। ৰাজ্যখনৰ কংগ্ৰেছী মুখ্যমন্ত্ৰী চৰণজিত সিং ছন্নীক কটাক্ষ কৰি কংগ্ৰেছ ত্যাগ কৰি নিজা দল গঠন কৰা অমৰিন্দৰে আজি কয় যে এইবাৰৰ বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছে ২০-৩০ৰ অধিক সমষ্টিত জয়লাভ নকৰে। 'কংগ্ৰেছে মই পঞ্জাৱত কিমান আসন লাভ কৰিম তাক লৈ চিন্তিত হৈ আছে। মোৰ অনুমান অনুসৰি কংগ্ৰেছে ২০-৩০ সমষ্টিৰ অধিক জয়লাভ নকৰে। চৰণজিত সিং কোন? তেওঁ যাদুকৰ নেকি যে তিনি মাহতে পঞ্জাৱত চমৎকাৰ সৃষ্টি কৰিব? নিৰ্বাচনৰ পূৰ্বে তেওঁক নায়ক সজোৱা হৈছে। কিন্তু মই ভাবো যে তেওঁলোক দুয়োজন (ছন্নী আৰু নৱজ্যোত সিং সিদ্ধু) বেকাৰ।' অমৰিন্দৰে আজি ভোটদানৰ সময়তে এইদৰে কয়। অমৰিন্দৰে এইবাৰৰ নিৰ্বাচনত পঞ্জাৱ লোক কংগ্ৰেছ দল গঠন কৰি প্ৰতিদ্বন্দ্বিতা কৰিছে।

## কৰ'না বিধিক লৈ উত্তাল কানাডাৰ ৰাজপথত আৰক্ষীৰ বৰ্বৰতা, আঁতৰাই পঠালে প্ৰতিবাদকাৰীক

**নিউজ ব্যুৰ' অট'ৱা, ২০ ফেব্ৰুৱাৰী ঃ** টিকাকৰণ বাধ্যতামূলক কৰা আৰু কৰ'না বিধিৰ বিৰুদ্ধে বিগত কে'বাসপ্তাহ ধৰি উত্তাল হৈ থকা কানাডাত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলে আৰক্ষীয়ে। যোৱা জানুৱাৰীৰ শেষ সপ্তাহৰ পৰা দেশখনত প্ৰতিষেধক বাধ্যতামূলক কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে দেশখনৰ একাংশ লোকে ৰাজপথত সমবেত হৈ প্ৰতিবাদী আন্দোলন আৰম্ভ কৰিছিল। বিগত তিনি সপ্তাহৰো অধিক সময় ধৰি অব্যাহত থকা এই বিক্ষোভ দমন কৰিবলৈ অৱশেষত ৰণমূৰ্তি ধাৰণ কৰিলে কানাডাৰ আৰক্ষীয়ে। ৰাজপথত হঠাতে শ শ আৰক্ষীয়ে ঘোঁৰাত উঠি উপস্থিত হৈ প্ৰতিবাদকাৰীসকলক আক্ৰমণ কৰে। আৰক্ষীয়ে আন্দোলনকাৰীক প্ৰহাৰ কৰাৰ লগতে বলপূৰ্বক ৰাজপথৰ পৰা আঁতৰাই পঠায়। ইতিমধ্যে ১৭০ জন প্ৰতিবাদকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। তদুপৰি প্ৰতিবাদকাৰীয়ে ৰাজপথত ৰখা ট্ৰাকসমূহক আৰক্ষীয়ে আঁতৰাই পঠাইছে। আৰক্ষীৰ এই অভিযানৰ পাছত




কানাডাৰ ৰাজধানী অট'ৱাৰ পাৰ্লিয়ামেণ্ট হিলৰ সন্মুখৰ পথছোৱা আজি তিনি সপ্তাহৰ পাছত মুকলি হ'ল। আৰক্ষীৰ অভিযানৰ ফলত যথেষ্ট সংখ্যক প্ৰতিবাদকাৰী আহত হোৱা বুলিও অভিযোগ উত্থাপিত হৈছে। প্ৰতিবাদকাৰীক আৰক্ষীয়ে ঘোঁৰাৰে গছকি আঘাত হনাৰো অভিযোগ উঠিছে। যোৱা জানুৱাৰীত ট্ৰাকচালকৰ বাবে টিকাকৰণ বাধ্যতামূলক ঘোষণা কৰাৰ পাছতে কানাডাৰ একাংশ ট্ৰাক চালকে জাষ্টিন ট্ৰুডু চৰকাৰৰ এই সিদ্ধান্তৰ বিৰোধিতাৰে আন্দোলন আৰম্ভ কৰিছিল। তিনি সপ্তাহৰ পাছত আজি আৰক্ষী প্ৰশাসনে অতি কঠোৰ স্থিতি গ্ৰহণ কৰি প্ৰতিবাদকাৰীসকলক ৰাজপথৰ পৰা আঁতৰি যাবলৈ বাধ্য কৰে। যোৱা সপ্তাহৰ অন্তিম ভাগত ট্ৰুডুৱে প্ৰতিবাদকাৰীক দমন কৰিবলৈ জৰুৰী ক্ষমতা প্ৰয়োগৰ সিদ্ধান্ত লৈছিল।

## য়েমেনত সেনাৰ অভিযানত ১৫৬ হুটী বিদ্ৰোহী নিহত



**নিউজ ব্যুৰ', ছানা, ২০ ফেব্ৰুৱাৰী ঃ** য়েমেনৰ পূৰ্বোত্তৰৰ হজা প্ৰদেশত সেনাৰ স'তে হোৱা সংঘৰ্ষত বিগত দুদিনত কমেও ১৫৬ জন হুটী বিদ্ৰোহীৰ মৃত্যু হ'ল। সেনাৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ছৌদী আৰবৰ সীমাত থকা হৰাদ চহৰ আৰু ইয়াৰ সমীপৱৰ্তী এবছ জিলাত সেনা আৰু বিদ্ৰোহীৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। শুকুৰবাৰে হৰদত সেনাৰ অভিযানত কমেও ১০৬ জন হুটী বিদ্ৰোহীৰ মৃত্যু হৈছিল। কিছুদিন পূৰ্বে উক্ত অঞ্চলত হোৱা আন এক সংঘৰ্ষৰ ঘটনাত ৬০ জন সৈনিকৰ মৃত্যু আৰু ১৪০ জন আহত হৈছিল। আনহাতে, শনিবাৰেও আন এক সংঘৰ্ষত শতাধিক হুটী বিদ্ৰোহীৰ মৃত্যু হ'ল।

## ডাণ্টেৱাড়াত সংঘৰ্ষত দুৰ্ধৰ্ষ নক্সালপন্থীৰ মৃত্যু



**নিউজ ব্যুৰ' ডাণ্টেৱাড়া, ২০ ফেব্ৰুৱাৰী ঃ** চত্তিছগড়ৰ ডাণ্টেৱাড়া জিলাত নক্সালপন্থীৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ সফলতা লাভ কৰিলে আৰক্ষীয়ে। ডাণ্টেৱাড়াৰ বৰগম গাঁৱৰ কাষৰ অৰণ্য অঞ্চলত নক্সালপন্থীৰ বিৰুদ্ধে নিৰাপত্তা বাহিনীয়ে চলোৱা অভিযানত ৩৪ বছৰীয়া অৰ্জুন ওৰফে লখমা চৌদি নামৰ এজন দুৰ্ধৰ্ষ নক্সালপন্থী সদস্যৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৃত অৰ্জুনৰ মূৰৰ বিনিময়ত আৰক্ষীয়ে পাঁচ লাখ টকাৰ পুৰস্কাৰ প্ৰদানৰ কথা পূৰ্বে ঘোষণা কৰিছিল।

## নিৰ্বাচন আয়োগে জব্দ কৰিলে ছনুৰ গাড়ী, পাটিয়ালা-ভটিণ্ডাত আকালী-কংগ্ৰেছীৰ হতাহতি

**নিউজ ব্যুৰ', চণ্ডীগড়, ২০ ফেব্ৰুৱাৰী ঃ** পঞ্জাৱ বিধানসভাৰ নিৰ্বাচন আজি শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয় যদিও পাটিয়ালা আৰু ভটিণ্ডা সমষ্টিত শিৰোমণি আকালী দল আৰু কংগ্ৰেছৰ নেতা-কৰ্মীৰ মাজত সংঘাতৰ সৃষ্টি হৈছিল। ভটিণ্ডাত নৰুৱানা ৰোডত আকালী আৰু কংগ্ৰেছৰ কৰ্মীৰ মাজত হতাহতিৰ ঘটনা সংঘটিত হৈছিল। আকালী দলৰ প্ৰাক্তন পাৰিষদ হৰজিন্দৰ ট'নিয়ে অভিযোগ কৰা অনুসৰি কংগ্ৰেছ কৰ্মীয়ে ভোটাৰৰ মাজত নগদ ধন বিতৰণ কৰিছিল। এনে কাৰ্যত আকালী সমৰ্থকে বাধা দিয়াত কংগ্ৰেছ কৰ্মীয়ে শূন্যলৈ গুলিচালনা




কৰাৰ সময়তে এখন গাড়ী লণ্ডভণ্ড কৰে। ফিৰোজপুৰতো বিজেপি কৰ্মীক কংগ্ৰেছীয়ে আক্ৰমণ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। পাটিয়ালাৰ বাবু সিং কল'নিত আকালী আৰু কংগ্ৰেছ সমৰ্থকৰ মাজত হতাহতিৰ ঘটনাত এজন ব্যক্তি আহত হয়। ইফালে, ম'গাত নিৰ্বাচন আয়োগে চলচ্চিত্ৰ অভিনেতা ছনু সুদৰ গাড়ী জব্দ কৰে। ম'গাৰ নিৰ্বাচন আয়োগৰ নিৰীক্ষকে প্ৰকাশ কৰা অনুসৰি অভিনেতা সুদে এটা ভোটগ্ৰহণ কেন্দ্ৰত প্ৰৱেশৰ চেষ্টা চলাইছিল আৰু সেই সময়ত নিৰ্বাচন আয়োগৰ প্ৰতিনিধিয়ে তেওঁৰ গাড়ীখন জব্দ কৰি অভিনেতাজনক ঘৰলৈ ওভতাই পঠাইছিল। উল্লেখ্য যে ছনুৰ ভগ্নী মালবিকা সুদে ম'গাৰ পৰা কংগ্ৰেছৰ টিকটত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে।

## দেশৰ দৈনিক সংক্ৰমণ ২০ হেজাৰৰ তললৈ, মৃত্যু বৃদ্ধি ৬৭৩ জনলৈ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ফেব্ৰুৱাৰী ঃ** টিকাকৰণৰ উচ্চ হাৰ আৰু সচেতনতাৰ সুফল লাভ কৰিছে ভাৰতে। দেওবাৰে দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ২০ হেজাৰৰ তললৈ নামিলে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ১৯,৯৬৮ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। দৈনিক সংক্ৰমণ যথেষ্ট হ্ৰাস পালেও দেওবাৰে ক'ভিডত মৃতকৰ সংখ্যা ৬৭৩ জনলৈ বৃদ্ধি পালে। বৰ্তমানলৈকে ভাৰতত পাঁচ লাখ ১১ হেজাৰ ৯০৩ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে। সম্প্ৰতি দেশত দুই লাখ ২৪ হেজাৰ ১৮৭ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## হংকঙত দ্ৰুত সংক্ৰমণ বৃদ্ধি কৰ'নাৰ, চিকিৎসালয়ত ঘটিছে শয্যাৰ অভাৱ



**নিউজ ব্যুৰ', হংকং, ২০ ফেব্ৰুৱাৰী ঃ** বিশ্বৰ প্ৰায়বোৰ দেশতে ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত কৰ'না বিধি শিথিল কৰা হৈছে। কিন্তু হংকঙত ইয়াৰ সম্পূৰ্ণ বিপৰীত ছবি এখন প্ৰত্যক্ষ হ'ল। দেশখনত কৰ'নাৰ দৈনিক সংক্ৰমণ উৰ্ধ্বমুখী হোৱাৰ ফলত সম্প্ৰতি হংকঙত চিকিৎসালয়ত ৰোগীৰ বাবে শয্যাৰ অভাৱ ঘটিছে। প্ৰশাসনে ক'ভিডৰ সংক্ৰমণ নিয়ন্ত্ৰণৰ বাবে পুনৰ তলাবন্ধৰ পথ গ্ৰহণৰ কথা বিবেচনা কৰিছে। যোৱা ডিচেম্বৰৰ অন্তিম ভাগত হংকঙত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। ইয়াৰ পাছৰে পৰা অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধি দেশখনত অব্যাহত আছে। শুকুৰবাৰলৈকে হংকঙত ২০ হেজাৰৰো অধিক লোক অ'মিক্ৰনত আক্ৰান্ত হ'ল।



## কাশ্মীৰত সেনাৰে সংঘৰ্ষত নিহত এজন সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' ছ'পিয়ান, ২০ ফেব্ৰুৱাৰী ঃ** জম্মু-কাশ্মীৰৰ ছ'পিয়ানত কালি সংঘটিত হোৱা সেনা আৰু সন্ত্ৰাসবাদীৰ এক সংঘৰ্ষত এজন সন্ত্ৰাসবাদী ধৰাশায়ী হ'ল। সেনাৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ছ'পিয়ানৰ জাইনাপোৰা অঞ্চলৰ চেৰমাৰ্গত সন্ত্ৰাসবাদীয়ে সেনালৈ গুলিবৰ্ষণ কৰাত উভয় পক্ষৰ সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল। দীৰ্ঘ সময় ধৰি হোৱা সংঘৰ্ষৰ অন্তত ঘটনাস্থলীৰ পৰা এজন সন্ত্ৰাসবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হয়।

■ হাজোৰ পৰ্যটন ক্ষেত্ৰলৈ অশনি সংকেত ■ শীঘ্ৰে মেৰামতিৰ দাবী ৰাইজ-আছুৰ

# ভূতবাংলালৈ পৰ্যবসিত প্ৰশান্তি নিৰাস

**অগ্ৰদূত বাৰ্তা**

**হাজো ২০ ফেব্ৰুৱাৰী ঃ** পৰ্যটন ক্ষেত্ৰসমূহক ৰাজ্য চৰকাৰে গুৰুত্ব প্ৰদান কৰি আহিছে যদিও সম্প্ৰতি হাজোৰ পৰ্যটন ক্ষেত্ৰলৈ নামি আহিছে চৰম অশনি সংকেত। হাজোৰ পৰ্যটন নিগমৰ অধীনৰ আৱাসগৃহ সম্প্ৰতি পৰিণত হৈছে ভূতবাংলালৈ। পৰ্যটন ক্ষেত্ৰ হিচাপে হাজোক আগবঢ়াই নিয়াত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন হৈছে বিধায়িকা সুমন হৰিপ্ৰিয়াৰ বিৰুদ্ধে। নিতৌ তীৰ্থনগৰী হাজোলৈ সমাগম হয় দেশী-বিদেশী পৰ্যটকৰ, কিন্তু লক্ষ্যণীয়ভাৱে পৰ্যটকসকলে জিৰণি ল'বলৈ নাই এটা পৰ্যটন নিৱাস। হাজোৰ বিষ্ণুপুৰত থকা অসম পৰ্যটন নিগমৰ আৱাস গৃহটো সম্প্ৰতি পৰ্যবসিত হৈছে ভূতবাংলালৈ। বিভাগীয় কৰ্তৃপক্ষ আৰু স্থানীয় বিধায়িকাই এই ক্ষেত্ৰত পিঠি দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইয়াকে লৈ সৰৱ হৈছে স্থানীয় ৰাইজৰ লগতে হাজো আঞ্চলিক ছাত্ৰ সন্থা। হাজোত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও হাজোক এতিয়াও উপযুক্ত পৰ্যটনস্থলীৰূপে গঢ়ি তুলিব পৰা নাই অসম চৰকাৰৰ বিয়াগোম পৰ্যটন বিভাগ তথা স্থানীয় বিধায়িকাই। দূৰ-দূৰণিৰ পৰা অহা পৰ্যটকসকলে হাজোৰ পৰ্যটন ক্ষেত্ৰ পৰিদৰ্শন কৰি জিৰণি লোৱা স্থানৰ অভাৱত নিশাটো কটাবলৈ গুৱাহাটীলৈ যাত্ৰা কৰিবলগীয়াত পৰিছে। ৰাজ্যৰ আন আন পৰ্যটনস্থলীৰ দৰে হাজোতো প্ৰশান্তি পৰ্যটন নিৱাসটো জহি-খহি গৈ এৰাবাৰীত পৰিণত হৈছে। নিশাৰ ভাগত হাজোৰ পৰ্যটন নিৱাসৰ চৌহদত চলে এতিয়া সুৰা আৰু ড্ৰাগছৰ আড্ডা। এইক্ষেত্ৰত দুবাৰকৈ নিৰ্বাচিত হোৱা হাজোৰ জনপ্ৰতিনিধি গৰাকীও কুম্ভকৰ্ণ নিদ্ৰাত থকাৰ অভিযোগ উঠিছে। উল্লেখ্য যে হাজোৰ স্থানীয় বিজেপি নেতা নৱদীপ কলিতাই অসম পৰ্যটন নিগমৰ উপাধ্যক্ষৰ পদত অধিষ্ঠিত হৈ পৰ্যটন নিৱাসটো মেৰামতিৰ ক্ষেত্ৰত কোনো গুৰুত্ব নিদিয়াত ধিক্কাৰ দিছে স্থানীয় সচেতন ৰাইজৰ লগতে ছাত্ৰ সন্থাই।



## নৈতিকতা-মূল্যবোধৰ শিক্ষাৰ অভাৱত দেশত বৃদ্ধাশ্ৰম-শিশু গৃহৰ সংখ্যা বৃদ্ধি হৈছে

■ নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ ফেব্ৰুৱাৰী ঃ** ছাত্ৰ-ছাত্ৰীসকল দেশৰ সম্পদ। তেওঁলোকৰ শিক্ষা আৰু কৰ্মই দেশৰ ভৱিষ্যত নিৰূপণ কৰে। বিশ্বায়ণ আৰু দ্ৰুত প্ৰযুক্তিগত উন্নয়নে শিক্ষাৰ্থীৰ মন আৰু আচৰণত প্ৰভাৱ পেলাইছে।' এই মন্তব্য গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিৱন্ধকাৰ ড° সব্যসাচী মহন্তৰ। যোৱা ১৯ ফেব্ৰুৱাৰীত নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ মুকলি সভাত ড° মহন্তই বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া পৰিৱৰ্তন আৰু পৰিৱৰ্তিত আচৰণক লৈ অভিভাৱকসকল গভীৰভাৱে চিন্তিত বুলি উল্লেখ কৰি লগতে কয় যে আজিৰ ছাত্ৰ-ছাত্ৰীসকলে নম্বৰ সৰ্বস্ব শিক্ষা গ্ৰহণ কৰাত গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। কিন্তু নম্বৰ সৰ্বস্ব শিক্ষাৰ লগতে যে নৈতিকতা আৰু মানৱীয় প্ৰমূল্যবোধৰ শিক্ষা ল'ব লাগে, সেই কথা আজিৰ নৱপ্ৰজন্মই বহু সময়ত পাহৰি গৈছে। সকলোৱে কেৱল নম্বৰৰ প্ৰতিযোগিতাৰ পাছত দৌৰিছে। আচলতে শিক্ষাক প্ৰজ্ঞানৰ সাধনা হিচাপে লৈ আমি আগবাঢ়িব লাগিব। যাৰ বাবে নৈতিকতা আৰু মানৱীয় প্ৰমূল্যবোধৰ অভাৱত দেশত বৃদ্ধাশ্ৰম আৰু শিশু গৃহৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। সেয়ে এই সন্দৰ্ভত আত্ম বিশ্লেষণৰ সময় আহি পৰিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মৃগাংক শইকীয়াই সভাপতিত্ব কৰা সভাখনত অষ্টম অসম ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কামাণ্ডিং বিষয়া কৰ্ণেল অমৰ সিঙে কয় যে আমি প্ৰত্যেকেই প্ৰতিদিনে দেশৰ ভালৰ হকে চিন্তা কৰিব লাগে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক দেশৰ হকে কাম কৰাৰ লগতে এগৰাকী সু-নাগৰিক হিচাপে নিজকে গঢ়ি তুলিবলৈ আহ্বান জনায়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ প্ৰশান্ত হাজৰিকা প্ৰমুখ্যে ভালে কেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ইয়াৰ পূৰ্বে পুৱা পতাকা উত্তোলনৰে দিনজোৰা কাৰ্যসূচীৰে আৰম্ভ হোৱা নৱাগত আদৰণি উপলক্ষে বিয়লি এখন বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।



## বকোত এহাল ভ্ৰাতৃ-ভগ্নীৰ উচুপনি

■ পাঁচ বছৰ পূৰ্বে পিতৃক হেৰুওৱাৰ পাছত দুমাহ পূৰ্বে হাতীৰ আক্ৰমণত মৃত্যু মাতৃৰ

**অগ্ৰদূত বাৰ্তা**

**বকো, ২০ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ বকোৰ এখন জনজাতীয় গাঁও মীৰ্জাখাট। মীৰ্জাখাটৰ এটা পঁজাত বসবাস কৰিছিল চাৰিজনীয়া সুখী পৰিয়ালটোৱে। দৰিদ্ৰতাৰ মাজতো পৰিয়ালটোৱে সুখে-দুখে দিন কটাইছিল। পাঁচ বছৰ পূৰ্বে পৰিয়ালটোৰ মূৰব্বীগৰাকীৰে মৃত্যু হয়। এইবাৰ পৰিয়ালটোৰ ভৰণ-পোষণৰ দায়িত্ব ল'লে মাতৃ নিৰ্মলা বড়োৱে। নিষ্ঠুৰ নিয়তিয়ে দুমাহ পূৰ্বে মাতৃকো আঁতৰাই নিলে। পথাৰত ধান কাটি থকা অৱস্থাত বনৰীয়া হাতীৰ আক্ৰমণত নিৰ্মলা বড়োৰ থিতাতে মৃত্যু হৈছিল। ফলত অনাথ হৈ পৰে দুই ভ্ৰাতৃ-ভগ্নী। দৰিদ্ৰতাই কোঙা কৰা পৰিয়ালটোৰ জীয়ৰী মনোমতী বড়ো (১৮)-এ শিক্ষা জীৱন আধাতে সামৰণি মাৰিছিল। পুত্ৰ গিৰিধৰ বড়ো (১৫) এইবাৰ মেট্ৰিক পৰীক্ষাৰ্থী। অসহায়া ভ্ৰাতৃ-ভগ্নীহালে উপায়হীন হৈ মোমায়েকৰ ঘৰত আশ্ৰয় লৈছে। কিন্তু হাতত নাই টকা-পইচা। বিদ্যালয়লৈ যাতায়াতৰ বাবে প্ৰয়োজনীয় ধন নাই গিৰিধৰৰ। দিনে- নিশাই কেৱল চকুলো বাগৰিছে দুয়োৰে। ভৱিষ্যৎ কিদৰে চলিব তাক লৈ দিশহাৰা হৈছে দুয়ো। আপোন পঁজালৈ উভতি আহিব বিচাৰিছে যদিও সম্প্ৰতি মীৰ্জাখাটৰ পঁজাটো তলাবন্ধ হৈ আছে। এফালৰ পৰা বাৰীৰ তামোল-পাণ তহিলং কৰিছে গৰু-ছাগলীয়ে। গোৱালপাৰা জিলাৰ কঠাকঠিত থকা মোমায়েকৰ ঘৰৰ পৰা মাজে সময়ে দুয়োৱে আপোন পঁজালৈ আহে। প্ৰয়াত পিতৃ-মাতৃৰ অতি আদৰৰ পঁজালৈ আহি নিৰৱে চকুলো টুকে। আনহাতে বন বিভাগে ভ্ৰাতৃ-ভগ্নীৰ হাতত মাতৃৰ মৃত্যুৰ নামত পাঁচ হেজাৰ টকা গুজি দিয়ে দায়িত্ব সামৰিছে। কিছুদিন পূৰ্বে বিধায়িকা নন্দিতা দাসে ১৫ হেজাৰ টকা আৰু বস্ত্ৰ প্ৰদান কৰিছে দুই ভ্ৰাতৃ-ভগ্নীক। ভ্ৰাতৃ-ভগ্নীহালে চকুলো টুকি ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ ওচৰত আহ্বান জনাইছে, 'মামা, আমাক সহায় কৰক। আমি পঢ়িব বিচাৰো। আমি আমাৰ আপোন ঘৰখনলৈ উভতি আহিব বিচাৰো। আমাৰ কাষত কোনো নাই।' একেদৰে স্থানীয় ব্যক্তি মনমোহন ৰাভাই কয়, 'পিতৃ বিয়োগৰ পাছত মাতৃগৰাকীয়ে দুয়োটা ল'ৰা-ছোৱালীক দিন হাজিৰা কৰি লালন-পালন কৰিছিল। পঢ়াশালি লৈ পঠাইছিল। কিন্তু বন বিভাগৰ চূড়ান্ত গাফিলতিৰ বাবেই ল'ৰা-ছোৱালীহাল অনাথ হৈ পৰিছে। বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে পকেট গৰম কৰি থকাত এফালৰ পৰা পৰা বনাঞ্চল ধ্বংস হ'ব ধৰিছে। বনাঞ্চল সংকুচিত হোৱাত খাদ্যৰ সন্ধানত বনাঞ্চল এৰি জনাঞ্চললৈ নামি অহা বনৰীয়া হাতীৰ জাকে বিগত দিন ধৰি বৃহত্তৰ বন্দাপাৰা অঞ্চলত সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। হাতী-মানুহৰ সংঘাতত বহুজনে প্ৰাণ হেৰুৱাইছে। বহুজনে চিৰদিনৰ বাবে পংগুত্ব জীৱন কটাবলগীয়া হৈছে। একেদৰে বন্দাপাৰাৰ সমীপৰ মীৰ্জাখাটত দুৰ্ভগীয়া পৰিয়ালটোৰ নিৰ্মলা বড়োই পথাৰত ধান কাটি থকা অৱস্থাত বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যু হয়। বন বিভাগে দুৰ্ভগীয়া পৰিয়ালটোৰ ভ্ৰাতৃ-ভগ্নীহালক পাঁচ হেজাৰ টকা গুজি দি দায়িত্ব পাৰিছে।' তেওঁ ৰাজ্য চৰকাৰক অসহায় ভ্ৰাতৃ-ভগ্নীহালক সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

## ডিগবৈত ঘৰে ঘৰে গীত গাই নিৰ্বাচনী প্ৰচাৰ

**ডিগবৈ, ২০ ফেব্ৰুৱাৰী ঃ** ডিগবৈ পৌৰসভাত শাসক বিৰোধীসকলো ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। তাৰ মাজতে ব্যতিক্ৰমী ৰূপত প্ৰচাৰ চলাই দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী, পৰিচিত নয়নমণি দত্তই। ডিগবৈ পৌৰসভাৰ ন নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী দত্তই দেশপ্ৰেমমূলক গীত গায় গায় ঘৰে ঘৰে নিৰ্বাচনী প্ৰচাৰ চলাইছে। কা আন্দোলনৰ সময়ত ডিগবৈ মহিলা সমাজক সন্মুখৰ পৰা নেতৃত্ব দিয়া দত্ত এগৰাকী আদৰ্শৱান নেত্ৰীৰূপে ডিগবৈত পৰিচিত। সেয়ে তেওঁক সহায় কৰিবলৈ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছে অঞ্চলটোৰ মহিলাসকল। ডিগবৈ পৌৰসভাৰ ৱাৰ্ডে ৱাৰ্ডে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলোৱা স্থানীয় বিজেপি বিধায়ক সুৰেন ফুকনক কটাক্ষ কৰি জাতীয় পৰিষদৰ প্ৰাৰ্থী দত্তই কয় যে আন দলক সহায় কৰিলে চৰকাৰী আঁচনিৰ সা-সুবিধা নিদিয়া ভাবুকিৰে বিজেপিয়ে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ এক গুৰুতৰ অভিযোগ আনিছে। লগতে ৰাইজক সম্পূৰ্ণ অগণতান্ত্ৰিক কাৰ্য আখ্যা দি দত্তই কয় যে ৰাইজৰ পৰা কৰ সংগ্ৰহ কৰি পোৱা ধনেৰে চৰকাৰী আঁচনি ৰূপায়ণ কৰে। আঁচনিবোৰ চৰকাৰৰহে, বিজেপিৰ নহয় বুলি উল্লেখ কৰি আঁচনিক লৈ কেতিয়াও ৰাজনীতি কৰিবলৈ দিয়া নহ'ব বুলি জাতীয় পৰিষদৰ প্ৰাৰ্থীগৰাকীয়ে কটাক্ষ কৰে।

## নাজিৰা লক্ষ্মীজানত অবৈধ শিল খনন

**বিশেষ সংবাদদাতা,**

**শিৱসাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** কাংশ শিল ব্যৱসায়ীৰ মুনাফাৰ স্বাৰ্থত দিখৌ নদীৰ ভৌগোলিক অৱস্থিতিৰ প্ৰতি ভাবুকি আহি পৰাৰ অভিযোগ উঠিছে। তদুপৰি নাজিৰা মহকুমাৰ বিহুবৰ, লক্ষ্মীজান আদি অঞ্চলত অবাধ গতিত হোৱা শিলৰ অবৈধ খনন কাৰ্যৰ ফলত নদীৰ সীমামূৰীয়া অঞ্চলত বসবাস কৰা ৰাইজৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। উল্লেখ্য যে, নাজিৰা মহকুমাৰ লক্ষ্মীজান খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ তথা ঐতিহাসিক বৰশিলৰ কাষতে এতিয়া পূৰ্ণোদমে চলিছে অবৈধ শিল খননৰ কাম। লক্ষ্মীজান অঞ্চলত কে'বাজনো শিল ব্যৱসায়ীয়ে শিল খননৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰ তথা চৰকাৰক ৰাজহ আদায় দি খনন কাৰ্য কৰি আহিছে যদিও একাংশ অসাধু ব্যৱসায়ীয়ে চৰকাৰক কোনো কৰ নিদি এই দুস্কাৰ্য অব্যাহত ৰাখি মুনাফা আদায় কৰি আহিছে। নিয়ম অনুসৰি এজন ব্যক্তিয়ে শিল খননৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰ পাবৰ বাবে বিশেষ কেতবোৰ ব্যৱস্থাৰ মাজেৰে যাব লাগে। এই সকলো ব্যৱস্থা সম্পন্ন হোৱাৰ পিছত তেওঁলোকে বিচৰা ধৰণেৰে প্ৰতি চি এম শিলত নিৰ্দিষ্ট পৰিমাণৰ কৰ আদায় কৰা হয়। কিন্তু একাংশ অসাধু ব্যৱসায়ীয়ে হেজাৰ চি এমৰ ৰাজহ আদায় দি স্থানীয় বন বিভাগৰ বিষয়াৰ স'তে মিতিৰালি কৰি এহেজাৰ চিএমৰ ঠাইত তিনিৰ পৰা পাঁচহেজাৰ চিএম শিল খনন কৰা বুলি এক সূত্ৰই সদৰি কৰিছে। আনহাতে, লক্ষ্মীজান খণ্ড বন বিষয়া কাৰ্যালয়ৰ অধীনত থকা উক্ত খনন কাৰ্যৰ লগত জড়িত হৈ পৰিছে এটা বিশেষ চক্ৰ। জানিব পৰামতে, উক্ত চক্ৰটোৱে খনন কাৰ্য চলোৱা প্ৰতিখন ফকলেনৰ বাবদ বিভিন্ন পক্ষক মেনেজ কৰাৰ নামত প্ৰতি সপ্তাহত দহৰ পৰা পোন্ধৰ হেজাৰ টকাকৈ সংগ্ৰহ কৰে। এই সংগ্ৰহীত ধনৰ এটা অংশ বন বিভাগৰ বিষয়াৰ পৰা প্ৰশাসনিক বিষয়ালৈকে ভাগ বাটোৱাৰা হোৱা বুলি সূত্ৰটোৱে জনাইছে।

## গোৱালপাৰাৰ সিধাবাৰীত আমছুৰ ক'লা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২০ ফেব্ৰুৱাৰী ঃ** নেলীৰ গণহত্যা আৰু তিৱাৰী আয়োগৰ প্ৰতিবেদন ৰাজহুৱা নকৰাৰ প্ৰতিবাদত যোৱা ১৮ ফেব্ৰুৱাৰীত গোৱালপাৰাৰ সিধাবাৰীত আমছুৱে ক'লা দিৱস পালন কৰে। জিলা আমছুৰ উদ্যোগত মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত সিধাবাৰীত আমছুৰ কৰ্মকৰ্তাসকলে ক'লা বেজ পৰিধান কৰি নেলীৰ হত্যাকাণ্ডৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ 'নেলীৰ গণহত্যাৰ বিচাৰ লাগিবই, তিৱাৰী আয়োগৰ প্ৰতিবেদন ৰাজহুৱা কৰক, অসম চৰকাৰ হায় হায়' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। এই উপলক্ষে আমছুৰ সিধাবাৰী আঞ্চলিক সমিতিৰ সভাপতি মহিবুল হকৰ পৌৰোহিত্যত এখনি প্ৰতিবাদী সভাও অনুষ্ঠিত হয়। উক্ত প্ৰতিবাদী সভাখনত ভাষণ প্ৰসংগত আমছুৰ জিলা সভাপতি আনিমুল হক চৌধুৰীয়ে কয় যে ১৯৮৩ৰ ১৮ ফেব্ৰুৱাৰীত একাংশ দুৰ্বৃত্তই ইচ্ছাকৃতভাৱে নেলীৰ কে'বাখনো গাঁও ঘেৰাও কৰি কে'বা সহস্ৰাধিক পুৰুষ-মহিলাৰ লগতে শিশু আৰু গৰ্ভৱতী মহিলাক বৰ্বৰভাৱে হত্যা কৰিছিল। এই গণহত্যাৰ স'তে জড়িতসকলক গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে আমছুৰ সভাপতিজনে। নেলী কাণ্ডৰ সময়ত নিহত আৰু আহত হোৱা সকলোকে উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ লগতে এনেকুৱা জঘন্য কাণ্ডৰ যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে চৰকাৰক দৃষ্টি ৰাখিবলৈ দাবী জনাইছে সভাপতিজনে। ইপিনে, নেলীৰ গণহত্যাৰ বলি হোৱা সকলক ছহিদ ঘোষণাৰ বিপৰীতে ইয়াৰ স'তে জড়িত থকা সকলক ছহিদ ঘোষণা কৰা বুলি মন্তব্য কৰে আমছুৰ নেতাজনে। লগতে তিৱাৰী আয়োগৰ প্ৰতিবেদন ৰাজহুৱা কৰাৰ দাবী জনাইছে আমছুৰ জিলা সভাপতি আনিমুল হক চৌধুৰীয়ে। সিধাবাৰী আঞ্চলিক আমছুৰ সাধাৰণ সম্পাদক হাৰেজ আলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত উপস্থিত থাকি জিলা আমছুৰ উপ-সভাপতি ইমৰাণ হুছেইন আৰু হামিদ মণ্ডলে ভাষণ প্ৰদান কৰে।

## কাইলৈ নলবাৰীত জিলা আছুৰ গুৰুজীৰ মৃত্যু বাৰ্ষিকীৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২০ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত জীৱন শিল্পী, গুৰুজী আদ্য শৰ্মাৰ সপ্তম মৃত্যু বাৰ্ষিকী উপলক্ষে 'ৰং ভাবনা' শীৰ্ষক অনুষ্ঠান অহা ২২ ফেব্ৰুৱাৰীত আবেলি তিনি বজাৰ পৰা নলবাৰী ছহিদ ভৱন বাকৰিত অনুষ্ঠিত কৰা হৈছে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু নলবাৰী জিলাভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। একেদৰে চিত্ৰাংকন প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত হ'ব ('ক' শাখা) প্ৰথমৰ পৰা সপ্তম শ্ৰেণীলৈ, ('খ' শাখা) অষ্টমৰ পৰা দশম শ্ৰেণীলৈ। আনহাতে, চিত্ৰাংকন প্ৰতিযোগিতাৰ প্ৰতিটো শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত প্ৰতিযোগীক নগদ ধন, কিতাপৰ টোপোলা আৰু মানপত্ৰ সহকাৰে পুৰস্কৃত কৰাৰ লগতে প্ৰতিটো শাখাতে ১০ জনকৈ প্ৰতিযোগীক বিশেষভাৱে পুৰস্কৃত কৰা হ'ব। পাছত বঁটা বিতৰণী অনুষ্ঠান আৰু বন্তি প্ৰজ্বলন অনুষ্ঠানৰ জৰিয়তে গুৰুজীৰ প্ৰতি শ্ৰদ্ধা জনোৱা হ'ব। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজৰ উপস্থিতি কামনা কৰিছে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, সাধাৰণ সম্পাদক অক্ষয় ডেকাই।

## বালিপৰাত ৫৫ কাৰ্টন অৰুণাচলী সুৰা জব্দ

**অগ্ৰদূত বাৰ্তা,**

**তেজপুৰ, ২০ ফেব্ৰুৱাৰী ঃ** অৰুণাচল প্ৰদেশত বিক্ৰীৰ বাবে অনুমোদিত সুৰাৰ এখন বৃহৎ চোৰাং বজাৰ সম্প্ৰতি ৰাজ্যৰ লগতে চুবুৰীয়া আন ৰাজ্যতো গঢ়ি উঠিছে। সম্প্ৰতি শোণিতপুৰত আৰক্ষী আৰু আৰকাৰী বিভাগে এনে চোৰাংভাৱে সৰবৰাহ হোৱা অৰুণাচলী সুৰাৰ বিৰুদ্ধে অভিযান চলালেও বিভিন্ন কৌশলৰে অৰুণাচলী সুৰাৰ চোৰাং সৰবৰাহ অব্যাহত আছে। উল্লেখ্য যোৱা ১৮ ফেব্ৰুৱাৰীত পুৱতি নিশা প্ৰায় তিনি বজাত চাৰিদুৱাৰ আৰক্ষীৰ তহলদাৰী দলে এখন বলেৰ' পিকআপত গৰু কঢ়িয়াই অনাৰ সন্দেহত অনুসৰণ কৰাত ৫৫ কাৰ্টন অৰুণাচলী সুৰা জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি এএছ-০৩চিচি-১০৬২নম্বৰ বলেৰ পিকআপ খনৰ চালকে আৰক্ষীক দেখি তীব্ৰ বেগৰে পলায়ন কৰাৰ চেষ্টা চলায়। আৰক্ষীয়ে বাহনখনৰ অনুসৰণ কৰাত বালিপৰাৰ উলুবাৰী নামৰ ভিতৰুৱা অঞ্চলটোত এডৰা হাবিৰ কাষত বলেৰ'খন ৰখাই চালকে পলায়ন কৰে। আৰক্ষীয়ে গাড়ীখন পৰীক্ষা কৰাত ইয়াত পানীৰ বটলৰ তলত অৰুণাচলী সুৰাৰ কাৰ্টন গোপনে অনাটো নিশ্চিত হয় আৰু আৰক্ষীয়ে চোৰাংভাৱে অনা এই সুৰাৰ কাৰ্টনসমূহ জব্দ কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি এই সুৰাৰ বজাৰ মূল্য প্ৰায় দুইলাখ টকা।

## শিক্ষক নবুল শইকীয়াৰ মৃত্যু

**বিশেষ সংবাদদাতা,**

**শিৱসাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** নাজিৰা মহকুমাৰ শিলাসাঁকো মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক, সমাজসেৱী, সাংস্কৃতিক কৰ্মী নবুল শইকীয়া (৫৩) ৰ যোৱা ১৬ ফেব্ৰুৱাৰীত নাজিৰাৰ লখিমী আলীৰ ভগ্নীৰ গৃহত মৃত্যু হয় তেওঁ বিগত কিছুদিন ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ আছিল। মঠিয়াছিগাৰ মোমায়েকৰ ঘৰত সৰুৰে পৰাই এক সাংস্কৃতিক পৰিবেশত ডাঙৰ-দীঘল হোৱা শিক্ষকজনে আনুষ্ঠানিক শিক্ষা সম্পন্ন কৰি শিক্ষকতা আৰম্ভ কৰে। দক্ষ শিক্ষকৰূপে পৰিচিত ব্যক্তিজনে মঠিয়াছিগা জ্যোতি সমাজ, বৰ্তমান নাজিৰা মহকুমা মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও বিভিন্ন সাংস্কৃতিক কাম-কাজৰ সৈতে জড়িত আছিল। মৃত্যুৰ সময়ত পত্নী সহ দুই পুত্ৰ-কন্যাক ইহসংসাৰত এৰি গৈছে।

## বাগ্‌সা জিলা সাহিত্য সভাৰ অধিবেশনৰ দিন ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২০ ফেব্ৰুৱাৰী ঃ** বাগ্‌সা জিলা সাহিত্য সভাৰ নৱম দ্বি-বাৰ্ষিক অধিবেশনৰ তাৰিখ পুনৰাই নিৰ্ধাৰণ কৰা হৈছে। উল্লেখ্য যে এই বছৰ ১৭ আৰু ১৮ জানুৱাৰীত দক্ষিণ খাৰিজা বিজনী হাইস্কুল খেলপথাৰত খাৰিজা বিজনী শাখা সাহিত্য সভাৰ উদ্যোগত অধিবেশন অনুষ্ঠিত হোৱাৰ কথা আছিল অসমত অ'মিক্ৰনৰ প্ৰভাৱ বৃদ্ধি হোৱাত অধিবেশন অনিৰ্দিষ্ট কালৰ বাবে পিছুৱাই দিয়া হৈছিল। কালি দক্ষিণ খাৰিজা বিজনী হাইস্কুলত আদৰণি সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা ইন্দ্ৰ বাহাদুৰ ছেত্ৰীৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। সভাত অধিবেশনখন পুনৰ অহা ছয় আৰু সাত মাৰ্চত উক্ত স্থানতেই অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি বাগ্‌সা জিলা সাহিত্য সভাই সদৰী কৰিছে। সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক গণেশ চন্দ্ৰ নাথ, বাগ্‌সা জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি কামদেৱ দাস, বাগ্‌সা জিলা সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক হেমন্ত দাস, জালাহ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক দামোদৰ তালুকদাৰ আৰু খাৰিজা বিজনী শাখা সাহিত্য সভাৰ সাধাৰণ সম্পাদক বাছিদুৰ ৰহমান উপস্থিত থাকে।

## টেঙাখাতত পথ দুৰ্ঘটনাত দুই ছাত্ৰী আহত

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ২০ ফেব্ৰুৱাৰী ঃ** টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ পৰহি বিদ্যালয়খনৰ দুগৰাকী ছাত্ৰী গুৰুতৰভাৱে আহত হয়। বিদ্যালয় ছুটীৰ পাছত ঘৰলৈ যাবলৈ ছাত্ৰী দুগৰাকী পথলৈ ওলাই আহোতে এ এছ-০৬ টি-২৬৩২ নম্বৰৰ বলেৰ'ৰে খুন্দিওৱাৰ ফলতে পথ দুৰ্ঘটনাটো সংঘটিত হয়। টেঙাখাত থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আহত ছাত্ৰী দুগৰাকীক চিকিৎসাৰ বাবে ততাতৈয়াকৈ টেঙাখাত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰে। ছাত্ৰী দুগৰাকীয়ে হাত, ভৰি আৰু কঁকালত কম-বেছি পৰিমাণে আঘাত পাই গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাত আহত ছাত্ৰী দুগৰাকী ক্ৰমে বিদ্যালয়খনৰ একাদশ শ্ৰেণীৰ ছাত্ৰী গাগৰি সোণোৱাল (ঘাঁহিগাঁও) আৰু অন্দিতা শইকীয়া (ভেকুলাজান গাঁও)। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা বলেৰ'খন জব্দ কৰে।

## হাজোৰ বৰষ্বৈ আঞ্চলিক দুৰ্গা মন্দিৰত চুৰি

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২০ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলা তীৰ্থনগৰী হাজোৰ ঐতিহাসিক বৰষ্বৈ আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গা মন্দিৰত নিশা চোৰৰ লুট-পাট চলোৱা ঘটনা পোহৰলৈ অহাত অঞ্চলজুৰি সৃষ্টি কৰিছে প্ৰতিক্ৰিয়া। বৰষ্বৈ পাহাৰৰ দাঁতিত অৱস্থিত ঐতিহাসিক দুৰ্গা মন্দিৰত পৰহি নিশাৰ ভাগত মন্দিৰৰ ভঁৰাল ঘৰৰ তলা ভাঙি চোৰে চলালে অভিযান। চোৰে বৰষ্বৈ আঞ্চলিক দুৰ্গা মন্দিৰৰ পৰা লুটি নিলে লক্ষাধিক টকাৰ সামগ্ৰী। মন্দিৰৰ ভঁৰাল ঘৰৰ ভিতৰত থকা সোণ ৰূপৰ আ-অলংকাৰ, কাঁহৰ কাঁহী-বাটি, পিতলৰ চৰিয়া, কলহ গেছ চিলিণ্ডাৰ লগতে নথিপত্ৰ লৈ যায়। ঘটনাক লৈ দুৰ্গা মন্দিৰ পৰিচালনা সমিতিয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। ইফালে, ঘটনাৰ সন্দৰ্ভত মন্দিৰৰ পৰিচালনা সমিতিয়ে হাজো আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে।



*তেজপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত আৰক্ষীৰ লিখিত পৰীক্ষাৰ পৰীক্ষাৰ্থীৰ শাৰী, দেওবাৰে।*

## নিৰ্মাণৰ এবছৰতে বিধ্বস্ত ঐতিহাসিক মানকটা পথ

■ মগৰাহাটবাসীয়ে যাতায়াতৰ ক্ষেত্ৰত ভুগিছে যমৰ যাতনা

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** লোকনিৰ্মাণ বিভাগৰ শিৱসাগৰ সংমণ্ডলৰ অধীনৰ ঐতিহাসিক মানকটা আলিটো নিৰ্মাণৰ এবছৰৰ পাছতে বিধ্বস্ত হৈছে। ফলত বৃহত্তৰ মগৰাহাটবাসী ৰাইজৰ লগতে পথটোৰে অহা-যোৱা কৰা প্ৰত্যেকজন পথচাৰীয়ে যাতায়াতৰ ক্ষেত্ৰত যমৰ যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছে। উল্লেখ্য যে মগৰহাট অঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা ডাউকী আলিৰ পৰা এটি ৰোড সংযোগী উক্ত পথটোৰ দৈৰ্ঘ্য চাৰি কিল'মিটাৰ যদিও পথটোৰ প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্য তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অধীনত আছে। লোক নিৰ্মাণ বিভাগৰ অধীনত থকা অংশটোৰ শিৱসাগৰ আৰু থাওৰা ক্ষেত্ৰীয় সংমণ্ডলৰ অধীনৰ ২০১৯-২০ৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ আঁচনিৰ অধীনত পথটোৰ আঢ়ৈ কিলোমিটাৰ দৈৰ্ঘ্য এককোটি টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছিল। আনহাতে, নিৰ্মাণ কৰা পথটোৰ ২০২০ত বৰ্তমানৰ মুখ্যমন্ত্ৰী তথা তদানীন্তন লোক নিৰ্মাণ, বিত্ত, স্বাস্থ্য তথা শিক্ষা মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনৰ উপস্থিতত আধাৰশিলা স্থাপন কৰিছিল। নিৰ্মাণ কৰা পথটোৰ ঠায়ে ঠায়ে এফুট- ডেৰফুট দ'কৈ বহি যোৱাৰ লগতে মাজে মাজে ফাট মেলে। তাৎপৰ্যপূৰ্ণ বিষয় যে ডিমৌ নদীৰ কাষেৰে পাৰ হৈ যোৱা উক্ত পথটোৰ পহুগড়ৰ ওচৰত এটা অংশ তিনিবছৰ পূৰ্বে খহনীয়াৰ কবলত পৰে যদিও পথ নিৰ্মাণকাৰী সংস্থাটোৱে সেই অংশছোৱা কোনো মেৰামতি নকৰি তেনেকৈ পেলায় থয়। বাৰিষা অতি বিপদসংকুলভাৱে যাতায়াত কৰা পথচাৰীসকলৰ কথা এবাৰো লোকনিৰ্মাণ বিভাগে চিন্তা নকৰি সামান্য মাটি পেলায়েই দায়িত্ব সামৰি থয়। তদুপৰি পথটোৰ তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অধীনত থকা অংশছোৱাও নিগমে নিৰ্মাণ নকৰাত ঠায়ে ঠায়ে বৃহৎ গাঁতৰ সৃষ্টি হৈ যাতায়াতৰ বাবে অনুপযোগী হৈছে। আনহাতে উক্ত বিধ্বস্ত পথেদি দৈনিক চলাচল কৰা ভূ-মাফিয়া চক্ৰৰ এক্সাকেভেটৰ, ট্ৰাক, ডাম্পাৰ আদিয়ে অধিক বিধ্বস্ত কৰাৰ লগতে ধূলি-বালিয়েও পথচাৰীসকলক অধিক যাতনা ভোগাইছে। সেয়ে উক্ত পথটো অতি শীঘ্ৰে মেৰামতি কৰিবলৈ ৰাইজে দাবী জনাইছে।

## বিশ্বনাথত কোনো জাননী প্ৰদান নকৰাকৈয়ে ব্যক্তিগত ম্যাদি পট্টাৰ ভূমিত চলালে খনন কাৰ্য

■ বহিৰাগত কোম্পানীৰ গুণ্ডাৰাজ চলোৱাৰ অভিযোগ ভুক্তভোগীৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২০ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত এতিয়া একাংশ বহিৰাগত কোম্পানীয়ে আৰম্ভ কৰিব লৈছে ব্যক্তিগত ভূমিত নিজৰ মইমতালি খিলঞ্জীয়াৰ ভূমিত মাফিয়াৰ দৰে কাৰ্যকলাপ কৰিবলৈয়ো চিন্তা নকৰা হৈছে একাংশ বহিৰাগত কোম্পানীয়ে। ব্যক্তিগত ম্যাদি পট্টাৰ ভূমিতো কোনো ধৰণৰ আগজাননী প্ৰদান নকৰাকৈয়ে নিশাৰ ভিতৰত চলাইছে খনন কাৰ্য। এই ঘটনা সংঘটিত হৈছে বিশ্বনাথত। এটা বহিৰাগত গ্ৰেছ গ্ৰীড কোম্পানীয়ে সংঘটিত কৰিছে এনে ঘটনা বিশ্বনাথত। ইন্দ্ৰধনুছ গেছ গ্ৰীড লিমিটেড নামৰ এটা ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে প্ৰাৰম্ভিক পৰ্যায়ৰ কাম-কাজ ইতিমধ্যে আৰম্ভ কৰিছে বিশ্বনাথৰ অধিকাংশ ঠাইত। বিশ্বনাথৰ ফতিকাবস্তি নামৰ গাঁওখনত এজন লোকৰ ব্যক্তিগত ম্যাদি পট্টাৰ ভূমিত কোনো ধৰণৰ জাননী জাৰি নকৰাকৈ নিশাৰ ভিতৰত কোম্পানীটোৱে প্ৰায় তিনি বিঘা ভূমিত চলালে খনন কাৰ্য। স্বাভাৱিকতে গেছ গ্ৰীড কোম্পানীৰ এই ভূমি দখলৰ প্ৰচেষ্টাই হতবাক কৰি তুলিছে ভূমিৰ স্বত্বাধিকাৰী মৃগেন ভাগৱতীক। যাৰ বাবে উপায়হীন হৈ ভুক্তভোগীয়ে কাষ চাপিবলৈ বাধ্য হয় জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ। ন্যায় পোৱাৰ দাবীত হস্তক্ষেপ বিচাৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। সংবাদ মাধ্যমৰ আগত ভুক্তভোগী স্বত্বাধিকাৰীয়ে এই কথা সদৰী কৰিছে।

# বৰহোলাৰ হংসধ্বনি সংগীত বিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠান সম্পন্ন

বিশেষ সংবাদদাতা

**নগাবাট, ২০ ফেব্ৰুৱাৰী ঃ** তিতাবৰ মহকুমাৰ বৰহোলাৰ হংসধ্বনি সংগীত বিদ্যালয়ৰ বাৰ্ষিক সাংস্কৃতিক কাৰ্যসূচী যোৱা ১৬ ফেব্ৰুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ইয়াৰ লগতে বিদ্যালয়খনৰ উদ্যোগত ২০২০ তে অনুষ্ঠিত অনলাইন তবলা বাদন প্ৰতিযোগিতাত বিজয়ীসকলক বঁটা প্ৰদান কৰে। শাস্ত্ৰীয় সংগীতৰ উন্নতিৰ ক্ষেত্ৰত অঞ্চলটোলৈ অৰদান আগবঢ়োৱা সুৰেন বৰাই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান মুকলি কৰে। অনুষ্ঠানত দীৰ্ঘদিনে সংগীত চৰ্চা অব্যাহত ৰাখি বৰহোলা অঞ্চলটোলৈ বিশেষ অৰদান আগবঢ়োৱা নোমল বৰা, গোবিন্দ মহন্ত, পলাশ হাজৰিকা আৰু গ্লেডবিন খুদীক সম্বৰ্ধনা জনোৱা হয়। যোৰহাটৰ বিশিষ্ট অনাতাঁৰ শিল্পী তথা শিক্ষয়িত্ৰী শিৱানী বৰুৱা ফুকন আৰু বিশিষ্ট তবলাবাদক প্ৰকাশ শৰ্মাই অনুষ্ঠানত সংগীত চৰ্চাৰ সম্পৰ্কত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সাৱলীল বক্তব্য আগবঢ়োৱাৰ লগতে একোটিকৈ অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি স্থানীয় সমাজকৰ্মী গোবিন্দ মহন্তয়ো ভাষণ প্ৰদান কৰে। কে'বাগৰাকীয়ে অনুষ্ঠানতে গীত-নৃত্য, তবলা বাদন পৰিৱেশনেৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখ্য যে হংসধ্বনি সংগীত বিদ্যালয়ৰ উদ্যোগত অনলাইন যোগে অনুষ্ঠিত তবলা বাদন প্ৰতিযোগিতাত উচ্চ শাখাত প্ৰথম স্থান লাভ কৰে ডিব্ৰুগড়ৰ প্ৰাতস্মান শৰ্মাই, দ্বিতীয় বৰহোলাৰ জোনাক অনাবিল শৰ্মা, তৃতীয় হয় গোলাঘাটৰ জ্ঞানম সোণোৱাল। নিম্ন শাখাত প্ৰথম পূৰ্ণভদ্বীপ হাজৰিকা, দ্বিতীয় বৰহোলাৰ মৃগাংক শৰ্মা। অনুষ্ঠানত আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগীক বঁটা প্ৰদান কৰে। প্ৰণিধানযোগ্য যে হংসধ্বনি সংগীত বিদ্যালয়ৰ স্বত্বাধিকাৰী উৎপল সোণোৱাল আৰু অধ্যক্ষা দিব্যশী শইকীয়াই এনেদৰে কৰ্মশালা অনুষ্ঠিত কৰি সাংস্কৃতিক দিশত ছাত্ৰ-ছাত্ৰীসকলৰ উন্নতিৰ ক্ষেত্ৰত দীৰ্ঘদিনে চলাই অহা প্ৰচেষ্টাক স্থানীয় সচেতন ৰাইজে শলাগ লৈছে।

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত যোগ সজাগতা সভা সম্পন্ন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ অধীনৰ ষ্টুডেণ্ট ছাপ'ৰ্ট এণ্ড প্ৰগ্ৰেচন চেলৰ উদ্যোগত তথা শিৱসাগৰৰ সতী জয়মতী যোগ মহাবিদ্যালয়ৰ সহযোগত কালি এখন যোগ সজাগতা সভা অনুষ্ঠিত হয়। সহকাৰী অধ্যাপক ড° মণ্টু কুমাৰ বড়াই আঁতধৰা সজাগতা সভাখনত সভাপতিত্ব কৰে আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক তথা সহযোগী অধ্যাপক বিদ্যাধৰ বৰুৱাই। সহকাৰী অধ্যাপক তথা ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমন্বয়ক বসন্ত সন্দিকৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সমল ব্যক্তিৰূপে সতী জয়মতী মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱ দাস সিন্‌হা আৰু শিৱসাগৰ জিলা যোগ সংস্থাৰ সভাপতি জয়ন্ত ৰাজখোৱাই অংশগ্ৰহণ কৰে। উল্লেখ্য যে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে শাৰীৰিক শিক্ষাৰ ওপৰত প্ৰাধান্য দিয়াৰ প্ৰতি লক্ষ্য ৰাখি জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়তো যোগ বিষয়ৰ চাৰ্টিফিকেট ক'ৰ্ছ আৰম্ভ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। অনুষ্ঠানখনত যোগৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী ৰিণী জিনি খনিকৰ, দিব্যা সিন্‌হা আৰু স্বপ্নালী বেজবৰুৱাই ছাত্ৰ- ছাত্ৰীসকলক উৎসাহিত কৰা উদ্দেশ্যে যোগ প্ৰদৰ্শন কৰে। উল্লেখ্য যে যোগ পাঠ্যক্ৰমসমূহৰ বাবে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় আৰু সতী জয়মতী যোগ মহাবিদ্যালয়, শিৱসাগৰৰ মাজত বুজাবুজি চুক্তি ইতিপূৰ্বে স্বাক্ষৰিত হৈছে।

# চৰকাৰী আঁচনিৰে একমাত্ৰ পুত্ৰক সুস্থ কৰি তোলাৰ আশাত বন্দী দৰিদ্ৰ পিতৃ-মাতৃ

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ২০ ফেব্ৰুৱাৰী ঃ** গহপুৰ মহকুমাৰ অন্তৰ্গত নলবাৰী পূব ঘগৰা গাঁৱৰ এটি দৰিদ্ৰ তথা দুৰ্ভগীয়া পৰিয়ালৰ কৰুণ গাথাই সম্প্ৰতি সকলো হৃদয়ৱান ব্যক্তিৰ চকু সেমেকাই তুলিছে। দ্বিতীয় শ্ৰেণীলৈকে খোজ কাঢ়ি বিদ্যালয়লৈ অহা-যোৱা কৰা এটি নিষ্পাপ কিশোৰ আকস্মিকভাৱে অচিন ৰোগত আক্ৰান্ত হৈ খোজ কাঢ়িব নোৱাৰা হৈ পৰিল। দিন হাজিৰাৰে পৰিয়াল চলাই থকা পূব ঘগৰাৰ যোগেশ্বৰ বৰা আৰু মীনাক্ষী বৰাৰ একমাত্ৰ পুত্ৰ মানৱ বৰা (১১) এবছৰ পূৰ্বে উক্ত অচিন ৰোগত আক্ৰান্ত হোৱাৰ পাছত উপযুক্ত চিকিৎসাৰ অভাৱত পখিলা খেদাৰ বয়সত বৰ্তমান বিছনাতে শুই-বহি যন্ত্ৰণা কাতৰ দিন পাৰ কৰিব লগা পৰিস্থিতিৰ উদ্ভৱ হৈছে। ১০ বছৰ বয়সলৈকে এটি সুস্থ-সবল কিশোৰৰ দৰে খেলা-ধূলা কৰা, বিদ্যালয়লৈ অহা-যোৱা কৰি থকা মানৱৰ বিষ ক্ৰমশঃ তীব্ৰতৰ হোৱাত পিতৃ-মাতৃয়ে প্ৰথমতে গহপুৰতে চিকিৎসা কৰিছিল যদিও কোনো সুফল লাভ নকৰাত দিন হাজিৰা কৰা পিতৃ-মাতৃয়ে ধাৰ-ঋণ লৈ উন্নত চিকিৎসাৰ বাবে মানৱক ডিব্ৰুগড়লৈ নিয়ে। কিন্তু ব্যয়বহুল চিকিৎসাৰ বোজা বহন কৰিব নোৱাৰাৰ বাবে মানৱক ঘৰলৈ ঘূৰাই আনিবলৈ বাধ্য হয় দুৰ্ভগীয়া পিতৃ-মাতৃয়ে। বৰ্তমান চৰকাৰৰ 'আশা' নামৰ আঁচনিৰ বাবে আবেদন কৰি পুত্ৰৰ উপযুক্ত চিকিৎসাৰ আশাত বন্দী হৈ থাকিব লগা হৈছে অসহায় তথা দৰিদ্ৰ পিতৃ-মাতৃ। ডিব্ৰুগড়ত চিকিৎসকে কিশোৰটো তেজৰ ৰোগত আক্ৰান্ত হোৱা বুলি কোৱাৰ পাছতো প্ৰয়োজনীয় ধনৰ অভাৱতে দৰিদ্ৰ পিতৃ-মাতৃয়ে একমাত্ৰ সন্তানৰ চিকিৎসাৰ বাবে গহপুৰৰ জনপ্ৰতিনিধিগৰাকীৰ ওচৰতো আবেদন জনাইছে যদিও আজি পৰ্যন্ত কোনো সঁহাৰি লাভ কৰা নাই বুলি জানিবলৈ দিয়ে মানৱৰ মাতৃ মীনাক্ষী বৰাই। দিন হাজিৰা নকৰিলেই দুবেলা-দুমুঠি খাবলৈ অসমৰ্থ হোৱা দুৰ্ভগীয়া পিতৃ-মাতৃৰ এজন হাজিৰা কৰিবলৈ গ'লে আনজন কিশোৰৰ আলপৈচান ধৰিবৰ বাবে ঘৰতে থাকিব লগা হয়। কিশোৰজনৰ উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰিবৰ বাবে দুৰ্ভগীয়া পিতৃ-মাতৃয়ে সংবাদ মাধ্যমৰ জৰিয়তে অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ লগতে স্বাস্থ্যমন্ত্ৰীক কাতৰেৰে অনুৰোধ জনাইছে। কোনো সদাশয় লোক অথবা স্বেচ্ছাসেৱী সংগঠনে কিশোৰটোৰ চিকিৎসাৰ ক্ষেত্ৰত যিকোনো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বিচাৰিলে মানৱ বৰাৰ পিতৃৰ লগত ম'বাইল নম্বৰ ৭০৮৬৭৮২০০৪ত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। উপযুক্ত চিকিৎসা লাভ কৰিলেই কিশোৰটো সম্পূৰ্ণৰূপে সুস্থ হৈ উঠিব বুলি পিতৃ-মাতৃৰ লগতে স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।

# ৰঙাপৰাত অসম চাহ মজদুৰ সংঘৰ কাৰ্যনিৰ্বাহক সভা



বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২০ ফেব্ৰুৱাৰী ঃ** অসম চাহ মজদুৰ সংঘ তেজপুৰ শাখাৰ কাৰ্যকৰী সমিতিৰ বছৰটোৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা সংঘৰ ৰঙাপৰাস্থিত কাৰ্যালয়ত যোৱা ১৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়। তেজপুৰ শাখা সংঘৰ স্থায়ী সভাপতি মাধৱ ভূমিজৰ সভাপতিত্ব অনুষ্ঠিত সভাত উপস্থিত থাকে শাখা সমিতিৰ উপদেষ্টা ৰঙাপৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক ভীমানন্দ তাঁতী, শাখাৰ উপ-সভাপতি-সভানেত্ৰী ক্ৰমে বিদবাচ বাগ আৰু হীৰামণি শইকীয়া, ভাৰপ্ৰাপ্ত সম্পাদক সুনীল টুটী, কাৰ্যালয় সম্পাদক অমিয় বৰঠাকুৰ, গাণনিক গজেন শইকীয়া, সংগঠক অনিল কন্ধৰ লগতে কাৰ্যকৰী সমিতিৰ সমূহ সদস্য-সদস্যাসকল। সভাত সংঘক মজবুত কৰাৰ উপৰি চাহ বাগিচা অঞ্চলত শৈক্ষিক উন্নয়ন, মহিলা সৱলীকৰণৰ বাবে নৈশ শিক্ষা প্ৰদানৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হয়। সভাত সংঘক আৰু অধিক শক্তিশালী কৰিবলৈ প্ৰতিগৰাকী সদস্যক আহ্বান জনোৱা হয়।

# মুছলপুৰত অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২০ ফেব্ৰুৱাৰী ঃ** কালি সন্ধিয়া মুছলপুৰত এক অগ্নিকাণ্ডৰ সংঘটিত হয়। মুছলপুৰ শংকৰদেৱ শিশু নিকেতনৰ সন্মুখত থকা চৌধুৰী এণ্টাৰপ্ৰাইজ নামৰ হাৰ্ডৱেৰ দোকানখনৰ ভিতৰত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। বন্ধ হৈ থকা দোকানখনত ভিতৰত কেনেকৈ জুই লাগিল তাৰ সঠিক কাৰণ উদ্ধাৰ হোৱা নাই যদিও স্থানীয় লোকে শ্বৰ্ট চাৰ্কিটৰ ফলতে জুই লগা বুলি সন্দেহ কৰিছে। ঘটনাৰ খবৰ পাই দুখন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি জুই নিৰ্বাপিত কৰে।

# শিৱসাগৰৰ বকতাত ছাগলীচোৰ ধৃত

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ বকতাত কালি দুজন ছাগলী চোৰ হাতে-লোটে ধৰা পৰে। শলগুৰি অঞ্চলৰ দুৰ্লভ ফুকনৰ এজনী ক'লী ছাগলী দুজন লোকে ধৰি এখন বিলাসী বাহনত উঠাই লৈ যোৱা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি পিছে পিছে খেদি আহি পাটসাঁকো তিনিআলিত স্থানীয় ৰাইজৰ সহযোগত ধৰি নেমুগুৰি আৰক্ষীক গতাই দিয়ে। এএছ-০৪ জি-২৫৬৫ নম্বৰৰ চোৰকেইজনৰ বাহনখনৰ ভিতৰত আন এটা ছাগলী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। লগতে ছাগলী চোৰ কৰিবলৈ ব্যৱহাৰ কৰা বিস্কুটৰ পেকেট পৰ্যন্ত বাহনখনৰ ভিতৰৰ পৰা উদ্ধাৰ হয়। চোৰকেইজনৰ এজন মৰাণৰ বামুণবাৰীৰ হিতেশ আৰু আনজন ডিব্ৰুগড় নালিয়াপুৰৰ নচিম আলী।

# গোৱালপাৰাত ধপাত বিৰোধী সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২০ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা জিলা ধঁপাত নিয়ন্ত্ৰণ কোষ আৰু জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত স্বেচ্ছাসেৱী সংগঠন স্বৰাজ ৱেলফেয়াৰ ফাউণ্ডেছনে কালি গোৱালপাৰা চহৰৰ দুখনকৈ উচ্চ মাধ্যমিক বিদ্যালয়ত 'চেনচিটাইজেছন প্ৰগ্ৰেম এণ্ড ইয়েলো লাইন কমপেন অন টোবাক্কো এণ্ড ইল এফেক্টছ' শীৰ্ষক সজাগতা সভা অনুষ্ঠিত কৰে। গোৱলাপাৰা হাইমাদ্ৰাছা প্ৰাংগণত অনুষ্ঠিত সজাগতা সভাত জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ নডেল বিষয়া ডাঃ হৃষিকেশ কলিতা আৰু মাদ্ৰাছাখনৰ অধীক্ষক গোলাপ হুছেইনে ধঁপাত সেৱনৰ ফলত হ'ব পৰা বিভিন্ন বেমাৰ-আজাৰৰ বিষয়ে বহলাই বক্তব্য ৰাখে। ইপিনে, এমকেএন মেম'ৰিয়েল হাইস্কুলত অনুষ্ঠিত সজাগতা সভাত স্বৰাজ ৱেলফেয়াৰ ফাউণ্ডেছনৰ সম্পাদক আব্দুল মজিদৰ লগতে বিদ্যালয়খনৰ সহকাৰী শিক্ষক আকবৰ আলীয়ে বিষয়বস্তুৰ ওপৰত ভাষণ প্ৰদান কৰে। দুয়োখন বিদ্যালয়ৰ ভালে সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সজাগতা সভা দুখনত উদ্দেশ্য ব্যাখ্যা কৰে স্বেচ্ছাসেৱী সংগঠনটোৰ সম্পাদক আব্দুল মজিদে। উল্লেখ্য যে একেই উদ্দেশ্যৰে জিলাখনৰ মুঠ ২২ খনকৈ শিক্ষানুষ্ঠানত সজাগতা সভা অনুষ্ঠিত কৰা হ'ব বুলি বিভাগীয় সূত্ৰে প্ৰকাশ।

# শিৱসাগৰত নকল নাম লৈ ভেজাল মৌজোলৰ ব্যৱসায়

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰৰ এটি দম্পতীয়ে নকল নাম লৈ ভেজাল মৌজোল বিক্ৰী কৰি থকা কাৰ্যই ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আকবৰ আলী আৰু হাচিনা বেগম নামৰ দম্পতীয়ে নগৰৰ দীপ ল'জত থাকি লখিমপুৰৰ পৰা অহা বুলি নিজকে ললিতা আৰু গুৱালা নামেৰে পৰিচয় দি জিলাখনত এই অসাধু ব্যৱসায় চলাই আহিছে। তেওঁলোকে ৰাইজক শুকান চাক দেখুৱাই ডিব্ৰুগড়ৰ ফুলবাগানৰ পৰা মৌজোল অনা বুলি আভুৱা ভাঁৰি অহাৰ কথা ওলাই পৰাত বিপদত পৰিছে। লিটাৰত ছশ টকাকৈ মৌজোল বিক্ৰী কৰি থকাত সন্দেহ হোৱাত ৰাইজে জেৰা কৰাত এই দম্পতী উত্তৰ প্ৰদেশৰ পৰা আহি এনেদৰে ভেজাল মৌজোল বিক্ৰী কৰি আহিছে। উল্লেখ্য যে ঘটনা সন্দৰ্ভত ৰাইজ অৱগত হোৱাত মৌজোল বেপাৰী ছদ্মবেশী আকবৰ আলী আৰু হাচিমা বেগমে পলায়ন কৰে।

# দেপালচোং পুথিমাৰী সংযোগী কাঠৰ দলং মৰণফান্দিত পৰিণত

অগ্ৰদূত বাৰ্তা

**আগিয়া, ২০ ফেব্ৰুৱাৰী ঃ** চৰকাৰে গ্ৰাম্য অঞ্চলৰ উন্নয়নৰ দাবী কৰিলেও প্ৰকৃততে যে এনে অঞ্চলৰ উন্নয়ন সম্পূৰ্ণৰূপে হোৱা নাই সেয়া স্পষ্ট হয় গোৱালপাৰা পশ্চিম সমষ্টিৰ দদান পঞ্চায়ত অঞ্চলৰ গ্ৰাম্য অঞ্চলসমূহ প্ৰত্যক্ষ কৰিলে। দদান পঞ্চায়তৰ অন্তৰ্গত দেপালচোং পুথিমাৰী প্ৰাইমাৰী গাঁও, মাঘা আদি গাঁও সংযোগী পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ অৱস্থা তথৈবচ। দীৰ্ঘ বছৰৰ পৰা পথছোৱা মেৰামতি



নকৰাৰ ফলত যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈছে।

ইপিনে, ভূতৰ ওপৰত দানহ পৰাদি উক্ত পথৰ জিঞ্জীৰাম নদীৰ ওপৰত থকা কাঠৰ দলংখন সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ সম্প্ৰতি মৰণ ফাণ্ডলৈ পৰ্যবসিত হোৱাত স্থানীয় ৰাইজে যাতায়াতৰ নামত নৰক যন্ত্ৰণা ভুগিবলগীয়া হৈছে। বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন যাতায়াত দুৰ্বিষহ হৈ পৰিছে। লগতে জৰুৰীকালীন চিকিৎসাৰ বাবে এম্বুলেঞ্চ সোমাব নোৱাৰাত বিশেষকৈ গৰ্ভৱতী মহিলা বা প্ৰসূতি মাতৃৰ চিকিৎসাৰ নামত ৰাইজে সীমাহীন যন্ত্ৰণা ভোগ কৰি আহিব লগাত পৰিছে।

সেয়ে উক্ত পথ আৰু দলং শীঘ্ৰে পকীকৰণ কৰিবলৈ ৰাইজে চৰকাৰক দাবী জনাইছে।

# যোৰহাটত বিয়ানাম প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২০ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ সদৰ লাচিত নগৰ মহিলা সমিতিৰ উদ্যোগত জিলা ভিত্তিত এখন বিয়ানাম প্ৰতিযোগিতাৰ আয়োজন কৰিছে। অহা ১৩ মাৰ্চত লাচিত নগৰস্থিত মহিলা সমিতিৰ কাৰ্যালয় প্ৰাংগণত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ ভৰ্তি মাচুল দুশ টকা। প্ৰতিটো দলত ছয়গৰাকীলৈ প্ৰতিযোগীয়ে অংশ ল'ব পাৰিব। বিজয়ী দলক নগদ ধন আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব। ইচ্ছুক প্ৰতিযোগীসকলে ৮৬৩৮২১৭৯০২ আৰু ৮৮৭৬১৯৪০৪৯ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

# কাঠফুলাৰ খেতিত নিবনুৱাক আত্মনিয়োগ কৰিবলৈ আহ্বান

■ হাজোৰ টোক্ৰাদিয়াত ৰাইজৰ বিভিন্ন সমস্যাৰ বুজ ল'লে বিধায়িকাই

অগ্ৰদূত বাৰ্তা,

**হাজো ২০ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই কালি হাজো সমষ্টিৰ ক্ষেত্ৰিহাৰদিয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত টোক্ৰাদিয়াত উপস্থিত হৈ ৰাইজৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লগতে আত্মসহায়ক গোটৰ সদস্যাসকলৰ স'তে মতবিনিময় কৰে। এই উদ্দেশ্যে কালি পুৱা ১১ বজাত উজান টোক্ৰাদিয়া নামঘৰ প্ৰাংগণত এখন সভা অনুষ্ঠিত হয়। ক্ষেত্ৰিহাৰদিয়া গাঁও পঞ্চায়তৰ সভাপতি মৃণাল কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত গাঁওখনৰ কে'বা গৰাকী বিশিষ্ট ব্যক্তিয়ে তেওঁলোকৰ বিভিন্ন সমস্যা সন্দৰ্ভত বিধায়িকাগৰাকীক অৱগত কৰে। সভাত ৰাইজৰ বিভিন্ন সমস্যাৰ বুজ লৈ বিধায়িকা গৰাকীয়ে কয় অহা দুবছৰৰ ভিতৰত ৰাইজৰ সমস্যাসমূহ দূৰ কৰাৰ লগতে মহিলা আত্মসহায়ক গোটৰ সদস্যাসকলক স্বাৱলম্বী কৰাৰ বাবে দুটা উন্নত জাতৰ ছাগলী প্ৰদান কৰা হ'বনিবনুৱা যুৱকসকলক চৰকাৰী চাকৰিৰ পাছে পাছে দৌৰি নুফুৰি কাঠফুলা খেতিত আত্মা নিয়োগ কৰিবলৈ তেওঁ আহ্বান জনায়। এই ক্ষেত্ৰত চৰকাৰীভাৱে সহায়-সহযোগ আগবঢ়াব বুলি প্ৰকাশ কৰে। এই সভাতে বিধায়িকা গৰাকীয়ে টোক্ৰাদিয়া গাঁৱৰ আৰ্থিকভাৱে দুৰ্বল যোগেশ বৈশ্যক পৰিয়াল চলাই নিয়াৰ বাবে এখন ই-ৰিক্সা প্ৰদান কৰে। উল্লেখ্য যে যোগেশ বৈশ্যৰ একমাত্ৰ সন্তান কৃষ্ণ বৈশ্যক নগাঁৱত মাইক্ৰ'ফাইনেন্সৰ টকা সংগ্ৰহৰ যোৱাৰ সময়ত দুৰ্বৃত্তই হত্যা কৰাৰ পাছত নিঠৰুৱা হৈ পৰিছিল বৈশ্য। অনুষ্ঠানত অৱসৰী শিক্ষক ক্ৰমে ৰমেশ কলিতা, ৰমণী কলিতা, ক্ষেত্ৰিহাৰদিয়া গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য দামোদৰ মেধি,আৰক্ষী বিষয়া লীলাধৰ কলিতা, পীতাম্বৰ বৈশ্য প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ইফালে কালি বিয়লি বিধায়িকা হৰিপ্ৰিয়াই তিনি নম্বৰ পঞ্চতীৰ্থ জিলা পৰিষদৰ অধীনৰ ছহিদ খগেন ভৰালী গাঁও পঞ্চায়তৰ ৰামদিয়া মলিদাপাৰা ৰাইজৰ ভূমিত এম জি এনৰেগাৰ জৰিয়তে এটা ৰাজহুৱা পুখুৰী নিৰ্মাণৰ আৰম্ভ কৰে। ২০২১-২২ বিত্তীয় বৰ্ষৰ প্ৰায় ১৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা এই ৰাজহুৱা পুখুৰীৰ জৰিয়তে মীনপালন কৰি বহু নিবনুৱাৰ আত্মনিৰ্ভৰৰ পথ মুকলি হ'ব বুলি বিধায়িকাগৰাকীয়ে প্ৰকাশ কৰে। উক্ত অনুষ্ঠানত জিলা পৰিষদৰ সদস্য বিপুল দাস, হাজো উন্নয়ন খণ্ডৰ অভিযন্তা প্ৰশান্ত বৈশ্য, বিজেপিকৰ্মী ধৰ্মেশ্বৰ দাস, ভাস্কৰ ভৰালী, সমাজকৰ্মী প্ৰসন্ন মেধি, অৰূপ কাকতি প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# বালিচাঙত সাকোমঠা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ মণ্ডল সমিতি গঠন

বিশেষ সংবাদদাতা

**বিশ্বনাথ চাৰিআলি, ২০ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথৰ বালিচাং সমূহীয়া কালি ভৱনত বিশ্বনাথ জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ অন্তৰ্গত সাকোমঠা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ মণ্ডল সমিতি গঠন কৰা হয়। সৰ্বসন্মতি ক্ৰমে এই নতুন সমিতিৰ সভাপতিৰূপে নিৰ্বাচিত কৰা হয় সুৰেশ খোদালক, সম্পাদকৰ দায়িত্ব প্ৰদান কৰা হয় সুভাছ বাস্কেক। সমিতি গঠন অনুষ্ঠানত উপস্থিত থাকে বিশ্বনাথ জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি ডাঃ ৰঞ্জন গগৈ, সম্পাদক ভৰত কলিতা, প্ৰফুল্ল বৰঠাকুৰ, ৰঞ্জিত কলিতা, সমাজকৰ্মী ডালিম বৰা, প্ৰাক্তন শিক্ষক ৰত্নেশ্বৰ মহন্ত, ক্ষুদ্ৰ চাহ খেতিয়ক অধৰ কুৰ্মীৰ উপৰি পাভৈ, বালিচাং, চেলাইখাটি অঞ্চলৰ বহু সংখ্যক ক্ষুদ্ৰ চাহ খেতিয়ক।

# চামগুৰিত ৰহস্যজনক অৱস্থাত ছাত্ৰৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ২০ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰিৰ খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱা গাঁও আঞ্চলিক হাফিজীয়া মাদ্ৰাছাখনৰ প্ৰস্ৰাৱগাৰত যোৱা ১৯ ফেব্ৰুৱাৰীত এজন যুৱকৰ ৰহস্যজনক অৱস্থাত মৃতদেহ উদ্ধাৰ হয়। গেৰুৱা গাঁৱৰ ইৰফান পাঠান (১৪) নামৰ ছাত্ৰজনৰ মৃতদেহ গেৰুৱা গাঁও আঞ্চলিক হাফিজীয়া মাদ্ৰাছাখনৰ প্ৰস্ৰাৱগাৰত দুপৰীয়া চিপ লোৱা অৱস্থাত উদ্ধাৰ হয়। পৰৱৰ্তী সময়ত উক্ত ঘটনাটোৰ সন্দৰ্ভত ছাত্ৰজনৰ পৰিয়ালৰ লোকৰ লগতে স্থানীয় একাংশ লোক ঘটনাস্থলীত উপস্থিত হৈ এক উত্তপ্ত পৰিস্থিতি সৃষ্টি কৰে। ছাত্ৰজনৰ পৰিয়ালৰ লোকে মাদ্ৰাছাখনৰ এজন শিক্ষক আৰু এজন ছাত্ৰই মিলি হত্যা কৰাৰ অভিযোগ কৰাত দুই পক্ষৰ মাজত হতাহতিৰ সৃষ্টি হয়। ঘটনাৰ সন্দৰ্ভত পৰৱৰ্তী সময়ত খাটোৱাল আৰক্ষী থানাৰ আৰক্ষী দল ঘটনাস্থলীত উপস্থিত হৈ চিপ লোৱা অৱস্থাত ছাত্ৰজনৰ মৃতদেহ উদ্ধাৰ কৰে। লগতে ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। আনহাতে, চিপ লোৱা অৱস্থাত উদ্ধাৰ হোৱা ছাত্ৰজনে আত্মহত্যা কৰা বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰাৰ লগতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

# জম্মু-কাশ্মীৰত সেনা জোৱান বিশ্বজিত গগৈৰ ৰহস্যজনক মৃত্যু

**খুমটাই, ২০ ফেব্ৰুৱাৰী ঃ** জম্মু-কাশ্মীৰৰ নগ্ৰতাত কৰ্মৰত ভাৰতীয় সেনা বাহিনীৰ এজন জোৱানৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি গোলাঘাট জিলাৰ বাদুলিপাৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে গোলাঘাট জিলাৰ বাদুলিপাৰৰ গড়গুৰি গাঁৱৰ প্ৰয়াত অতুল গগৈৰ পুত্ৰ ভাৰতীয় সেনাত কৰ্মৰত বিশ্বজিত গগৈ নামৰ যুৱকজনৰ কৰ্মৰত অৱস্থাতে মৃত্যু ঘটে। পাছত শুকুৰবাৰে জোৱানজনৰ মৃতদেহ গড়গুৰি গাঁৱত আহি পোৱাৰ পাছতেই কান্দোনৰ ৰোল উঠে বিশ্বজিতৰ ঘৰত। নিহত বিশ্বজিতৰ পৰিয়াল তথা আত্মীয় কুটুমে এই মৃত্যুক ৰহস্যজনক বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰিছে। পৰিয়ালৰ লোকে বৃহস্পতিবাৰে দিনৰ ভাগতে জোৱানজনৰ কৰ্মৰত স্থানৰ পৰা তেওঁলোকক বিশ্বজিতৰ নিজৰ ছাৰ্ভিচ ৰাইফলৰ গুলি লাগি মৃত্যু ঘটা বুলি কোৱা হৈছিল। এনে পৰিস্থিতিত ভাৰতীয় সেনা জোৱানজনৰ আকস্মিক তথা ৰহস্যজনক মৃত্যুৱে অঞ্চলটোত সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। তাৎপৰ্যপূৰ্ণ বিষয় যে ২০১৭ত ভাৰতীয় সেনাত যোগদান কৰা বিশ্বজিতৰ মৃত্যু সম্পৰ্কে এতিয়ালৈকে সেনা বাহিনীৰ তৰফৰ পৰা কোনো আনুষ্ঠানিক তথ্য লাভ কৰা নাই বুলি পৰিয়ালৰ লোকে অভিযোগ কৰে। ইফালে অহা ১০ মাৰ্চত বিশ্বজিতৰ বিবাহৰ দিন ঠিক হৈ আছিল। ২২ ফেব্ৰুৱাৰীত নিজ বাসগৃহলৈ আহি বিবাহ আয়োজনৰ প্ৰস্তুতি চলাব বুলি মাতৃৰ স'তে টেলিফোনযোগে বাৰ্তালাপৰ পাছতো কিদৰে এজন জোৱানে আত্মহত্যাৰ দৰে চৰম পথ বাছি ল'লে এই কথা সহজভাৱে ল'ব পৰা নাই পৰিয়ালৰ লোকে। পিতৃৰ মৃত্যুৰ পাছত বিশ্বজিতৰ মাতৃয়ে অতি কষ্টৰে ডাঙৰ-দীঘল কৰি দুই পুত্ৰকে ভাৰতীয় সেনালৈ আগবঢ়াই পঠাইছিল। কিন্তু এতিয়া কনিষ্ঠ পুত্ৰই অকাল মৃত্যুক সাৱটি লোৱাত সমগ্ৰ অঞ্চলত শোকৰ ছাঁ পৰিছে।

# যোৰহাটত ১২০ টা মহিলা আত্মসহায়ক গোটক ঋণ প্ৰদান

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২০ ফেব্ৰুৱাৰী ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত যোৰহাট উন্নয়ন খণ্ডৰ ৫১ নম্বৰ বাঘচোং গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ১৮ ফেব্ৰুৱাৰীত আৰম্ভ হয় আত্মসহায়ক গোটসমূহক ঋণ প্ৰদান অনুষ্ঠানৰ। অসম চৰকাৰৰ মহিলা সৱলীকৰণ ক্ষেত্ৰত বহু আঁচনি গ্ৰহণ কৰিছে। তাৰ ভিতৰত আত্মসহায়ক গোটসমূহক বিশেষ ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত যোৰহাট বাঘচোং উন্নয়ন খণ্ডৰ পঞ্চায়ত কাৰ্যালয় প্ৰেক্ষাগৃহত ২৭ গাঁও পঞ্চায়ত সৰ্বমুঠ ১২০ টা মহিলা আত্মসহায়ক গোটক প্ৰায় এক কোটি ৫৬ লাখ ঋণ প্ৰদান কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে খণ্ড উন্নয়ন বিষয়া কৃতিকা শৰ্মাৰ লগতে বিভিন্ন বেংকৰ বিষয়াসকলে। উল্লেখ্য যে অনুষ্ঠানত গোটসমূহৰ বহু মহিলা উপস্থিত থাকে।



বাগ্‌সাত আয়োজিত মাঘী মেলাৰ সাংস্কৃতিক কাৰ্যসূচী, দেওবাৰে।

# ৰঙিয়া পৌৰসভাত ২২,২৫৯ জন ভোটাৰে নিৰ্ণয় কৰিব প্ৰাৰ্থীৰ ভাগ্য

■ পৌৰসভা নিৰ্বাচনৰ বাবে সাজু ৰঙিয়া মহকুমা প্ৰশাসন

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২০ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ ৭৯ টা পৌৰসভাৰ লগতে আগন্তুক ছয় মাৰ্চত ৰঙিয়া পৌৰসভাৰ ১০ টা ৱাৰ্ডত অনুষ্ঠিত হ'ব পৌৰ নিৰ্বাচন। নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পন্ন কৰিছে ৰঙিয়া জিলা নিৰ্বাচনী বিষয়া জাৱীৰ ৰাহুল সুৰেশে। যোৱা ১৮ ফেব্ৰুৱাৰীত তেওঁ মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক সংবাদমেলত এই কথা ঘোষণা কৰে। সংবাদমেলত ৰঙিয়া মহকুমা নিৰ্বাচনী বিষয়া ডঃ নীল হৰিৎ কৌশিক আৰু সহকাৰী আয়ুক্ত আল্লান বৈশ্য, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া হেমন্ত কুমাৰ শৰ্মাও উপস্থিত থাকে। সংবাদমেলত মহকুমাধিপতি জাৱীৰ ৰাহুল সুৰেশে কয় যে, এইবেলি প্ৰথমবাৰৰ বাবে পৌৰ নিৰ্বাচনত ব্যৱহাৰ কৰা হ'ব ইভিএম মেচিন। ৰঙিয়া পৌৰ সভাৰ ১০ টা ৱাৰ্ডৰ ভিতৰত ২৩ টা ভোট গ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। এই ভোট কেন্দ্ৰ সমূহৰ ভিতৰত ২১ টা ৰঙিয়া বিধানসভা সমষ্টিৰ আৰু দুটা কমলপুৰ বিধানসভা সমষ্টি এলেকাৰ অন্তৰ্গত ভোটগ্ৰহণ কেন্দ্ৰ। ইয়াৰে এটা ভোট গ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোট গ্ৰহণ কেন্দ্ৰৰূপে গঢ়ি তোলা হ'ব। ৰঙিয়াৰ ১০ টা ওৱাৰ্ডত সৰ্বমুঠ ভোটাৰৰ সংখ্যা হ'ল ২২২৫৯ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ আছে ১০৯৮১ জন আৰু মহিলা ভোটাৰ আছে ১১২৭৮ গৰাকী অহা ছয় মাৰ্চত পুৱা আঠ বজাৰ পৰা আবেলি চাৰি বজালৈ প্ৰাৰ্থীসকলৰ ভাগ্য নিৰ্ণয়ৰ বাবে অনুষ্ঠিত হ'ব ভোট গ্ৰহণ। ন মাৰ্চত ভোট গণনা কৰা হ'ব। ২০ ফেব্ৰুৱাৰীৰ পৰা তিনিটা পৰ্যায়ত প্ৰিজাইডিং আৰু পোলিং বিষয়া সকলৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ সময়ত যাতে দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলে সুকলমে ভোটদান কৰাত কোনো বাধাৰ সৃষ্টি নহয় তাৰ বাবে ভোট কেন্দ্ৰসমূহত স্বেচ্ছাসেৱক স্বেচ্ছোসেৱিকাক নিয়োজিত কৰাৰ উপৰিও বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে মহকুমাধিপতিজনে। ইতিমধ্যে পৌৰসভা নিৰ্বাচনৰ পৰ্যবেক্ষক প্ৰবীৰ কুমাৰ দত্তই ৰঙিয়াত আহি উপস্থিত হৈছে। নিৰ্বাচন সন্দৰ্ভত যি কোনো তথ্য তথা ওজৰ আপত্তিৰ ক্ষেত্ৰত তেওঁক ৰঙিয়া মহকুমাধিপতিৰ কাৰ্যালয়ত সাক্ষাৎ কৰাৰ বাবে সাধাৰণ ৰাইজক অনুৰোধ জনোৱা হৈছে। ৰপ্ত ফেব্ৰুৱাৰীলৈ মনোনয়ন পত্ৰ দাখিল কৰে ৩২ গৰাকী প্ৰাৰ্থীৰ ভিতৰত এক নম্বৰ ৱাৰ্ডত চাৰি গৰাকী, দুই নম্বৰ ৱাৰ্ডত পাঁচগৰাকী, তিনি নম্বৰ ৱাৰ্ডত দুগৰাকী, চাৰি নম্বৰ ৱাৰ্ডত দুগৰাকী, পাঁচ নম্বৰ ৱাৰ্ডত চাৰি গৰাকী, ছয় নম্বৰ ৱাৰ্ডত দুগৰাকী, সাত নম্বৰ ৱাৰ্ডত, তিনি গৰাকী, আঠ নম্বৰ ৱাৰ্ডত, তিনিগৰাকী, আঠ নম্বৰ ৱাৰ্ডত চাৰি গৰাকী আৰু দহ্ম নম্বৰ ৱাৰ্ডত তিনিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ইয়াৰে আটাইকেইটা মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হৈছে। আনহাতে ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত গৰাকীয়ে পৌৰসভা নিৰ্বাচন স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰে।

# যোৰহাট জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ পৰাই স্কুটী চুৰি

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২০ ফেব্ৰুৱাৰী ঃ** জিলা উপায়ুক্ত কাৰ্যালয়ৰ ৰাতুল দত্ত নামৰ কৰ্মচাৰীজনৰ যোৱা ১৮ ফেব্ৰুৱাৰীত দিনত নিজা এএছ-০৩ ডব্লিউ-৬১৩৫ নম্বৰৰ বগা ৰঙৰ স্কুটীখন উপায়ুক্ত কাৰ্যালয়ৰ ষ্টেণ্ডত ৰাখি থোৱা অৱস্থাতে চুৰি হয়। ন-আলি ঢেকিয়াজুলি কাঁহৰগাঁৱৰ নিৱাসী তথা উপায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীজনে পূৰ্বৰ দৰেই উক্ত দিনাও পুৱাৰ ভাগতেই উপায়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ ষ্টেণ্ডত স্কুটিখন ৰাখি থৈ কৰ্মব্যস্ত হয়। বিয়লি তিনি বজাত ষ্টেণ্ডত নিজা স্কুটীখন নেদেখি হুৱাদুৱা লগাই আৰু জিলা উপায়ুক্তক বিষয়টো অৱগত কৰাৰ লগতে যোৰহাট সদৰ থানাত এজাহাৰ দিয়ে। আশ্চৰ্য বিষয় যে স্বয়ং জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত দিনে-নিশাই আৰক্ষী প্ৰশাসনৰ লোকে গেটত ৰখীয়া হিচাপে টহল দি থকা সত্ত্বেও কেনেদৰে উপায়ুক্ত কাৰ্যালয়ৰ পৰা স্কুটীখন চুৰি হ'ল ইয়াকে লৈ ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# প্ৰশাসনৰ অনুমতি অবিহনে শিৱসাগৰ বৰপুখুৰীত মেলিলে এক কুইণ্টল শিঙি মাছ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** ধৰ্মীয় বিশ্বাসৰ ৰীতি-নীতি পালন কৰিবলৈ গৈ ঐতিহাসিক শিৱসাগৰ বৰপুখুৰীত অৰুণাচলৰ একাংশ লোকে এশ কেজি শিঙি মাছ মেলি দিয়াক লৈ বিভিন্ন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সামাজিক মাধ্যমত প্ৰকাশ পোৱা এটা ভিডিঅ' অনুসৰি, অৰুণাচল প্ৰদেশৰ মেওৰ পৰা অহা বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ এটা দলে দালাই লামাৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে বিশ্বশান্তিৰ বাবে ৬০ হেজাৰ টকাৰে ক্ৰয় কৰা এক কুইণ্টল শিঙি মাছ শিৱসাগৰ বৰপুখুৰীত মেলি দিয়ে। ধৰ্মীয় দৃষ্টিকোণৰ পৰা এই কাৰ্য পুণ্যৰ হ'লেও ঐতিহাসিক শিৱসাগৰ বৰপুখুৰীৰ প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ দিশৰ পৰা কিমান যুক্তিপূৰ্ণ বুলি সচেতন মহলে সমালোচনা কৰিছে। উল্লেখ্য যে প্ৰায় তিনি শতিকাৰ পুৰণি শিৱসাগৰ বৰপুখুৰীৰ এক প্ৰাকৃতিক জৈৱ-বৈচিত্ৰ্য আছে। শ শ বছৰ ধৰি এই পুখুৰীত প্ৰাকৃতিকভাৱে উৎপন্ন হোৱা জলজ জীৱৰ লগতে জলজ উদ্ভিদো উৎপন্ন হৈ আহিছে। মাছ ধৰাত বাধা থকা শিৱসাগৰ বৰপুখুৰীৰ জৈৱ-ভাৰসাম্য প্ৰাকৃতিকভাৱে শ শ বছৰ ধৰি সুস্থিৰ হৈ আহিছে। এনে পৰিস্থিতিত হঠাৎ একে সময়তে ইমান বৃহৎসংখ্যক মাছ পুখুৰীটোত মেলি দিয়াৰ ফলত পুখুৰীৰ জীৱকুলৰ ভাৰসাম্য ৰক্ষাত আউল লাগিব নেকি বুলিও কেতবোৰ প্ৰশ্নৰ অৱতাৰণা হৈছে। শিৱসাগৰ জিলাৰ তদানীন্তন মীন বিষয়া প্ৰেমধৰ ডেকাই শিৱসাগৰ বৰপুখুৰীত বৃহৎসংখ্যক মাছ মেলাক লৈ মন্তব্য কৰি কয় যে এনে ঘটনাৰ ফলাফল কি হ'ব সেয়া শিৱসাগৰ বৰপুখুৰীত বৰ্তমানে থকা জীৱকুলৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰিব। যদি বৰপুখুৰীটোত প্ৰাকৃতিকভাৱে উৎপন্ন হোৱা জলজ জীৱৰ উপৰি আন নতুন জলজ জীৱৰ বাবে পৰ্যাপ্ত ঠাই আছে তেন্তে বিশেষ কোনো প্ৰভাৱ নপৰে। কিন্তু শিৱসাগৰ বৰপুখুৰীত যোৱা 14 ফেব্ৰুৱাৰীত এৰি দিয়া মাছৰ প্ৰজাতি কি সেয়া অতি গুৰুত্বপূৰ্ণ বিষয়। যদি তেওঁলোকে থলুৱা প্ৰজাতিৰ শিঙি মাছেই এৰিছে তেন্তে বিশেষ চিন্তাৰ কাৰণ নাই। এই প্ৰজাতিৰ মাছ পুখুৰীৰ তলৰ বোকাত থাকে আৰু বোকাৰ পৰাই অক্সিজেনো গ্ৰহণ কৰে। কিন্তু থলুৱা শিঙি মাছৰ বদলি যদি হাইব্ৰীড মাছ এৰিছে তেন্তে পৰিণাম ভয়াবহ হ'ব। আজিৰ দিনত একেলগে যিকোনো ঠাইত এক কেজি শিঙিমাছ লাভ কৰিবলৈ অসুবিধা, তেনে অৱস্থাত একেলগে এশ কেজি শিঙি মাছ লাভ কৰাটো সহজসাধ্য নহয়। থলুৱা শিঙি মাছ বুলি যদি থাইলেণ্ড মাগুৰ মাছৰ পোনা মেলি দিয়া হৈছে তেন্তে শিৱসাগৰ বৰপুখুৰীৰ জীৱকুলৰ বাবে ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হ'ব। কেৱল শিৱসাগৰ বৰপুখুৰীৰ বাবেই নহয়, বাৰিষাৰ সময়ত শিৱসাগৰ বৰপুখুৰীৰ পৰা বাহিৰ ওলাই কাষৰীয়া বিল-জলাহতো আন জীৱকুলৰ বাবে এই প্ৰজাতিৰ মাছে বিপদ মাতি আনিব। এই প্ৰজাতিৰ মাছে এফালৰ পৰা আন মাছ-কাছবোৰ খাই যাব। তেওঁ অনতিপলমে শিৱসাগৰ বৰপুখুৰীত এৰা মাছৰ প্ৰজাতি নিৰ্ধাৰণ কৰিবলৈ পৰামৰ্শ দিয়ে। একেদৰে 'আৰণ্যক' নামৰ প্ৰকৃতি আৰু বন্যপ্ৰাণী সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থাটোৱে এনে কাম শিৱসাগৰ বৰপুখুৰীৰ জৈৱ-বৈচিত্ৰ্যৰ ভাৰসাম্যৰ কাৰণে বিপদজনক বুলি অভিহিত কৰে। আশ্চৰ্যৰ বিষয় যে শিৱসাগৰ বৰপুখুৰীত ইমান বৃহৎসংখ্যক মাছ মেলাৰ সন্দৰ্ভত অৱগত নহয় জিলা প্ৰশাসন। জিলাৰ উপায়ুক্ত মেঘ নিধি দাহালে এই বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এইদৰে বৰপুখুৰীত মাছ মেলিবলৈ শিৱসাগৰ জিলা প্ৰশাসনৰ পৰা কোনোধৰণৰ অনুমতি গ্ৰহণ কৰা নাই। জিলা প্ৰশাসনৰ অজ্ঞাতে এই কাম হোৱা বুলি তেওঁ উল্লেখ কৰি এই সন্দৰ্ভত বৰপুখুৰীৰ জৈৱ-বৈচিত্ৰ্যত কিবা অপকাৰ হ'ব পাৰে নেকি সেই বিষয়ে বিশেষজ্ঞৰ লগত আলোচনা কৰা হ'ব বুলি কয়। অনাগত দিনত প্ৰশাসনৰ অনুমতি অবিহনে শিৱসাগৰ বৰপুখুৰীত কোনো লোকে কোনো জলজ জীৱ এৰিব নোৱাৰাৰ এক আদেশ জাৰি কৰিব বুলিও তেওঁ অৱগত কৰে। আনহাতে, শিৱসাগৰ বৰপুখুৰী যদিও শিৱসাগৰ জিলা প্ৰশাসনৰ তত্বাৱধানত আছে তথাপি এই বৰপুখুৰীৰ সন্দৰ্ভত শিৱসাগৰ দ'ল উন্নয়ন সমিতি অধিক তৎপৰ। এনেদৰে কুইণ্টল হিচাপত মাছ মেলাৰ বাবে দ'ল উন্নয়ন সমিতিয়ে অনুমতি দিছে বুলি একাংশ লোকে সন্দেহ প্ৰকাশ কৰিছে। বৰপুখুৰীত মেলি দিয়া বৃহৎসংখ্যক মাছ থলুৱা শিঙি প্ৰজাতিৰ হ'লে চিন্তাৰ কোনো কাৰণ নাই যদিও হাইব্ৰীড শিঙিমাছ হ'লে মাত্ৰ তিনিমাহৰ ভিতৰত শিৱসাগৰ বৰপুখুৰীৰ আন জীৱকুল নিঃশেষ হৈ যাব।



*নাহৰকটীয়াত ৯১ সংখ্যক শ্ৰীমন্ত শংকৰ সংঘৰ বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি, দেওবাৰে।*

## চিৰাং জিলা মহিলা সমিতিৰ সম্পাদিকা বীণাপানি ৰায়ৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২০ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলা মহিলা সমিতিৰ সম্পাদিকা বীণাপানি ৰায়ৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে কোকৰাঝাৰ-চিৰাং জিলা সন্মিলিত মহিলা সমিতিয়ে। জিলাখনৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী বিজয়গাঁও নিবাসী সৰবৰহী মহিলাগৰাকীৰ যোৱা আঠ ফেব্ৰুৱাৰীত মৃত্যু হয়। নেত্ৰীগৰাকীৰ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰাৰ উদ্দেশ্যে প্ৰয়াত নেত্ৰীগৰাকীৰ বাসগৃহত সদল-বলে উপস্থিত হয় কোকৰাঝাৰ-চিৰাং জিলা সন্মিলিত মহিলা সমিতিৰ নেতৃবৃন্দ। কোকৰাঝাৰ-চিৰাং জিলা সন্মিলিত মহিলা সমিতিৰ সভানেত্ৰী অলকা মেধিৰ নেতৃত্বত প্ৰচাৰ সম্পাদিকা প্ৰণতি ৰায় দাস, সদস্যা প্ৰীতিলতা কলিতা, মনোৰমা ৰায়, বিনিতা মেধি, শ্ৰীমলা ৰায়, আঘোণী ৰায়, দেৱলা ৰায়, নীলকান্ত ৰায় ইত্যাদি বিষয়ববীয়া, সদস্যাৰ উপৰি সহানুভূতিশীল ব্যক্তিৰ উপস্থিতিত পৰিয়ালৰ লোকক সাক্ষাৎ কৰি গভীৰ শোক প্ৰকাশ কৰে।

## মিছ ব্ৰাভুৰাৰ খিতাপ দিব্যাংগী

*১২ পৃষ্ঠাৰ পৰা* ঠাকুৰীয়াই (নলবাৰী) দ্বিতীয় স্থান আৰু ফাৰহানা নাজনিন (গুৱাহাটী) তৃতীয় স্থান দখল কৰে। পূৰ্বোত্তৰ ইনষ্টিটিউট অফ পাৰ্চন দিছেব্লিটি (প্ৰতিবন্ধী) অন্যতম সদস্যা কল্পনা ৰাজকুমাৰৰ তত্বাৱধানত অংশগ্ৰহণ কৰা সৌন্দৰ্য প্ৰতিযোগিতাৰ শ্ৰেষ্ঠত্বৰ খিতাপ লাভ কৰা উপাসনা ভট্টাচাৰ্য জামগুৰিহাটৰ ধলাইবিলৰ দীপেন ভট্টাচাৰ্য আৰু নৱনীতা ভট্টাচাৰ্যৰ কন্যা।

## বিশ্বনাথত পৌৰসভাৰ নিৰ্বাচনৰ বাবে

*১২ পৃষ্ঠাৰ পৰা* কৰিব লগা বিষয়া-কৰ্মচাৰীসকলৰ দ্বিতীয় লানি প্ৰশিক্ষণ কাৰ্যসূচী অহা ২৮ ফেব্ৰুৱাৰী আৰু দুই মাৰ্চত অনুষ্ঠিত হ'ব। উল্লেখ্য যে এইবাৰ পৌৰসভাৰ নিৰ্বাচন ইলেক্ট্ৰনিক ভোটিং মেচিনৰ দ্বাৰা অনুষ্ঠিত হ'ব আৰু দুখন পৌৰসভাৰ ভোট গ্ৰহণৰ বাবে নিয়োজিত হ'ব ১৩২ গৰাকী বিষয়া-কৰ্মচাৰী। প্ৰণিধানযোগ্য যে বিশ্বনাথ চাৰিআলি পৌৰসভাৰ বাবে মুঠ ১২ টা ৱাৰ্ডত মুঠ ১৪৯০৯জন ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ৭২১৭জন পুৰুষ আৰু ৭৬৯২ গৰাকী মহিলা ভোটাৰ। আনহাতে, প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব লগা চতিয়া পৌৰসভাৰ নিৰ্বাচনৰ বাবে মুঠ ১০ টা ৱাৰ্ডত মুঠ ৯৭৭৪জন ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ৪৮১২ জন পুৰুষ আৰু ৪৯৬২ গৰাকী মহিলা ভোটাৰ।

## অইল ইণ্ডিয়া লিমিটেডৰ ৬৩ সংখ্যক

*১২ পৃষ্ঠাৰ পৰা* উৎপাদন লক্ষ্য আহৰণ আৰু বৰ্তাই ৰাখিবলৈ সক্ষম। অইলৰ আৱাসিক মুখ্য বিষয়া প্ৰশান্ত বৰকাকতিয়ে কয় যে অইল ইণ্ডিয়া লিমিটেডে নতুন প্ৰযুক্তিৰ আৱেশ কৰিবলৈ আৰু ব্যৱসায়িক কৰ্মৰ পৰিসৰ তাৎপৰ্যপূৰ্ণভাৱে বহল কৰিবলৈ উচ্চ পদক্ষেপ অব্যাহত ৰাখিব, যি প্ৰতিষ্ঠানটোক কেৱল ব্যৱসায়িক সফলতাৰ নতুন শিখৰলৈ নিয়াই নহয়, নিয়োগ সৃষ্টি, সন্মিলিত উদ্যমিতা প্ৰসাৰ আৰু ৰাজহুৱা বস্তুৰ বিতৰণৰ জৰিয়তে অসমৰ ৰাইজৰ কল্যাণৰ ক্ষেত্ৰত অৰিহণা যোগাব।

## জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ সিদ্ধান্তক লৈ

*১২ পৃষ্ঠাৰ পৰা* খৰ্ব কৰি ৰাজ্য চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ জীৱনক লৈ হেতালি খেলাৰ মনোবৃত্তি পৰিহাৰ কৰিবলৈ সন্মিলনে দাবী জনাইছে। এনে অদূৰদৰ্শী ব্যৱস্থাৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে প্ৰমাণপত্ৰ পোৱাত যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব। তদুপৰি ডিজিটেল ৰূপত অৰ্থনৈতিকভাৱে অনুন্নত প্ৰমাণপত্ৰ প্ৰাপ্তিত জনসাধাৰণে বৰ্তমানে প্ৰায় ডেৰমাহ পৰ্যন্ত অপেক্ষা কৰিবলগীয়া হয়। অনলাইন ব্যৱস্থাৰ বিসংগতিৰ বাবেই এনে ধৰণে ছাত্ৰ-ছাত্ৰীসকলে জীয়াতু ভুগিবলগীয়া হৈছে। চৰকাৰী ব্যৱস্থাৰ যোগেদি জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ যি সিদ্ধান্ত বিভাগীয় মন্ত্ৰীয়ে ঘোষণা কৰিছে তাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে দুৰ্দশা ভুগিব লাগিব বুলি স্মাৰকপত্ৰত উল্লেখ কৰিছে। পিছপৰা শ্ৰেণী ছাত্ৰ-ছাত্ৰীসকলৰ সংৰক্ষণ ব্যৱস্থা প্ৰৱৰ্তনত যাতে বাধাৰ সন্মুখীন নহয় তাৰ বাবে জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ ক্ষেত্ৰত লোৱা চৰকাৰী হঠকাৰী সিদ্ধান্ত তৎকালীনভাৱে প্ৰত্যাহাৰ কৰি অন্যান্য পিছপৰা শ্ৰেণীক আগৰ দৰে দায়িত্ব প্ৰদানৰ ব্যৱস্থা কৰিবলৈ সন্মিলনে দাবী জনাইছে।

## গহপুৰৰ চিত্ৰবন শাখা সাহিত্য সভাৰ

*১২ পৃষ্ঠাৰ পৰা* সভাৰ উপ-সভাপতি তথা কবি, নাট্যকাৰ দিলীপ কুমাৰ শৰ্মাই। বন্তি প্ৰজ্বলন কৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা স্মৃতি উদ্যানত থকা নামঘৰৰ নামঘৰীয়া তুলেশ্বৰ বৰাই। ইয়াৰ পাছতে উদ্যানখনত থকা ছহিদ কনকলতা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসৰ মূল সভাত সভাপতিত্ব কৰে চিত্ৰবন শাখা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাই। গহপুৰৰ উদীয়মান সাহিত্যসেৱী তথা চিত্ৰবন শাখা সাহিত্য সভাৰ সম্পাদক বিনোদ আত্ৰেয়ই আঁতৰণি সভাখনত বিশ্বনাথ জিলা সাহিত্য সভাৰ উপ-সভাপতি দিলীপ কুমাৰ শৰ্মাই, চিত্ৰবন শাখা সাহিত্য সভাৰ উপ-সভাপতি অতুল শইকীয়া, চিত্ৰবন শাখা সাহিত্য সভাৰ পত্ৰিকা উপ-সমিতিৰ আহ্বায়ক খগেন সন্দিকৈ, সমাজ সেৱক ফণী ফুকনসহ একাধিক বিশিষ্ট ব্যক্তিয়ে শুভেচ্ছাপূৰ্ণ বক্তব্য প্ৰদান কৰে। সকলো বক্তাই চিত্ৰবন শাখা সাহিত্য সভাই সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ বাবে বিগত সময়ছোৱাত নিৰলসভাৱে ৰূপায়ণ কৰি অহা বিভিন্ন কাৰ্যসূচী তথা পদক্ষেপৰ শলাগ লোৱাৰ লগতে শাখা সাহিত্য সভাৰ উজ্জ্বলতৰ ভৱিষ্যত কামনা কৰে। প্ৰতিষ্ঠা দিৱসৰ সভাখনত জ্যোতি আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দুৰ্গা উপাধ্যায়, জগত ফুকন, লক্ষণ প্ৰধান, কবি-লেখিকা শেৱালি কলিতা বৰা, সমাজকৰ্মী লেখনাথ মিশ্ৰসহ একাধিক ব্যক্তি উপস্থিত থাকে।

## ভোটাৰৰ প্ৰতিভা বিকাশৰ বাবে

*১২ পৃষ্ঠাৰ পৰা* সংবাদমেলত এই বিষয়ে অৱগত কৰে জিলা নিৰ্বাচনী বিষয়া মানবেন্দ্ৰ ভৱালী আৰু অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ শৰ্মাই। বিষয়াদ্বয়ে জনোৱা অনুসৰি 'মোৰ ভোট মোৰ ভৱিষ্যত : এটা ভোটৰ শক্তি' শীৰ্ষক বিষয়ৰূপে লৈ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পাঁচটা শাখাত প্ৰতিযোগিতাটো অনুষ্ঠিত হ'ব। কুইজ, শ্ল'গান, গীত, ভিডিঅ' নিৰ্মাণ আৰু প'ষ্টাৰ শাখাত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই তিনি তৰপ হৈছে শৈক্ষিক প্ৰতিষ্ঠান, পেছাদাৰী আৰু অপেছাদাৰী। প্ৰতিটো তৰপত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰৰ লগতে বিশেষ পুৰস্কাৰো থাকিব। পুৰস্কাৰবোৰৰ ন্যূনতম তিনি হেজাৰৰ পৰা দুই লাখৰ ভিতৰত। প্ৰতিযোগিতাত যিকোনো বয়সৰ প্ৰতিযোগীয়ে অংশ ল'ব পাৰিব। নিজৰ বিষয়বস্তুৰ বাবে যাতে আন জনগোষ্ঠীৰ লোকে আঘাত নাপায় তাৰ ওপৰত প্ৰতিজন অংশগ্ৰহণকাৰীয়ে তীক্ষ্ণ নজৰ ৰাখিব লাগিব। সংবাদমেলত জনোৱা মতে এই প্ৰতিযোগিতাত ইতিমধ্যে ৩৫ হেজাৰ লোকে অংশ লৈছে যদিও আগন্তুক সময়ত এই কোটি হ'ব বুলি ধাৰণা কৰা হৈছে। প্ৰতিজন সংবাদকৰ্মীয়েও ভিডিঅ'গ্ৰাফী শিতানত অংশ ল'ব পাৰিব। এটা ভোটৰ মূল্য যে বহু ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হৈ পৰে তাক প্ৰতিপন্ন কৰা হৈছে এই প্ৰতিযোগিতাখনৰ দ্বাৰা। ইচ্ছুক প্ৰতিযোগীয়ে ১৫ মাৰ্চৰ ভিতৰত প্ৰতিযোগিতাৰ বিষয়বস্তু votercontest@eci.gov.in ৰ জৰিয়তে জমা দিব লাগিব। প্ৰতিযোগীসকলে প্ৰতিযোগিতাৰ বিষয়ে বিতংভাৱে জানিবলৈ নিৰ্বাচন আয়োগৰ ৱেবচাইটhttps://ecisveep.nic.in/contestত গৈ অৱগত হ'ব পাৰিব।

## মেৰাপানীৰ সৰুপানী কল্যাণপুৰ মধ্য

*১২ পৃষ্ঠাৰ পৰা* শিক্ষকে ১৮০ গৰাকী ছাত্ৰ-ছাত্ৰীক পাঠদান দি আহিছিল যদিও যোৱা ৩০ জানুৱাৰীত শইকীয়া শিক্ষকজনে অৱসৰ গ্ৰহণ কৰাত জন কেৰকেটা নামৰ শিক্ষকজন অকলশৰীয়া হ'ব। তেৰেঁ কেৱল শিক্ষক আছিল বিদ্যাকলয়খনত। কিন্তু যোৱা ১৫ ফেব্ৰুৱাৰী একমাত্ৰ প্ৰধান শিক্ষকজনৰো উচ্চৰক্তচাপজনিত ৰোগত দুৰ্ভাগ্যজনকভাৱে মৃত্যুবৰণ কৰে। আনহাতে, কিছুদিনৰ পূৰ্বে বিদ্যালয়খনৰ চকীদাৰজনৰো মৃত্যু ঘটে। তেতিয়াৰে পৰা সম্পূৰ্ণৰূপে শিক্ষকবিহীন হৈ পৰে বিদ্যালয়খন। ফলত একাংশ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ যাবলৈ অনীহা প্ৰকাশ কৰাৰ বিপৰীতে বিদ্যালয়লৈ যোৱা সকলে সম্পূৰ্ণ দিনটো খেলা-ধূলা কৰি ঘৰলৈ উভতিব লগাত পৰিছে। উল্লেখ্য যে কিছু বছৰৰ পূৰ্বে কল্যাণপুৰ প্ৰাথমিক বিদ্যালয় আৰু কল্যাণপুৰ মধ্য ইংৰাজী বিদ্যালয় দুখন শিক্ষা বিভাগৰ সিদ্ধান্ত অনুসৰি একত্ৰীকৰণ কৰা হৈছিল। একত্ৰীকৰণ সম্ভৱ হৈ উঠিল যদিও কিন্তু মাত্ৰ চাৰিজন শিক্ষকেই জোৰা-টাপলি মাৰি কোনোমতে শিক্ষাদান কৰি আহিছিল বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক। পৰিচালনা সমিতিৰ লগতে অভিভাৱকসকলে গোলাঘাট জিলাৰ শিক্ষা বিষয়াক বিদ্যালয়খনত পৰ্যাপ্ত শিক্ষক নিযুক্তিৰ বাবে বহুবাৰ অনুৰোধ কৰিছিল যদিও কাণসাৰ নিদিলে শিক্ষা বিভাগে। যাৰ বাবেই বৰ্তমান প্ৰধান শিক্ষকজনৰ মৃত্যুৰ পাছত সম্পূৰ্ণৰূপে শিক্ষক শূন্য হৈ পৰিল পিছপৰা অঞ্চলটোৰ গুৰুত্বপূৰ্ণ বিদ্যালয়খন। পাঠদানৰ সমান্তৰালভাৱে শিক্ষক নোহোৱাৰ বাবেই বৰ্তমান বিদ্যালয়খনত বন্ধ হৈ পৰিছে মধ্যাহ্ন ভোজন আঁচনিখনো। অৱশ্যে কণ কণ ছাত্ৰ-ছাত্ৰীকেইটাৰ শৈক্ষিক ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি এতিয়া স্থানীয় কেঁবাগৰাকীমান সচেতন ব্যক্তিয়ে বিদ্যালয়খনত সেৱামূলক পাঠদান কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰিছে। কল্যাণপুৰ প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ লগতে স্থানীয় লোকসকলে অনতিপলমে বিদ্যালয়খনত পৰ্যাপ্ত শিক্ষক নিয়োগ কৰি অচলাৱস্থা দূৰ কৰিবলৈ শিক্ষা বিভাগক আহ্বান জনাইছে।

## ওদালগুৰিৰ শিক্ষানুষ্ঠানত হেলমেট

*১২ পৃষ্ঠাৰ পৰা* বিগত ছয় ডিচেম্বৰৰ পৰা ওদালগুৰি জিলাৰ বিভিন্ন স্থানত পৰিবহণ বিভাগটোৱে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাৰ বিষয়ে উল্লেখ কৰে। বিশেষকৈ বিগত বৰ্ষবোৰত বনভোজৰ বতৰত কে'বাটাও পথ দূৰ্ঘটনাত বহু লোকৰ মৃত্যু হোৱা ওদালগুৰি-ভৈৰৱকুণ্ড পথছোৱাত দুৰ্ঘটনা ৰোধৰ লক্ষ্যৰে কে'ৱাটাও কাৰ্যব্যৱস্থা গ্ৰহণৰ কথা উল্লেখ কৰে। পথটোৰ দুৰ্ঘটনা প্ৰৱণ অঞ্চলসমূহত গতিৰোধক স্থাপনৰ লগতে বিভিন্ন স্থানত বাহনৰ গতিবেগ নিয়ন্ত্ৰণৰ বাবে ফলক লগোৱা তথা বিভিন্ন সময়ছোৱাত পথটোত পৰিবহন বিভাগৰ তালাচীৰ বাবে এইবাৰৰ বনভোজৰ বতৰত পথটোত দুৰ্ঘটনাৰ পৰিমাণ বহুগুণে হ্ৰাস পোৱা বুলিও বিষয়াজনে কয়। বিষয়া বসুমতাৰীয়ে সজাগতা সভাত বিভিন্ন পথ দুৰ্ঘটনাৰ ফটো প্ৰদৰ্শনৰ দ্বাৰা কোনবোৰ কাৰণত সঘনে দুৰ্ঘটনা সংঘটিত হয় বা কোনবোৰ সাৱধানতা অৱলম্বন কৰিলে দুৰ্ঘটনাৰ পৰা নিজকে আঁতৰাই ৰাখিব পাৰি সেই বিষয়েও আলোকপাত কৰে। ইয়াৰ মাজতে জিলা পৰিবহণ বিষয়াজনে শীঘ্ৰে কাৰ্যকৰী হোৱাকৈ জিলাখনৰ সকলো শিক্ষানুষ্ঠানত দুচকীয়া বাহনত হেলমেট পৰিধান নকৰাকৈ অথবা চাৰিচকীয়া বাহনত ছিটবেল্ট পৰিধান নকৰিলে প্ৰৱেশ নিষিদ্ধ কৰিবলৈ শিক্ষাগুৰুসকলক আহ্বান জনায়। তদুপৰি জিলাখনৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ প্ৰৱেশ দুৱাৰত দুজোপাকৈ গছ ৰোপণ কৰি সেই স্থানত ইটাৰে বেৰ দি গছ দুজোপা যতনাই ৰাখিবলৈ আহ্বান জনাই এই কাৰ্যৰ বাবদ সংশ্লিষ্ট প্ৰতিখন বিদ্যালয়লৈ ছহেজাৰ টকাকৈ প্ৰদান কৰাৰ কথা ঘোষণা কৰে। লগতে প্ৰতিখন বিদ্যালয়ত বছৰেকত এটা দিন পথ সুৰক্ষা সন্দৰ্ভত শিক্ষাৰ্থীক শিক্ষা দিবলৈ সভাত উপস্থিত শিক্ষাগুৰুসকলক আহ্বান জনায়। সভাখনত ভাষণ প্ৰদান কৰি ওদালগুৰি জিলা আৰক্ষী অধীক্ষক হিৰণ্য বৰ্মণে সকলোকে সাৱধানতাৰে বাহন চলাবলৈ আহ্বান জনায়। বৰ্তমানৰ সময়ৰ স'তে সকলোৱে আগুৱাব লাগিব যদিও কিছুমান অশুভ পৰম্পৰা অথবা বাহন চলোৱাৰ সময়ত নিচাসক্ত হৈ বাহন চলাই অধিক আধুনিকতাৰ চোলা পিন্ধি নিজৰ জীৱনক মৃত্যুৰ মুখলৈ ঠেলি নিদিবলৈ সকলোকে আহ্বান জনায়। কথাৰ দ্বাৰা যিসকলে নুবুজে সেইসকলৰ বিৰুদ্ধে প্ৰয়োজনত আৰক্ষী কঠোৰ হ'বলৈ বাধ্য হ'ব বুলিও তেওঁ উল্লেখ কৰে। সজাগতা সভাত জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক জয়পালসিং ব্ৰহ্ম, জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক অভিজিৎ বাসু, ওদালগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ লুকু দৈমাৰী, জিলা এমভিআই নইমুদ্দিন আহমেদৰ লগতে বিভিন্নজন উপস্থিত থাকে।

## ডিব্ৰুগড়ত ছগৰাকী প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰ

**■ 16 নম্বৰ ৱাৰ্ডৰ পৰা ২২ নম্বৰ ৱাৰ্ডলৈ এখনো মনোনয়ন নহ'ল প্ৰত্যাহাৰ**

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, 20 ফেব্ৰুৱাৰী ঃ** পৌৰসভাৰ নিৰ্বাচনী প্ৰচাৰ তুংগত থকাৰ সময়তে ডিব্ৰুগড় পৌৰসভাৰ নিৰ্বাচনী বতাহ গৰম হৈ পৰিছে। ইয়াৰ মাজতে ডিব্ৰুগড় পৌৰ নিৰ্বাচনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা মুঠ ছগৰাকী প্ৰাৰ্থীয়ে নিজ মনোনয়ন প্ৰত্যাহাৰ কৰা বুলি জিলা প্ৰশাসনৰ সূত্ৰত প্ৰকাশ। কালি ডিব্ৰুগড় পৌৰসভাৰ এক নম্বৰ ৱাৰ্ডৰ বিজেপি প্ৰাৰ্থী গৌতম দত্তই বিনা প্ৰতিদ্বন্দ্বিতাৰে ডিব্ৰুগড় পৌৰসভাৰ নিৰ্বাচনত জয়ী হোৱাৰ পথ প্ৰশস্ত হৈছে। উক্ত ৱাৰ্ডৰ পৰা বিজেপিৰ গৌতম দত্তৰ বিৰুদ্ধে একমাত্ৰ এজেপিৰ দীনেন্দ্ৰ নাথ শইকীয়াই কালি মনোনয়ন প্ৰত্যাহাৰ কৰাৰ লগে লগে বিজেপিৰ প্ৰাৰ্থী দত্ত জয়ী হোৱাত সুনিশ্চিত হয়। আজি মনোনয়ন প্ৰত্যাহাৰৰ শেষৰ দিনটোত চাৰি নম্বৰ ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে আতিশ চন্দ্ৰ বাগচী, পল্টু দাস; ১০ নম্বৰ ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী ডানিয়া আহমেদ; ১১ নম্বৰ ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী অৰুণ কুমাৰ জৈন আৰু ১৪ নম্বৰ ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী আশীষ সেনগুপ্তাকে ধৰি আজি পুনৰ পাঁচগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ফলত ডিব্ৰুগড় পৌৰসভা ২২ টা ৱাৰ্ডৰ নিৰ্বাচনৰ বাবে মুঠ ৮২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাতো স্পষ্ট হ'ল। ইয়াৰে বিজেপিৰ ২২গৰাকী, কংগ্ৰেছৰ ১৯ গৰাকী, অগপৰ চাৰিগৰাকী, এজেপিৰ ছগৰাকী, আপৰ তিনিগৰাকী আৰু নিৰ্দলীয় তিনিগৰাকীৰ পৰা ২৮গৰাকীলৈ হ্ৰাস হৈ প্ৰতিদ্বন্দ্বিতাত নামিছে। উল্লেখ্য যে ডিব্ৰুগড় পৌৰসভাৰ নিৰ্বাচনৰ বাবে ১৬ নম্বৰ ৱাৰ্ডৰ পৰা আৰম্ভ কৰি ২২ নম্বৰ ৱাৰ্ডলৈ কোনো এজন প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰা নাই। নিশা ডিব্ৰুগড় পৌৰসভাৰ অন্তৰ্গত কেঁবাটাও ৱাৰ্ডত মন্ত্ৰী বিমল বৰা আৰু বিধায়ক প্ৰশান্ত ফুকনে বিজেপিৰ প্ৰাৰ্থীসকলক লগত লৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে। ইফালে, কংগ্ৰেছৰ প্ৰাৰ্থীসকলো পিছ পৰি ৰোৱা নাই। নিশা নবজালৈকে ঘৰে ঘৰে গৈ প্ৰচাৰ অভিযান চলাইছে কংগ্ৰেছৰ প্ৰাৰ্থীসকলে। চাৰি নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী বিতুল তালুকদাৰে দলীয় সমৰ্থকক লগত লৈ ৱাৰ্ডৰ লোকসকলৰ স'তে মত বিনিময় কৰিছে। বিজেপিৰ শাসন কালত ডিব্ৰুগড় পৌৰসভাৰ উন্নয়ন স্থবিৰ হোৱাৰ অভিযোগ কৰে বিতুল তালুকদাৰে। এইবাৰ ৰাইজে প্ৰাৰ্থী চাইহে ভোট দিব বুলি দাবী কৰিছে বিতুল তালুকদাৰে। পিছ পৰি ৰোৱা নাই আম আদমি পাৰ্টীয়ো। তীব্ৰ প্ৰচাৰ অভিযান চলাইছে আম আদমি পাৰ্টীয়েও। আগন্তুক ৰাজ্যৰ পৌৰসভাৰ নিৰ্বাচনত ৩৬খন আসনত জয়যুক্ত হ'ব আম আদমী পাৰ্টি। ডিব্ৰুগড়ত এক সংবাদমেলত এই কথা প্ৰকাশ কৰিছে আম আদমী পাৰ্টিয়ে।

## ৯৯ সংখ্যক বৰখালা সাৰ্বজনীন শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ যজ্ঞৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২০ ফেব্ৰুৱাৰী ঃ** অহা ১৬ মাৰ্চৰ পৰা নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত ৯৯ সংখ্যক সাৰ্বজনীন শ্ৰীশ্ৰী লক্ষ্মীনাৰায়ণ যজ্ঞ (বৰখালা)ৰ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুযায়ী ১৬ মাৰ্চত পুৱা ৮-৩০ বজাত ধৰ্ম ধ্বজা উত্তোলন, ন-বজাত স্মৃতি তৰ্পণ, ৯-৩০ বজাত বৃক্ষৰোপণ, ১০ বজাত সমূহীয়া স্বচ্ছ অভিযান, ১০.৩০ বজাত ৯৯ সংখ্যক শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ যজ্ঞৰ মুখ্যদ্বাৰ উদ্‌ঘাটন, ১১ বজাত ধৰ্মালোচনী সভা, শৰৎচন্দ্ৰ শৰ্মা আৰু বেদৱতী দেৱী বেদ বিদ্যালয়ৰ ছাত্ৰসকলৰ দ্বাৰা বেদধ্বনি, আবেলি ৫-৩০ বজাত নাগাৰা নাম প্ৰদৰ্শন, ছয়বজাত অধিবাস, ৬.৩০ বজাত বন্তি প্ৰজ্বলন, ৬.৪৫ বজাত টোপধ্বনি প্ৰদৰ্শন কৰা হ'ব। অহা ১৭ মাৰ্চ পুৱা ৬.৩০ বজাত শৰৎচন্দ্ৰ শৰ্মা আৰু বেদৱতী দেৱী বেদ বিদ্যালয়ৰ ছাত্ৰসকলৰ দ্বাৰা বেদধ্বনি, আঠ বজাত আয়তী নাম, ৮.৩০ বজাত শ্ৰাদ্ধাদি কাৰ্যাৰম্ভ, ১০ বজাত যজ্ঞবেদী প্ৰৱেশ, ১০-৩০ বজাত সাংস্কৃতিক শোভাযাত্ৰা আৰু পানীতোলা, দুপৰীয়া ১২ বজাত অগ্নি আনয়ন, পূজাৰম্ভ আৰু আহুতি প্ৰদান, আবেলি ৫.৩০ বজাত নাগাৰা নাম প্ৰদৰ্শন, সন্ধিয়া ছয় বজাত বন্তি প্ৰজ্বলন, ৬.৩০ বজাত টোপধ্বনি আৰু ৭.৩০ বজাত আৰতি প্ৰদান কৰা হ'ব। ১৮ মাৰ্চ পুৱা ৬.৩০ বজাত বেদধ্বনি, সাত বজাত আহুতি প্ৰদান, ১১.৩০ বজাত আগন্তুক সাৰ্বজনীন শ্ৰীশ্ৰী লক্ষ্মীনাৰায়ণ যজ্ঞৰ শতবৰ্ষ উদ্‌যাপনৰ বিষয়ে আলোচনা, দুপৰীয়া ১২ বজাত পূৰ্ণাহুতি প্ৰদান, আবেলি ১.৩০ বজাত সামূহিক মহাশান্তি আৰু নিৰ্মালি প্ৰদান দুই বজাত প্ৰসাদ বিতৰণ।

## ইটাখোলাত 'নাৰী নিৰ্যাতন'ৰ বিৰুদ্ধে সজাগতা সমদল

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২০ ফেব্ৰুৱাৰী ঃ** জামুগুৰিহাটৰ ইটাখোলাত আজি বিশ্ব সামাজিক ন্যায় দিৱস উপলক্ষে দিকৰাই চাহ বাগিচাৰ পৰিচালক আৰু চাহ মজদুৰ সংঘৰ পৃষ্ঠপোষকতাত তথা সমূহ মহিলা সমিতিৰ উদ্যোগত 'মাদক দ্ৰব্য নিবাৰণ' আৰু 'নাৰী নিৰ্যাতন'ৰ বিৰুদ্ধে এক বৃহৎ সজাগতা সভা অনুষ্ঠিত হয়। দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ইন্দ্ৰলাল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাৰ আঁত ধৰে দিকৰাই চাহ বাগিচাৰ উদ্যমী যুৱক অমিত তাচাই। সভাৰ আৰম্ভণি ভাষণ প্ৰদান কৰে চাহ মজদুৰ সংঘ বিশ্বনাথ জিলা শাখাৰ সম্পাদক নগেন গোৱালাই। ইয়াৰ পাছত বিশ্বনাথ জিলা অতিৰিক্ত উপায়ুক্ত কুলেন শৰ্মা, হিউমেন ৰাইটছ একচন কাউন্সিলৰ সঞ্চালক ড° পৰশমণি সিংহ, স্থানীয় চিকিৎসক প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট লোকে মাদক দ্ৰব্য নিবাৰণ আৰু নাৰী নিৰ্যাতন প্ৰসংগত ব্যাখ্যা দাঙি ধৰি চাহ বাগিচাৰ শ্ৰমিকসকলৰ মাজত চলি থকা মাদক দ্ৰব্যৰ অত্যধিক সেৱনৰ ফলত দিনক দিনে নাৰী নিৰ্যাতনৰ দৰে অপৰাধজনিত ঘটনা সংঘটিত হৈ আছে আৰু ইয়াৰ পৰিত্ৰাণৰ উপায় বিচাৰি এই সজাগতা সভা অনুষ্ঠিত কৰাৰ কথা ব্যক্ত কৰে। সজাগতা সভাৰ পূৰ্বে স্থানীয় মহিলা সমিতি আৰু আটছাৰ উদ্যোগত এক শোভাযাত্ৰা উলিওৱা হয়। মহিলাসকলে প্ৰতিবাদী সমদল যাত্ৰা কৰি অঞ্চলটো পৰিভ্ৰমণ কৰাৰ লগতে 'নাৰীৰ ওপৰত অত্যাচাৰ নচলিব', 'মদ বিক্ৰী কৰা বন্ধ কৰক' আদি বিভিন্ন শ্ল'গানেৰে আকাশ-বতাহ মুখৰিত কৰে।

## উত্তৰ গুৱাহাটীলৈ নৈশ ফেৰী আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** নিশা ন বজালৈ বৰলুইতত ফেৰী সেৱা চলাচলৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। কেৱল গুৱাহাটী আৰু মাজুলীতহে চলিব নিশাৰ ফেৰী। নিশা ন বজালৈ নিশাৰ ফেৰী সেৱাৰে জল যাত্ৰীৰ দুৰ্দশা আঁতৰাবলৈ মুখ্যমন্ত্ৰীয়ে লৈছে উদোগ। গুৱাহাটী আৰু মাজুলীত নিশাৰ ফেৰী সেৱা আৰম্ভ কৰি জল যাতায়াতক মাত্ৰা দিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পাছত আনন্দিত এতিয়া সকলো শ্ৰেণীৰ ফেৰী যাত্ৰী। শনিবাৰে নিশাৰ ভাগত জল পৰিবহণ সঞ্চালক বিষয়া অভিযন্তাৰ দলে নাটকীয়ভাৱে এখন ফেৰীৰে উত্তৰ গুৱাহাটী ৰজাদুৱাৰ পাৰঘাটত উপস্থিতহৈ নৈশ ফেৰী সেৱাৰ উদ্বোধন কৰা হয়। পিছে নিশাৰ ফেৰী সেৱাত নাই হেনো কোনো নতুনত্ব। পূৰ্বেও উত্তৰ গুৱাহাটী গুৱাহাটী (মাজগাওঁ) পাৰঘাটত আছিল নিশাৰ ফেৰী। গুৱাহাটীৰ পৰা নিশা ৮-৪৫ বজাত উত্তৰ গুৱাহাটী আৰু নবজাত গুৱাহাটীলৈ ৰাওনা হৈছিল; কিন্তু কিছুদিন চলিয়ে হঠাৎ বন্ধ হৈছিল নিশাৰ ফেৰী। উত্তৰ গুৱাহাটীৰ পৰা দৈনিক পাৰাপাৰ হোৱা এজন আৰক্ষী জোৱানে জল পৰিবহন বিভাগৰ বিৰুদ্ধে ক্ষোভ উজাৰি কলে যে ন বজালৈ নহয় নিশা ১১ বজালৈ লাগে গুৱাহাটীত ফেৰী সেৱা। কিয়নো অধিকাংশ নগৰ নিকায়, চিকিৎসালয়ৰ কৰ্মচাৰী তথা আৰক্ষী গুৱাহাটীৰ পৰা ১০ বজাৰ পাছতহে ঘৰমুৱা হয়। শৰাইঘাটৰ যানজট, তথা নানা আহুকালে গুৱাহাটীৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ লোকক গুৱাহাটী অভিমুখী হোৱাত জলাকলা খুৱাই আহিছে। যাৰ বাবে স্থলপথ এৰি নলবাৰী, থৰং, উত্তৰ কামৰূপৰ লোক ফেৰীকে ভৰষা কৰি আহিছে। মুখ্যমন্ত্ৰীৰ নৈশ ফেৰী সেৱাৰ ঘোষনাৰ পাছত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে পাৰাপাৰ যাত্ৰীয়ে।

## সোণোৱাল কছাৰীসকলৰ চতুৰ্থ বাৰ্ষিক 'ধাম খৱা সবাহ' অনুষ্ঠানৰ আয়োজন

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** সোণোৱাল-কছাৰীসকলৰ সুকীয়া কথিত-প্ৰচলিত ভাষাটোৰ উদ্ধাৰ, প্ৰচাৰ, প্ৰসাৰ, সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে হ্ৰাস পোৱা 'সোণোৱালৰ ভাষাত কথা-বতৰা' প্ৰতিষ্ঠানৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু মৰাণ আঞ্চলিক সমিতিৰ আতিথ্যত অহা 27 ফেব্ৰুৱাৰীত মৰাণৰ নতুন নগৰত চতুৰ্থ বাৰ্ষিক 'ধাম খৱা সবাহ' অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা খ্ৰীং ৰাজাৰ চৰণত বন্তি প্ৰজ্বলন কৰাৰ পাছতে পতাকা উত্তোলন কৰিব কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাজু সোণোৱালে। ইয়াৰ পাছতে স্মৃতি তৰ্পক হিচাপে অনুষ্ঠানত উপস্থিত থাকিব মৰাণ আঞ্চলিক সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ সোণোৱাল। উক্ত অনুষ্ঠানৰ গ্ৰন্থ উন্মোচনী সভাত ৰাজু সোণোৱালে প্ৰণয়ন কৰা 'সোণোৱালসকলৰ ভাষাত ব্যৱহৃত শব্দকোষ' শীৰ্ষক পূৰ্ণাংগ অভিধান, তুলিকা বড়াৰ কাব্যগ্ৰন্থ 'ভাললগা, ভালপোৱা আৰু এমুঠি বিষাদ', ৰাজু সোণোৱালৰ গল্প-সংকলন 'অন্ধ শৰ-সন্ধান', স্মৃতিগ্ৰন্থ 'গজাই'কে ধৰি বহুকেইখন গ্ৰন্থ উন্মোচন কৰা হ'ব। ইয়াৰ পাছতে সোণোৱালৰ ভাষাত কথন-মথন আৰু মুকলি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰিছে কেন্দ্ৰীয় সমিতিৰ যুটীয়া কাৰ্যবাহী সম্পাদক ইভান হাজৰীকা আৰু উৎপল সোণোৱালে।

## গোৱালপাৰা জিলা প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী বাহিনীৰ কাৰ্যকৰী সভা

**■ সাত মাৰ্চৰ পৰা অনিৰ্দিষ্ট কাললৈ কৰ্মবিৰতিৰ সিদ্ধান্ত**

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২০ ফেব্ৰুৱাৰী ঃ** সম কামৰ সম মজুৰি প্ৰদানৰ দাবীৰে অহা সাত মাৰ্চৰ পৰা সদৌ অসম প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী জোৱানসকলে অনিৰ্দিষ্টকাললৈ কৰ্মবিৰতি পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত সদৌ অসম প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী জোৱানসকলে অনিৰ্দিষ্টকাললৈ কৰ্মবিৰতি পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত সদৌ অসম প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী সন্থাৰ গোৱালপাৰা জিলা সমিতিৰ সভাপতি প্ৰভাত দাসৰ পৌৰোহিত্যত গোৱালপাৰা চহৰৰ বিঅ'চিস্থিত কাৰ্যালয়ত জিলা সমিতিৰ এখন কাৰ্যকৰী সভা অনুষ্ঠিত হয়। সন্থাৰ জিলা সম্পাদক আব্দুল হাকিমে উদ্দেশ্য ব্যাখ্যা কৰা সভাত কেন্দ্ৰীয় সমিতিয়ে ঘোষণা কৰা সাত মাৰ্চৰ পৰা অনিৰ্দিষ্টকালীন কৰ্মবিৰতি কাৰ্যসূচীত পূৰ্ণ সহযোগিতা কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উল্লেখ্য যে খাকী পিন্ধি আৰক্ষীৰ স'তে দিনে-নিশাই আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত সেৱা আগবঢ়োৱা প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী জোৱানসকলক মাহিলি নহেজাৰ টকা দৰমহা দিয়া হয়। কিন্তু দৈনিক মাত্ৰ তিনিশ টকাৰে পৰিয়াল চলোৱাটো দুৰ্বিষহ হৈ পৰিছে গৃহৰক্ষী জোৱানসকলৰ বাবে। ইপিনে বছৰৰ প্ৰায় ছমাহ বহি থাকিবলগীয়া হয় গৃহৰক্ষী জোৱানসকলে। সেয়ে কামৰ সমমজুৰি প্ৰদান কৰাৰ দাবীৰে অহা সাত মাৰ্চৰ পৰা এলানি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে সন্থাই। এই আন্দোলনক পূৰ্ণ সমৰ্থন জনাই অহা সাত মাৰ্চৰ পৰা গোৱালপাৰা জিলাৰ গৃহৰক্ষীসকলে অনিৰ্দিষ্ট কাললৈ কৰ্মবিৰতি পালন কৰিব বুলি সন্থাৰ জিলা সভাপতি আৰু সম্পাদকে সংবাদ মাধ্যমৰ আগত ঘোষণা কৰে।



# ৰঞ্জী ট্ৰফীত ব্যৰ্থতাৰে আৰম্ভণি অসমৰ



ৰঞ্জীৰ অভিষেক মেচতে উভয় ইনিংছত শতক কৰি গৌৰৱ লাভ ধুলৰ

## মহাৰাষ্ট্ৰৰ বিৰুদ্ধে ইনিংছ ব্যৱধানত পৰাস্ত

**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** ৰঞ্জী ট্ৰফীৰ প্ৰথমখন মেচতে ইনিংছ ব্যৱধানত পৰাজয়ৰ সন্মুখীন হৈছে অসম। উল্লেখ্য যে মহাৰাষ্ট্ৰৰ বিৰুদ্ধে খেলা মেচখনত ফল'অনৰ সন্মুখীন হোৱা অসমে আজি 160 ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু এক ইনিংছ সাত ৰাণত পৰাস্ত হয়। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফীত এইবাৰ এলিট গ্ৰুপত খেলা অসমে প্ৰথম মেচত প্ৰথমদিনাৰ পৰাই প্ৰত্যাহ্বানৰ সন্মুখীন হয় মহাৰাষ্ট্ৰৰ বিৰুদ্ধে। মহাৰাষ্ট্ৰৰ 415 ৰাণৰ প্ৰত্যুত্তৰত অসমে 248 ৰাণত প্ৰথম ইনিংছ সামৰে আৰু ফল'অনৰ সন্মুখীন হয়। আনহাতে, তৃতীয় দিনাৰ খেলৰ অন্তত অসমে তিনিটা উইকেট হেৰুৱাই 82 ৰাণ কৰাৰ পাছত আজি ভোজন বিৰতিৰ পাছতে অলআউট হৈ পৰাজয় স্বীকাৰ কৰে। দ্বিতীয় ইনিংছত অসমৰ হৈ ৰিয়ান 56, স্বৰূপমে 38 আৰু ঋষভে 34 ৰাণ কৰাৰ বিপৰীতে ব্যৰ্থ হয় শুভম মণ্ডল (8], ছাহিল জৈন (1] আৰু গকুল শৰ্মা (0]¼ প্ৰথম ইনিংছতো অসমৰ বেটছমেনে প্ৰত্যাসিত প্ৰদৰ্শন কৰাত সফল নহ'ল। ৰিয়ানে 88, শুভমে 49 আৰু কুনাল শইকীয়াই 46 ৰাণ কৰে। কিন্তু ব্যৰ্থ হয় ঋষভ (14], গকুল (5], স্বৰূপম (5] আৰু ছাহিল (4]¼ অসমক বিধ্বস্ত কৰা মহাৰাষ্ট্ৰৰ বলাৰ সত্যজিতে উভয় ইনিংছত 11 টা উইকেট পায়। উল্লেখ্য যে হাৰিয়ানাৰ বংশীলাল ক্ৰিকেট ষ্টেডিয়ামত হোৱা মেচখনত অসমে টছত জয়ী হৈ ফিল্ডিং কৰাৰ সিদ্ধান্ত লয় যদিও সুযোগ ল'ব নোৱাৰিলে। প্ৰথমদিনা মহাৰাষ্ট্ৰই পাঁচ উইকেট হেৰুৱাই 278 ৰাণ কৰি দৃঢ় আৰম্ভণি কৰাৰ পাছত দলে 415 ৰাণত প্ৰথম ইনিংছ সামৰে। উল্লেখ্য যে এই মেচত ৰঞ্জী অভিষেক কৰা মহাৰাষ্ট্ৰৰ অপেনিং বেটছমেন পৱন শ্বাহে (219] দ্বিশতক অৰ্জন কৰে। তেওঁ মেচৰ শ্ৰেষ্ঠ হয়। ইফালে, অসমৰ মুখতাৰ হুছেইনে পাঁচটা তথা অৰূপ দাস আৰু ৰনজিত মালিয়ে দুটাকৈ উইকেট পায়। অভিষেক কৰা অম্লানজ্যোতি দাসে এটা উইকেট দখল কৰে। উল্লেখ্য যে এইবাৰ অসমে গ্ৰুপত প্ৰতিদ্বন্দ্বী হিচাপে পাইছে চেম্পিয়ন বিদৰ্ভ, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰক। অহা 24-27 ফেব্ৰুৱাৰীলৈ দ্বিতীয় মেচত অসম মুখামুখি হ'ব উত্তৰ প্ৰদেশৰ। আনহাতে, বিদৰ্ভৰ বিৰুদ্ধে অসমে তৃতীয়খন মেচ খেলিব তিনিৰ পৰা ছয় মাৰ্চলৈ।




## দিল্লীৰ বিৰুদ্ধে অগ্ৰগতিৰে তিনি পইণ্ট তামিলনাড়ুৰ

# গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামৰ ড্ৰ মেচত চাৰি দিনত ছটা শতক

**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দিল্লী আৰু তামিলনাড়ুৰ মাজৰ ৰঞ্জী ট্ৰফীৰ মেচখন ড্ৰ ৰূপে সমাপ্ত হৈছে যদিও দিল্লীৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰিছে তামিলনাড়ুই। উল্লেখ্য যে মেচখনত দিল্লীৰ অপেনাৰ য়াছ ধুলে উভয় ইনিংছতে শতক অৰ্জন কৰাৰ গৌৰৱ লাভ কৰে। নিজৰ প্ৰথমখন ৰঞ্জী মেচতে অনন্য সফলতা লাভ কৰিলে ধুলে। ৰঞ্জী মেচৰ অভিষেকত উভয় ইনিংছতে শতক অৰ্জন কৰা ধুল ভাৰতৰ তৃতীয়জন বেটাৰ। স্মৰ্তব্য যে মেচখনত দিল্লীৰ 452 ৰাণৰ প্ৰত্যুত্তৰত তামিলনাড়ুই 494 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ শ্বাহৰূখ খানে 194 আৰু বাবা ইন্দ্ৰজিতে 117 ৰাণ কৰে। ইয়াৰপূৰ্বে ললিত যাদব (177] আৰু য়াছ ধুলৰ (113] শতকৰে দিল্লীয়ে 452 ৰাণত প্ৰথম ইনিংছ সামৰিছিল। উল্লেখ্য যে দিল্লীৰ হৈ খেলা 19 বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেটৰ চেম্পিয়ন ভাৰতীয় দলৰ অধিনায়ক য়াছ ধুলে ৰঞ্জী ট্ৰফীৰ অভিষেক মেচতে শতক অৰ্জন কৰিছে। ৱেষ্টইণ্ডিজৰ পৰা চেম্পিয়ন ট্ৰফী লৈ অহাৰ পাছত প্ৰথমবাৰৰ বাবে গুৱাহাটীতে মেচ খেলিছে ধুলে। আজি দ্বিতীয় ইনিংছত দিল্লীৰ হৈ ধুলৰ (113] ৰ লগতে শতক অৰ্জন কৰে ধ্ৰুৱ শ্ব'ৰে (107]¼ উভয় অপেনাৰৰ শতকৰ জৰিয়তে দিল্লীয়ে দ্বিতীয় ইনিংছত কোনো উইকেট নেহেৰুৱাকৈ 228 ৰাণ কৰে আৰু মেচখন ড্ৰ হয়।

## জে কে বৰুৱা ট্ৰফীৰ ফাইনেল

# যোৰহাটৰ বিৰুদ্ধে প্ৰথম ইনিংছত ২৪৮ ধেমাজিৰ




**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা 19 বছৰ অনূৰ্ধ্ব আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা জে কে বৰুৱা ট্ৰফীৰ ফাইনেল খেলখন আজিৰে পৰা ফৰকাটিঙত আৰম্ভ হৈছে। উল্লেখ্য যে খিতাপৰ যুঁজত যোৰহাট মুখামুখি হৈছে ধেমাজিৰ। দুদিনীয়া মেচখনৰ আজি প্ৰথমদিনা বেটিং কৰি ধেমাজিয়ে লক্ষ্যজিত সোণোৱালৰ 75 আৰু যোছেফ বুঢ়াগোঁহাইৰ 56 ৰাণৰ সহায়ত প্ৰথম ইনিংছত 248 ৰাণ কৰে। যোৰহাটৰ দীপকে আঠটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত, প্ৰথমদিনাৰ খেলৰ অন্তত যোৰহাটে ছটা উইকেট হেৰুৱাইছে 90 ৰাণত। উল্লেখ্য যে জে কে বৰুৱা ট্ৰফী 19 বছৰ অনূৰ্ধ্ব আন্ত:জিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ প্ৰতিখন মেচ দুদিনীয়াকৈ খেলোৱা হৈছে। অসম ক্ৰিকেট সন্থাই একেলগে দুখন ষ্টেডিয়ামত মেচ আয়োজন কৰিছিল ফাইনেল ৰাউণ্ডৰ মেচ। গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰৰ লগতে ফৰকাটিং ক্ৰিকেট গ্ৰাউণ্ডতো হৈছে মেচ। স্মৰ্তব্য যে ফাইনেল ৰাউণ্ডলৈ মুঠ ছটা দল যোগ্যতা অৰ্জন কৰিছিল তথা এই ছটা দলক দুটা গ্ৰুপত ভাগ কৰা হৈছে। ইয়াৰে এটা গ্ৰুপত শিলচৰ, এন এফ ৰেলৰে আৰু যোৰহাট থকাৰ বিপৰীতে আনটো গ্ৰুপত আছে বৰপেটা, ধেমাজি আৰু নগাঁও। গ্ৰুপৰ বিজয়ী দল দুটাই এতিয়া ফাইনেলত অংশ লৈছে।

## অন্তিম টি-২০ মেচতো পৰাস্ত ৱেষ্টইণ্ডিজ

# তিনিখনীয়া শৃংখলা ৩-০ ত দখল কৰি ভাৰতৰ গৌৰৱময় সফলতা

**কলকাতা, ২০ ফেব্ৰুৱাৰী ঃ** ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ তৃতীয়খন মেচতো 17 ৰাণত জয়ী হৈ 3-0 ৰ ব্যৱধানৰে শৃংখলা দখল কৰিছে। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতে এদিনীয়া শৃংখলাও 3-0 ৰ ব্যৱধানৰে দখল কৰিছিল। ৰোহিত শৰ্মাৰ নেতৃত্বত এয়া ভাৰতৰ অনন্য সফলতা। আজিৰ মেচত ভাৰতে দিয়া 185 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি ৱেষ্টইণ্ডিজে 167-9 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ প'ৱানে 61, ৰোমাৰিঅ'ই 29 আৰু পাৱলে 25 ৰাণ কৰে। ভাৰতৰ হাৰ্যলে তিনিটা তথা আয়াৰ, দীপক আৰু ছাৰ্দুলে দুটাকৈ উইকেট পায়। ইয়াৰপূৰ্বে পোনতে বেটিং কৰি ভাৰতে পাঁচ উইকেটত 184 ৰাণ কৰিছে। দলৰ হৈ সূৰ্যকুমাৰ যাদবে 31 বলত সাতটা ছিক্সাৰসহ বিস্ফোৰক 65 ৰাণ কৰে। আনহাতে, ইষাণ কিষানে 34 আৰু শ্ৰেয়াছ আয়াৰে 25 ৰাণ কৰাৰ লগতে 35 ৰাণত অপৰাজিত থাকে ভেংকটেশ আয়াৰ। উল্লেখ্য যে আজিৰ মেচত দলত নাই বিৰাট কোহলি আৰু ঋষভ পণ্ট। আনহাতে, ৰোহিত শৰ্মায়ো (7] মধ্যক্ৰমত খেলে। উল্লেখ্য যে কলকাতাৰ ইডেন গাৰ্ডেনত হোৱা আজিৰ এই মেচত জয়লাভ কৰি টীম ইণ্ডিয়াই তিনিখনীয়া টি-20 শৃংখলাটো ৱেষ্টইণ্ডিজক হোৱাই ৱাছ কৰিলে। ইতিমধ্যে ইডেন গাৰ্ডেনত অনুষ্ঠিত হৈ যোৱা প্ৰথম দুখন মেচখনত ভাৰতে জয়লাভ কৰি তিনিখনীয়া টি-20 শৃংখলাত 2-0 ৰ অগ্ৰগতি লৈ শৃংখলা দখল কৰিছিল। উল্লেখ্য যে প্ৰথম মেচত ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত 20 অভাৰত সাত উইকেটত সংগ্ৰহ কৰিছিল 157 ৰাণ। কিন্তু এই লক্ষ্য হেলাৰঙে পূৰ্ণ কৰে ভাৰতীয় বেটছমেনে। বিজয়ৰ বাবে 158 ৰাণ অনুসৰণ কৰা ভাৰতে 18.5 অভাৰত চাৰি উইকেট হেৰুৱাই 162 ৰাণ কৰি ছয় উইকেটত সহজ জয় সাব্যস্ত কৰে। আনহাতে, দ্বিতীয় মেচত ভাৰতে (186-5] আঠ ৰাণত পৰাস্ত কৰে ৱেষ্টইণ্ডিজক (178-3]¼এদিনীয়া শৃংখলা 3-0 ত দখল কৰা ভাৰতীয় ক্ৰিকেট দলে এতিয়া কেৰিবিয়ান দলৰ বিৰুদ্ধে তিনিখনীয়া টি-20 শৃংখলাটোও 3-0 ত দখল কৰি গৌৰৱ লাভ কৰিলে।



## শৃংখলা জয় কৰিলেও লক্ষ্য পুৰন নহ'ল অষ্ট্ৰেলিয়াৰ

# পঞ্চম টি-২০ ত শ্ৰীলংকাৰ জয়




**কেনবেৰা, ২০ ফেব্ৰুৱাৰী ঃ** শ্ৰীলংকাক পাঁচখনীয়া টি-20 শৃংখলাত হোৱাইট ৱাছ কৰাৰ লক্ষ্যত বিফল হ'ল অষ্ট্ৰেলিয়া। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা শৃংখলাৰ পঞ্চমখন মেচত শ্ৰীলংকাই পাঁচ উইকেটত জয়ী হৈ সন্মান ৰক্ষা কৰে। পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই ৱেডৰ 43 আৰু মেক্সৱেলৰ 29 ৰাণৰ সহায়ত ছয় উইকেটত 154 ৰাণ কৰে। প্ৰত্যুত্তৰত, শ্ৰীলংকাই এটা বল বাকী থাকোতে পাঁচ উইকেটত 155 ৰাণ কৰি জয় অৰ্জন কৰে। কুশল মেণ্ডিজে 69 ৰাণ কৰি মেচৰ শ্ৰেষ্ঠ হয়। আনহাতে, মেক্সৱেলে 29 ৰাণ কৰে। শৃংখলাৰ শ্ৰেষ্ঠ মেক্সৱেল। আজি পৰাস্ত হ'লেও অষ্ট্ৰেলিয়াই শ্ৰীলংকাৰ বিৰুদ্ধে খেলা পাঁচখনীয়া টি-20 শৃংখলাটো 4-1 ৰ ব্যৱধানত দখল কৰিছে। ইয়াৰপূৰ্বে ক্ৰমাগত চতুৰ্থখন মেচতো ছয় উইকেটত জয়লাভ কৰিছিল অষ্ট্ৰেলিয়াই। শ্ৰীলংকাই 139-8 ৰাণ কৰাৰ পাছত অষ্ট্ৰেলিয়াই 143-4 ৰাণ কৰি জয় অৰ্জন কৰে। কিন্তু অষ্ট্ৰেলিয়াই 3-0 ৰ অগ্ৰগতিৰে পূৰ্বে শৃংখলা দখল নিশ্চিত কৰিছিল। তৃতীয় মেচত অষ্ট্ৰেলিয়াই ছয় উইকেটত পৰাস্ত কৰিছিল শ্ৰীলংকাক। পোনতে বেটিং কৰি শ্ৰীলংকাই ডুছানৰ 39 ৰাণৰ সহায়ত ছয় উইকেটত কৰে 121 ৰাণ। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই চাৰি উইকেটত 124 ৰাণ কৰি শৃংখলাত ক্ৰমাগত তৃতীয় জয় অৰ্জন কৰে। দলৰ হৈ মেক্সৱেলে 39 আৰু এৰন ফিঞ্চে 35 ৰাণ কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়া ভ্ৰমণৰ পাছতে শ্ৰীলংকা দল আহিব ভাৰতলৈ। ভাৰত ভ্ৰমণত শ্ৰীলংকা দলে প্ৰথমে তিনিখন টি-20 মেচ খেলাৰ পাছত দুখন টেষ্ট মেচ খেলিব। টি-20 মেচ তিনিখনৰ প্ৰথমখন লক্ষ্ণৌত 24 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। আনহাতে, পৰৱৰ্তী মেচদুখন 26-27 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব ধৰমশালাত। ইফালে, দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম মেচ চাৰিৰ পৰা আঠ মাৰ্চলৈ মোহালীত অনুষ্ঠিত হ'ব। আনহাতে, দ্বিতীয় টেষ্ট বাংগালুৰুত হ'ব 12-16 মাৰ্চত।




# আজি মহিলা ক্ৰিকেটৰ ফাইনেল

**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** চলিত প্ৰথম কনকলতা বৰুৱা ট্ৰফী আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাই আমিনগাঁৱৰ ক্ৰিকেট গ্ৰাউণ্ডত প্ৰথম কনকলতা বৰুৱা ট্ৰফী প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন আয়োজন কৰিছে। খিতাপৰ যুঁজত ৰেলৰে মুখামুখি হ'ব লখিমপুৰৰ। উল্লেখ্য যে ছেমিফাইনেলত জয়ী হৈ খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয় ৰেলৰে আৰু লখিমপুৰ। জজ খেলপথাৰত হোৱা ছেমিফাইনেলত বোকাখাত (119-9] 75 ৰাণত পৰাস্ত হয় ৰেলৰেৰ (197-4] বিৰুদ্ধে। আনহাতে, এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা আনখন ছেমিফাইনেলত নগাঁও (68-10] 153 ৰাণত পৰাস্ত হয় লখিমপুৰৰ বিৰুদ্ধে। উল্লেখ্য যে প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাত ৰাজ্যৰ মুঠ 18 টা দলে অংশগ্ৰহণ কৰিছিল। 18 টা দলক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে। খেলসমুহ 30 অভাৰকৈ কৰা হয়। মহিলা ক্ৰিকেটক গুৰুত্ব দিয়া অসম ক্ৰিকেট সন্থাই প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতা প্ৰতিদিনে তিনিখনকৈ মেচ আয়োজন কৰিছিল। এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়াম, জজ খেলপথাৰ আৰু আমিনগাঁৱৰ ক্ৰিকেট গ্ৰাউণ্ডত হয় প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ খেল।

# গুৱাহাটীত আন্তঃজিলা জুনিয়ৰ-ছিনিয়ৰ এথলেটিকছ

**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** চলিত বৰ্ষৰ 8-11 মাৰ্চলৈ গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব আন্তঃজিলা জুনিয়ৰ-ছিনিয়ৰ এথলেটিকছ প্ৰতিযোগিতা। অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰৰ সভাপতিত্বত আজি ভাৰ্চুৱেল মাধ্যমেৰে অনুষ্ঠিত কাৰ্যনিৰ্বাহ সভাত এই সিদ্ধান্ত গ্ৰহন কৰে। সভাৰ আৰম্ভনিতে অসম এথলেটিকছ সন্থাৰ সাধাৰণ সম্পাদক অশোক ভৰালীয়ে সভাত অংশগ্ৰহন কৰা 35 গৰাকী বিষয়-ববীয়াক আদৰণি জনাই মন্তব্য ৰাখে। উক্ত সভাতেই সিদ্ধান্ত মৰ্মে আগন্তুক প্ৰতিযোগিতাৰ বাবে খেলুৱৈসকলৰ পঞ্জীয়নৰ মাচুল 100 টকা নিৰ্ধাৰণ কৰে। অংশগ্ৰহন কৰিবলগীয়া জিলাসমূহৰ খেলুৱৈ সকলৰ প্ৰবেশ পঞ্জীয়ন অনলাইন মাধ্যমেৰে 22 ফেব্ৰুৱাৰীৰ দিনৰ 12 বজাত আৰম্ভ হৈ দুই মাৰ্চৰ নিশা 12 বজাত সামৰণি পৰিব। আনহাতে, প্ৰতিযোগিতাত অংশগ্ৰহনৰ বাবে ইভেণ্ট সমূহৰ অৰ্হতাৰ মানদণ্ড 21 তাৰিখৰ ভিতৰত মুকলি কৰিব অসম এথলেটিকছ সন্থাই। প্ৰতিযোগিতাৰ প্ৰতিটো কাৰ্যসূচীত জিলা ক্ৰীড়া সন্থা সমূহৰ সম্পূৰ্ণ সহযোগিতা কামনাৰ লগতে 22 ফেব্ৰুৱাৰীত জিলা সমূহলৈ প্ৰতিযোগিতাৰ সম্পূৰ্ণ নিয়মাৱলী প্ৰেৰণ কৰা হ'ব বুলি জনাইছে অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ আৰু সাধাৰণ সম্পাদক অশোক ভৰালীয়ে।

# সমৰকলাৰ প্ৰশিক্ষণ শিবিৰ সমাপ্ত



**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** যোৱা 10 ৰ পৰা 19 ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হোৱা ছোৱালীৰ আত্মাৰক্ষাৰ প্ৰশিক্ষণ শিবিৰৰ আজি সফল ভাৱে সামৰণি পৰে। গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ এন এছ এছ আৰু আই টি এফ টাং ছু ডু স্পৰ্টছ সন্থা, অসমৰ উদ্যোগত আয়োজন কৰা ছোৱালীৰ আত্মাৰক্ষাৰ প্ৰশিক্ষণ শিবিৰত প্ৰায় 70 গৰাকী ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উক্ত 10 দিনীয়া প্ৰশিক্ষণ শিবিৰত সমৰ কলাৰ বিভিন্ন কৌশলৰ প্ৰশিক্ষণ দিয়াৰ উপৰিও ছাত্ৰী সকলৰ আত্মবিশ্বাস, মনোবল আৰু নিজকে কিদৰে সফলতাৰে আত্মা প্ৰতিষ্ঠা কৰিব পাৰে তাৰো প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণ প্ৰদান কৰে টাং চু ডুৰ অসমৰ মুখ্য প্ৰশিক্ষক মাষ্টাৰ দেৱজিৎ গগৈ আৰু মহিলা প্ৰশিক্ষক বৰ্ণালী গগৈয়ে। সামৰণি অনুষ্ঠানত উপস্থিত থাকে সাঁতোৰবিদ এলভিছ আলি হাজৰিকা, সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ লগতে এন এছ এছৰ মুৰব্বী বিনয় নাথ।




# নিলয় দত্ত ক্ৰিকেটত ডিব্ৰুগড় বিশ্ববিদ্যালয় চেম্পিয়ন



**অগ্ৰদূত বাৰ্তা,**
**তেজপুৰ, ২০ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ে বজালিৰ ভট্টদেৱ বিশ্ববিদ্যালয়ক পৰাজিত কৰি প্ৰথমবাৰলৈ অনুষ্ঠিত হোৱা নিলয় দত্ত সোঁৱৰণি আন্তঃবিশ্ববিদ্যালয় টি-20 ক্ৰিকেট প্ৰতিযোগিতাৰ ট্ৰফী অৰ্জন কৰিছে। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আজি তেজপুৰ বিশ্ববিদ্যালয় ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত ফাইনেল খেলখনত খেলখনত টছত জিকি ভট্টদেৱ বিশ্ববিদ্যালয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনাই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অখিল কলিতাৰ 46, নিহাৰ নৰহৰ 29 (আৰু গুঞ্জন জ্যোতি ডেকাৰ 28 ৰাণৰ দৰ্শনীয় প্ৰদৰ্শনৰ সহায়ত 20 অভাৰত ন উইকেট হেৰুৱাই 155 ৰাণ সংগ্ৰহ কৰে। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ভাৰ্গৱ লহকৰ আৰু বিক্ৰমজিৎ দত্তই দুটা উইকেট পায়। প্ৰত্যুত্তৰত 156 ৰাণৰ বিজয়লক্ষ্য লৈ বেট কৰা ভট্টদেৱ বিশ্ববিদ্যালয়ে প্ৰথম অভাৰতে স্কৰবৰ্ডত এটাও ৰাণ যোগ নকৰাকৈয়ে প্ৰথমটো উইকেট হেৰুৱাব লগীয়া হয়। ইয়াৰ পাছৰ পৰাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত ধাৰাবাহিক উইকেট হেৰুৱাই 19.2 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 110 ৰাণ সংগ্ৰহ কৰি পৰাজিত হয়। দলটোৰ হৈ অংকুৰ কলিতা আৰু ভাৰ্গৱ লহকৰে 20 ৰাণকৈ সৰ্বাধিক সংগ্ৰহ কৰে। আনহাতে, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বলাৰ ৰাজদ্বীপ সন্দিকৈয়ে তিনিটা আৰু গুঞ্জনজ্যোতি ডেকাই দুটা উইকেট অৰ্জন কৰে। বেটে বলে দৰ্শনীয় প্ৰদৰ্শন কৰা গুঞ্জনজ্যোতি ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয়।



# মানস প্ৰতিম ক্ৰিকেটত ওদালগুৰি কোৱাৰ্টাৰত

**বিশেষ সংবাদদাতা**
**ওদালগুৰি ২০ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা চতুৰ্থ মানস প্ৰতিম দাস সোঁৱৰণী ক্ৰিকেটৰ অন্তিমখন লীগ খেলত অক্সএমচিচি ওদালগুৰিয়ে ইমোৰ্টেল গুৱাহাটীক 65 ৰাণত পৰাস্ত কৰে। টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে ইমোৰ্টেলে। অক্সএমচিচিয়ে নিৰ্ধাৰিত 30 অভাৰত ছয়টা উইকেট হেৰুৱাই শুভাংকৰ ঘোষৰ 51 ৰাণৰ বৰঙণিৰে 254 ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি ইমোৰ্টেলে 29.2 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 189 ৰাণতে ইনিংছ সামৰে। খেলখনত জয়ী হৈ অক্সএমচিচিয়ে প্ৰতিযোগিতাখনিৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

